দেওবৰীয়া দৈনিক
# অগ্ৰদূত
গুৱাহাটী, ১৯ জুন, ২০২২ দেওবাৰ পৃষ্ঠা তিনি

**৫০ হেজাৰৰো অধিক মুগা নষ্ট ঃ ৰাসায়নিক সাৰ প্ৰয়োগৰ ফলত নষ্ট হোৱাৰ অভিযোগ**

## আমগুৰিৰ বৰাহীবাৰীত মুগাপালকৰ মাজত হাহাকাৰ

অগ্ৰদূত বাৰ্তা

**আমগুৰি, ১৮ জুন ঃ** শিৱসাগৰ জিলাৰ আমগুৰি সমষ্টিৰ অন্তৰ্গত বৰাহীবাৰী চাকমা চাপৰি মুগা ফাৰ্মত মুগাপালকৰ ৫০ হেজাৰৰো অধিক মুগা নষ্ট হোৱা ঘটনাই মুগা পালকসকলৰ মাজত হাহাকাৰ অৱস্থাৰ সৃষ্টি কৰিছে। তথ্য মতে, ৰাজ্যখনৰ বিভিন্ন প্ৰান্তৰ পৰা আঠ পৃষ্ঠাত চাওক

## হাজোত বানাক্ৰান্তক পৰ্যাপ্ত সা-সুবিধা প্ৰদানৰ দাবীত আছুৰ মুখ্যমন্ত্ৰীলৈ স্মাৰকপত্ৰ প্ৰেৰণ

অগ্ৰদূত বাৰ্তা

**হাজো, ১৮ জুন ঃ** উত্তৰ হাজোৰ বানাক্ৰান্ত লোকক পৰ্যাপ্ত বান সাহাৰ্য প্ৰদান কৰাৰ দাবীত আজি হাজো আঞ্চলিক ছাত্ৰ সন্থাই হাজো ৰাজহ চক্ৰ বিষয়াৰ জৰিয়তে অসমৰ মুখ্যমন্ত্ৰীলৈ এখন স্মাৰকপত্ৰ প্ৰেৰণ কৰে। উল্লেখ্য যে সমগ্ৰ ৰাজ্যতে প্ৰলয়ংকৰী বানে সকলো আঠ পৃষ্ঠাত চাওক

## ছমৰীয়াত নিতৌ বানৰ কৱলত পৰিছে ন ন ৰাজহ গাঁও



অগ্ৰদূত বাৰ্তা

**সোণতলী, ১৮ জুন ঃ** বিগত কে'বাদিন ধৰি হৈ থকা মুষলধাৰ বৰষুণৰ প্ৰভাৱত ছমৰীয়া ৰাজহ চক্ৰৰ অধীনস্থ বহু অঞ্চলত বানপানীয়ে প্লাৱিত কৰিছে। এই বানপানীৰ কৱলত পৰিছে ৰাজহ চক্ৰৰ প্ৰায় ৫০ খনতকৈ অধিক গাঁও। আজি ছমৰীয়া ৰাজহ চক্ৰ বিষয়া প্ৰীতম দাসৰ নেতৃত্বত অসম ৰাজ্যিক দুৰ্যোগ প্ৰশমন বিভাগৰ এটি দলে ৰাজহ চক্ৰ কাৰ্যালয়ৰ আঠ পৃষ্ঠাত চাওক

**নগাঁৱত ক'লা ব্যৱসায়ীৰে যোগান বিভাগ-সমবায়ৰ গোপন বুজাবুজিৰ অভিযোগ**

# সুলভ মূল্যৰ আটা বিক্ৰী হয় ক'লা বজাৰত

বিশেষ সংবাদদাতা

**নগাঁও, ১৮ জুন ঃ** নগাঁও জিলাত বছৰ বছৰ ধৰি ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰাইজক সুলভ মূল্যৰ আটা যোগান ধৰাৰ নামত এক বিয়াগোম কেলেংকাৰি সংঘটিত হৈ আহিছে। যাৰ ফলত জিলাখনত ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত ৰেচন কাৰ্ড থকা হিতাধিকাৰীক প্ৰতিমাহে সুলভ মূল্যৰ আটা যোগান ব্যৱস্থাটো চৰম প্ৰহসনত পৰিণত হোৱা পৰিলক্ষিত হৈছে। উল্লেখ্য যে নগাঁও জিলাৰ মুঠ ৩৩ খন সমবায় সমিতিৰ আঢ়ৈ লাখৰো অধিক ৰেচন কাৰ্ডৰ উপভোক্তাক প্ৰতিমাহে সুলভ মূল্যত আটা যোগান ধৰিবলৈ যোগান বিভাগে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ অধীনত নগাঁও চহৰৰ আঠটা ফ্ল'ৰ মিলক হেজাৰ হেজাৰ কুইন্টল সুলভ মূল্যৰ ঘেহুৰ আবন্টন দি আহিছে। তৎসত্বেও জিলাখনৰ দুখীয়া ৰাইজে মাহেকৰ মূৰত সুলভ মূল্যৰ দোকানৰ জৰিয়তে প্ৰয়োজনীয় আটাকণো লাভ কৰিবলৈ সক্ষম নহয় কিম্বা তেনে আটা ক্ৰয় কৰিবলৈ মুঠেই আগ্ৰহী নহয়। কিন্তু তাৰ বিপৰীতে ৰাজহুৱা বিতৰণ ব্যৱস্থাৰ এই উৎকৃষ্ট মানৰ ঘেহুৰেই ফ্ল'ৰ মিলসমূহত উৎকৃষ্ট মানৰ আটা প্ৰস্তুত কৰি তাৰে বিভিন্ন ব্ৰেণ্ডৰ পেকেট প্ৰস্তুত কৰি সেই আটাৰ নগাঁও জিলাৰ লগতে অসম তথা উত্তৰ-পূৰ্বাঞ্চলত ৰমৰমীয়া বেহা আঠ পৃষ্ঠাত চাওক



*শালবাৰীত বান পীড়িতৰ মাজত মন্ত্ৰী ৰঞ্জিত কুমাৰ দাস, শনিবাৰে।*

## বৰষুণত বিধ্বস্ত শুৱালকুছি ব্ৰহ্মপুত্ৰৰ পাৰত নিৰ্মীয়মাণ মথাউৰিৰ ওপৰৰ পথ



অগ্ৰদূত বাৰ্তা

**শুৱালকুছি, ১৮ জুন ঃ** শুৱালকুছি ব্ৰহ্মপুত্ৰৰ কাষেৰে বাঘেশ্বৰী পাহাৰৰ পৰা অশোকাষ্টমী ফিল্ডলৈ প্ৰায় দুই কিলোমিটাৰৰ নিৰ্মাণৰত মথাউৰিটো সপ্তাহ ধৰি হোৱা বৰষুণত ঠায়ে ঠায়ে খহি গৈছে। মথাউৰিটোৰ গল্ডেন ঘাটৰ পৰা অশোকষ্টামী ফিল্ডলৈ কৰা পকী পথৰ ঠাই ভেদে বৰষুণত বিধ্বস্ত হৈছে। প্ৰায় তিনিমাহ আগতে মথাউৰিটোত ব্ৰহ্মপুত্ৰৰ বালিমাটিৰে নিৰ্মাণ কৰাৰ পাছতে পকী কৰা কাৰ্যটো অবৈজ্ঞানিক চিন্তাৰ পৰিচয় বুলি সততে সমালোচনা কৰিছে স্থানীয় ৰাইজে। মথাউৰিটোত ব্যৱহাৰ কৰা ব্ৰহ্মপুত্ৰৰ বালিমাটিয়ে ব্লেক টেপিং কৰি ৰাখিবলৈ প্ৰায় ছমাহৰ প্ৰয়োজন হয়। তেনেক্ষেত্ৰত এই আদহীয়া মাটিৰ ওপৰতে শিলগুটি পাৰি পথটো পকী কৰাৰ চিন্তা আঠ পৃষ্ঠাত চাওক

**জেলৰ পৰা জামিনত মুক্ত হৈ পুনৰ ড্ৰাগছ ব্যৱসায়ত জড়িত**

## নগাঁৱত হেৰ'ইনসহ দুই কুখ্যাত ড্ৰাগছ সৰবৰাহকাৰীক গ্ৰেপ্তাৰ



বশেষ সংবাদদাতা

**নগাঁও, ১৮ জুন ঃ** নগাঁও আৰক্ষীৰ বাবে ড্ৰাগছেই তীব্ৰ প্ৰত্যাহ্বান হৈ পৰিছে। প্ৰায় দুটা বছৰৰ পৰা নগাঁও আৰক্ষীয়ে ড্ৰাগছৰ বিৰুদ্ধে অতি কঠোৰ অভিযান অব্যাহত ৰাখিছে যদিও ইয়াক নিৰ্মূল কৰাত মুঠেই সফল হ'ব পৰা নাই। শেহতীয়াকৈ নগাঁও আৰক্ষীৰ জালত নিতৌ ড্ৰাগছ মাফিয়া, ড্ৰাগছ সৰবৰাহকাৰী পৰিছে। নিতৌ উদ্ধাৰ হৈছে নিষিদ্ধ ড্ৰাগছে। এনেদৰে ড্ৰাগছসহ ড্ৰাগছ সৰবৰাহকাৰী আঠ পৃষ্ঠাত চাওক

**■ ঘাইপথ আজিও বন্ধ ■ ঠায়ে ঠায়ে বিস্তৰ ক্ষতি ৰাষ্ট্ৰীয় ঘাইপথ ■ খাদ্য সামগ্ৰীৰ নাটনি ■ অত্যাৱশ্যকীয় খাদ্য সামগ্ৰীৰ অভাৱনীয় মূল্যবৃদ্ধি ঃ উদ্ধাৰ অভিযান অব্যাহত**

## দ্বিতীয়বাৰৰ বাবে ভাঙিল শাকতোলা, চন্দ্ৰমল দত্ত ডোঙৰ মথাউৰি


বিশেষ সংবাদদাতা

**মঙলদৈ, ১৮ জুন ঃ** ৰাজ্যৰ প্ৰথমটো বানৰ বিভীষিকা মাৰ নৌযাওঁতেই পুনৰ একেৰাহে কে'বাদিনো ধাৰাসাৰ বৰষুণৰ ফলত সৃষ্টি হোৱা দ্বিতীয়টো বানত ৰাজ্যজুৰি সৃষ্টি হৈছে অবৰ্ণনীয় পৰিস্থিতিৰ। দৰঙৰো বৰনদী, ননৈ, শাকতোলা, নোৱানৈ, বেগা নৈ আদি ফেনে ফোটোকাৰে বাঢ়ি ভয়ংকৰ পৰিস্থিতিৰ সৃষ্টি কৰিছে। শাকতোলা নদীৰ মথাউৰি আঠ পৃষ্ঠাত চাওক



**প্ৰশাসনক তৎকালীন ব্যৱস্থা গ্ৰহণৰ দাবী আছুৰ**

## নলবাৰীত বানাক্ৰান্ত আৰু পশুধনৰ খাদ্যৰ হাহাকাৰ



অগ্ৰদূত বাৰ্তা

**নলবাৰী, ১৮ জুন ঃ** সমগ্ৰ ৰাজ্যতে বানৰ বিভীষিকাময় পৰিৱেশ। প্ৰবল বৃষ্টিপাত আৰু ঠায়ে ঠায়ে মথাউৰি ভগাৰ ফলৰ নলবাৰী জিলাতো বান পৰিস্থিতিয়ে অধিক জটিল ৰূপ ধাৰণ কৰিছে। নলবাৰী চহৰকে ধৰি বিভিন্ন অঞ্চল জলমগ্ন। নলবাৰী জিলাত যি সমূহ স্থানত আশ্ৰয় শিবিৰ পাতিছে সেই শিবিৰসমূহত পৰ্যাপ্ত পৰিমাণে খোৱাপানী, খাদ্য আঠ পৃষ্ঠাত চাওক

## জাগীৰোডৰ বাঘজাপত মটৰ চাইকেলৰ খুন্দাত শিক্ষক বেণুধৰ ডেকাৰ মৃত্যু

অগ্ৰদূত বাৰ্তা

**জাগীৰোড, ১৮ জুন ঃ** জাগীৰোড-মৰিগাঁও সংযোগী পথৰ বাঘজাপত কালি সন্ধিয়া সংঘটিত পথ দুৰ্ঘটনাত মৃত্যু হয় শিক্ষক বেণুধৰ ডেকাৰ। মৰিগাঁও জিলাৰ ধৰমতুলস্থিত মতিৰাম বৰা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ ৰাজনীতি বিজ্ঞান বিভাগৰ শিক্ষক হিচাপে কৰ্মৰত আছিল ডেকা। কালি সন্ধিয়া ঘৰুৱা কামৰ বাবে ওলাই গৈ চাইকেলেৰে ঘৰলৈ আহি থকাৰ সময়ত পিছফালৰ পৰা এখন মটৰ চাইকেলে প্ৰচণ্ড জোৰেৰে আহি খুন্দা মৰাৰ ফলত শিক্ষক ডেকা গুৰুতৰভাৱে আহত হয়। ততাতৈয়াকৈ শিক্ষকজনক উন্নত চিকিৎসাৰ বাবে গুৱাহাটীলৈ নিছিল যদিও আধা বাটতে শেষ নিশ্বাস ত্যাগ কৰে। ১৯৬৫ত জন্মগ্ৰহণ কৰা ডেকাই ১৯৯১ত শিক্ষক আঠ পৃষ্ঠাত চাওক

**খাদ্যৰ অভাৱত বন্যাৰ্তৰ হাহাকাৰ**

## গোৱালপাৰাত বানপানী ঃ আশ্ৰয় শিবিৰ পৰিদৰ্শন মন্ত্ৰী মহনৰ



অগ্ৰদূত বাৰ্তা

**আগিয়া, ১৮ জুন ঃ** গোৱালপাৰা জিলাৰ বালিজানা ৰাজহ চক্ৰৰ বান পৰিস্থিতি অপৰিৱৰ্তিত অৱস্থাত আছে। বালিজানা ৰাজহ চক্ৰৰ ৯৯খন গাঁও বানপানীত ক্ষতিগ্ৰস্ত হৈছে আৰু এইসকল লোক ২০টা আশ্ৰয় শিবিৰত ইতিমধ্যে আশ্ৰয় গ্ৰহণ কৰি আছে। বন্যাৰ্ত আৰু আঠ পৃষ্ঠাত চাওক

**■ গছৰ ডাল, বাঁহ আঁৰিয়ে মথাউৰি ভেটাৰ চেষ্টা নৈপৰীয়া ৰাইজৰ ■ যিকোনো মুহূৰ্ততে পাগলাদিয়া নৈৰ মথাউৰি ছিঙি নিয়া আশংকা**

## ঘগ্ৰাপাৰৰ কেহেৰুৱাত পাগলাদিয়া নৈৰ মথাউৰিৰ খহনীয়া



অগ্ৰদূত বাৰ্তা

**ঘগ্ৰাপাৰ, ১৮ জুন ঃ** ৰাজ্যৰ বিভিন্ন প্ৰান্তৰ লগতে নলবাৰী জিলাৰ ৫৯ নম্বৰ নলবাৰী বিধানসভা সমষ্টিৰ অন্তৰ্গত ঘগ্ৰাপাৰ ৰাজহ চক্ৰৰ অন্তৰ্গত প্ৰায় অৰ্ধশতাধিক গাঁও বানৰ কৱলত পৰাৰ সময়তে কেহেৰুৱাত পাগলাদিয়াৰ নৈৰ মথাউৰিৰ খহনীয়া অব্যাহত আছে। স্থানীয় ৰাইজে বিপদৰ পৰা পৰিত্ৰাণ পোৱাৰ বাবে নৈৰ খহনীয়া ৰোধৰ বাবে গছৰ ডাল, গছ, বাঁহ আঁৰি খহনীয়া ৰোধৰ চেষ্টা কৰিছে। উল্লেখ্য যে নৈখনে যদি উক্ত স্থান ছিঙি নিয়ে তেতিয়া হ'লে অঞ্চলটোৰ কেহেৰুৱা, সাহানবিষ্ণুপুৰ, আঠ পৃষ্ঠাত চাওক

## গোৱালপাৰাত ৪৪ টা শিবিৰত ১২,১৩২ গৰাকী লোকৰ আশ্ৰয় গ্ৰহণ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৮ জুন ঃ** গোৱালপাৰাৰ বান পৰিস্থিতি অপৰিৱৰ্তিত অৱস্থাত আছে। জিলা প্ৰশাসনৰ তথ্য মতে আজি আবেলিলৈকে জিলাখনৰ বিভিন্ন প্ৰান্তত ৪৪ টা আশ্ৰয় শিবিৰ স্থাপন কৰা হৈছে। উল্লেখ্য যে বিগত কে'বাদিন ধৰি হোৱা নেৰানেপেৰা বৰষুণৰ লগতে মেঘালয়ৰ পৰা নামি অহা ধলপানীৰ ফলত জিলাখনৰ বিস্তীৰ্ণ অঞ্চল পানীৰ তলত বুৰ গৈছে। জিলাখনৰ পাঁচটা ৰাজহ চক্ৰৰ অন্তৰ্গত ২৮৫খন গাঁৱৰ মুঠ দুই লাখ ২০ হেজাৰ ৯৭৫ গৰাকী লোক বানপানীৰ কৱলত পৰিছে। ইয়াৰে বালিজানা ৰাজহ চক্ৰত ৯৯ খন, লক্ষীপুৰ ৯৪ খন, মাটিয়া ৭৭ খন আৰু ৰংজুলি ৰাজহ চক্ৰত ১৪ খন গাঁও বানপানীৰ কৱলত পৰিছে। ইপিনে, বালিজানা ৰাজহ চক্ৰ আঠ পৃষ্ঠাত চাওক

## বাগ্‌সাৰ এলেঙামাৰীত বেঁকী নৈৰ খহনীয়া পৰিদৰ্শন ৰাজ্যসভাৰ সাংসদ নাৰ্জাৰীৰ



অগ্ৰদূত বাৰ্তা

**শালবাৰী, ১৮ জুন ঃ** ৰাজ্যৰ চাৰিওফালে এতিয়া বানৰ সংহাৰী ৰূপ। কে'বাদিনো ধৰি হৈ থকা নেৰানেপেৰা মুষলধাৰ বৰষুণৰ ফলত নৈ-উপনৈসমূহত জলস্তৰ বৃদ্ধি পোৱাৰ লগে লগেই বানৰ কবলত পৰিছে ৰাজ্যবাসী। যাৰ ফলত বেঁকী নৈৰ কাষৰীয়া অঞ্চলসমূহত আঠ পৃষ্ঠাত চাওক

## কোচবিহাৰৰ মধুপুৰ সত্ৰৰ সাংস্কৃতিক কেন্দ্ৰ গোহালি ঘৰলৈ পৰিণত



**সত্ৰীয়া সংস্কৃতি প্ৰচাৰত অচলাৱস্থা**

অগ্ৰদূত বাৰ্তা

**হাউলী, ১৮ জুন ঃ** সত্ৰীয়া সংস্কৃতি প্ৰচাৰ, প্ৰসাৰ আৰু সংৰক্ষণৰ লক্ষ্য আগত লৈ অসম চৰকাৰে ১৯৮৯তেই বৈষ্ণৱ ধৰ্মৰ পীঠস্থান মধুপুৰ সত্ৰত অসম চৰকাৰৰ সাংস্কৃতিক সঞ্চালকালয়ৰ অধীন 'মধুপুৰ সাংস্কৃতিক কেন্দ্ৰ' স্থাপন কৰা হৈছিল। আশা কৰা হৈছিল এই কেন্দ্ৰটোৰ জৰিয়তে উত্তৰবংগৰ বিভিন্ন স্থানত স্থাপিত ১০খন সত্ৰৰ সাংস্কৃতিক উত্তৰণৰ লগতে সমগ্ৰ উত্তৰবংগত অসমত আপুৰুগীয়া সত্ৰীয়া সংস্কৃতি আৰু সোণসেৰীয়া লোক সংস্কৃতিসমূহ ব্যাপক হাৰত প্ৰচাৰ আৰু প্ৰসাৰৰ ব্যৱস্থা কৰা হ'ব। ইয়াৰ উপৰি বহিঃৰাজ্যখনৰ লোকসকলৰ মাজত মহাপুৰুষ দুজনাৰ জীৱন পৰিক্ৰমাৰ ওপৰত এক অধ্যয়নৰ পৰিৱেশ গঢ়ি তোলাত কেন্দ্ৰটোৱে সহযোগিতা আগবঢ়ায়। কিন্তু অতি দুখ আৰু আঠ পৃষ্ঠাত চাওক

## ক্ষীৰোদ বৰাৰ বিয়োগত লখিমপুৰত শোকৰ ছাঁ



অগ্ৰদূত বাৰ্তা

**লখিমপুৰ, ১৮ জুন ঃ** চুতীয়া জাতিৰ উন্নয়ন পৰিষদ অসমৰ প্ৰাক্তন সদস্য, সমাজ সেৱক, ব্যৱসায়ী লখিমপুৰ জাপিসজীয়া নিবাসী ক্ষীৰোদ বৰা (৫৯)ৰ ষ্ট্ৰোক বন্ধ হৈ কালি লখিমপুৰ সৌমাৰপীঠ নাৰ্চিং হোমত চিকিৎসাধীন অৱস্থাত পৰলোকপ্ৰাপ্তি আঠ পৃষ্ঠাত চাওক

## গোৱালপাৰাৰ বানাক্ৰান্ত অঞ্চল পৰিদৰ্শন মন্ত্ৰী যোগেন মোহনৰ

অগ্ৰদূত বাৰ্তা

**মাটিয়া, ১৮ জুন ঃ** অসম চৰকাৰৰ ৰাজহ, দুৰ্যোগ ব্যৱস্থাপনা আৰু পাৰ্বত্য অঞ্চল উন্নয়ন বিভাগৰ মন্ত্ৰী যোগেন মোহনে গোৱালপাৰা জিলা পৰিদৰ্শন কৰি আজি বান পৰিস্থিতিৰ বুজ লয়। মন্ত্ৰীগৰাকীয়ে প্ৰথমে গোৱালপাৰাৰ ফফঙা প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰে। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে দ্বাৰকা বজাৰৰ কিছ্‌ৰীডুবি সংলগ্ন জিড়িৰাম নদীৰ ওপৰত নিৰ্মাণ কৰি থকা দলঙৰ নিৰ্মাণ কাৰ্য আজি তিনিবছৰে সম্পূৰ্ণ কৰিব নোৱাৰা বুলি ৰাইজৰ অভিযোগ পাই দলংখনৰ নিৰ্মাণ কাৰ্যৰ বুজ লয়। ইয়াৰ পাছত মন্ত্ৰীগৰাকীয়ে দ্বাৰকা প্ৰাথমিক বিদ্যালয়ত স্থাপন কৰা আশ্ৰয় শিবিৰ পৰিদৰ্শন কৰি বানাক্ৰান্ত ৰাইজৰ দুখ দুৰ্দশাৰ বুজ লয়। ইয়াৰ উপৰি মন্ত্ৰীগৰাকীয়ে ৰংছাই হাইস্কুল, ধামৰ প্ৰাথমিক বিদ্যালয় আৰু লক্ষীপুৰ অঞ্চলৰ বানাক্ৰান্ত ৰাইজৰ বাবে স্থাপন কৰা আঠ পৃষ্ঠাত চাওক

## বানৰ কৱলত জাঁজীমুখ

**বানৰ সংহাৰ-বিপদসীমাৰ ওপৰেৰে বাগৰিছে ব্ৰহ্মপুত্ৰৰ জলস্তৰ**

অগ্ৰদূত বাৰ্তা

**লাহদৈগড়, ১৮ জুন ঃ** ৰাজ্যৰ চৌদিশে এতিয়া প্ৰকৃতিৰ সংহাৰ। ভয়াবহ বানৰ কৱলত চৌদিশ হৈ পৰিছে বিধ্বস্ত। মধ্য অসম আৰু নামনি অসমৰ পাছত এতিয়া উজনিতো বানে ভয়ংকৰ ৰূপ ধাৰণ কৰিছে। টীয়ক সমষ্টিৰ জাঁজীমুখত কালিৰে পৰা অভাৱনীয় হাৰত ব্ৰহ্মপুত্ৰৰ জলস্তৰ বৃদ্ধি পোৱাত বন্ধ কৰি দিয়া হৈছে জাঁজীমুখ পাৰঘাটৰ নাৱৰ চলাচল। ফলত সম্পূৰ্ণৰূপে যোগাযোগ বিচ্ছিন্ন হৈ পৰিছে প্ৰায় ১৫ খন গাঁও। চাপৰিৰ পশুধনসমূহ ওখ স্থানলৈ লৈ আহিছে গো-পালকসকলে। বহু পৰিয়ালৰ ঘৰ-দুৱাৰ ডুব গৈছে বাঢ়নী পানীত। আঠ পৃষ্ঠাত চাওক

**পথৰ দুৰৱস্থাৰ বাবে উক্ত পথেৰে নাযায় ১০৮ এম্বুলেন্স সেৱা**

## বোকাখাতৰ বংকোৱালত ঠেলাত চিকিৎসালয়লৈ নিলে ৰোগীক

**খুমটাই, ১৮ জুন ঃ** দেশে স্বাধীনতা লাভ কৰাৰ ৭৫ বছৰ পাছতো বোকাখাত বিধান সভা সমষ্টিৰ অন্তৰ্গত মহুৰামুখ বংকোৱালত এটা পথ শাওনৰ বোকাময় পথাৰলৈ পৰ্যবসিত হোৱাত যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভুগিছে ৰাইজে। আজি পুৰা জৰাজীৰ্ণ পথটোৰ বাবে বংকোৱাল বৰালিমৰাৰ অকণমানি পেগু (৫০) নামৰ এগৰাকী মহিলাৰ স্বাস্থ্যৰ অৱনতি ঘটাত তেওঁক এখন ঠেলাত উঠাই গাঁওবাসীৰ সহায়ত চিকিৎসালয়লৈ নিবলগীয়া হয়। এই ঘটনাই অঞ্চলটোত প্ৰতিক্ৰিয়াৰ সৃষ্টি কৰিছে। উল্লেখ যে কেবিনেট মন্ত্ৰী অতুল বৰাৰ গৃহ সমষ্টিৰ অন্তৰ্গত



মহুৰামুখৰ বংকোৱালত বালিচাপৰি আৰু বৰালিমৰা সংযোগী প্ৰায় তিনি কিলোমিটাৰ পথৰ দুৰৱস্থাৰ বাবে অঞ্চলবাসীয়ে দীৰ্ঘদিন ধৰি যাতায়াতৰ ক্ষেত্ৰত জীয়াতু ভুগি আহিছে। ইফালে অঞ্চলটোৰ মূল পথটোৰ অৱস্থা জৰাজীৰ্ণ হোৱাত আজি এখন আঠ পৃষ্ঠাত চাওক

## বাসুগাঁও পৌৰসভাৰ নৱনিৰ্বাচিত পৰিচালনা সমিতিৰ শপতগ্ৰহণ সভাপতিৰ বিৰুদ্ধে ধৰ্ণা



অগ্ৰদূত বাৰ্তা

**গৰুভাষা, ১৮ জুন ঃ** বিটিআৰত নতুন চৰকাৰ গঠন হোৱাৰ দুবছৰৰ অন্তত আজি নৱনিৰ্বাচিত ১৩জনীয়া সদস্যৰে বাসুগাঁও পৌৰসভাৰ পৰিচালনা সমিতিয়ে বাসুগাঁও পৌৰসভাৰ কাৰ্যবাহী বিষয়া তথা আঠ পৃষ্ঠাত চাওক

## দীপৰ বিলৰ চকৰ্দোত ৰেলৰ চেপাত বিলুপ্তপ্ৰায় প্ৰজাতিৰ শিয়াল-সাপৰ মৃত্যু



অগ্ৰদূত বাৰ্তা

**আজাৰা, ১৮ জুন ঃ** দীপৰ বিলৰ পাৰৰ এনিমেল আৰু এলিফেন্ট কৰিড'ৰৰ ৰেলপথৰ অংশখিনিত বিগত দিনকেইটাত ৰেল বিভাগে বৈদ্যুতিকৰণৰ কাম আৰম্ভ কৰাক লৈ ৰেল বিভাগ আৰু বন বিভাগৰ মাজত সংঘাতৰ সৃষ্টি হৈ আহিছে। ইয়াৰ মাজতে যোৱা নিশা কোনো ৰেলৰ চেপাত দীপৰ বিলৰ পাৰত বিলুপ্তপ্ৰায় প্ৰজাতিৰ এটা শিয়াল আৰু এডাল সাপৰ মৃত্যু হয়। এই সন্দৰ্ভত দীপৰ বিলৰ পাৰৰ চকটোত কলিতাপাৰাৰ বাসিন্দা, পৰিৱেশ কৰ্মী আঠ পৃষ্ঠাত চাওক

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, দেওবাৰ ৪ আহাৰ ১৪২৯ ভাস্কৰাব্দ ১৯ জুন ২০২২



## ৰাষ্ট্ৰসংঘত হিন্দী




যোৱা ১০ জুনত ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদত গৃহীত এক প্ৰস্তাৱযোগে ভাৰতীয় ভাষা হিন্দীক ৰাষ্ট্ৰসংঘৰ ভাষাসমূহৰ তালিকাত অন্তৰ্ভুক্ত কৰা হ'ল। ৰাষ্ট্ৰসংঘৰ ১৯৩ খন সদস্য ৰাষ্ট্ৰৰ সাধাৰণ পৰিষদে এই প্ৰস্তাৱত অনুমোদন জনায়। ইয়াৰ যোগেদি হিন্দী ভাষাক ৰাষ্ট্ৰসংঘৰ অনানুষ্ঠানিক (আন অফিচিয়েল) ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা হ'ল। উল্লেখ্য যে ৰাষ্ট্ৰসংঘই বিভিন্ন কাম-কাজত ব্যৱহাৰ কৰা ছটা আনুষ্ঠানিক (অফিচিয়েল) ভাষা আছে। সেই ভাষাকেইটা হ'ল আৰৱিক, চীনা, ইংৰাজী, ৰুছ, ফৰাচী আৰু স্পেনিছ ভাষা। এই ছটা ভাষাক ৰাষ্ট্ৰসংঘই ইয়াৰ আনুষ্ঠানিক ভাষা হিচাপে ব্যৱহাৰ কৰি আহিছে। অৱশ্যে ইংৰাজী আৰু ফৰাচী ভাষাই ৰাষ্ট্ৰসংঘৰ কাৰ্যালয়ত প্ৰধান ব্যৱহৃত ভাষা; কিন্তু বিভিন্ন যোগাযোগৰ বাবে উল্লিখিত ছটা ভাষাৰ ব্যৱহাৰ হৈ আহিছে। এই ছটা ভাষাৰ উপৰি ৰাষ্ট্ৰসংঘই কেইটামান অনানুষ্ঠানিক ভাষাৰ ব্যৱহাৰৰ বাবে স্বীকৃতি দিছে। পৰ্তুগীজ, স্বাহিলি (আফ্ৰিকান ভাষা), পাৰ্চী, বাংলা, উৰ্দু আৰু হিন্দীক অনানুষ্ঠানিক ভাষা হিচাপে স্বীকৃতি প্ৰদান কৰা হৈছে। সেই অনুসৰি অন্যান্য ভাষাৰ লগতে ৰাষ্ট্ৰসংঘত হিন্দী ভাষাও ব্যৱহাৰৰ বাবে স্বীকৃত হ'ল। উল্লেখ্য যে ৰাষ্ট্ৰসংঘৰ আন্তঃৰাষ্ট্ৰীয় যোগাযোগ বিভাগে এই ভাষাসমূহৰ ব্যৱহাৰত গুৰুত্ব দিছে। হিন্দী ভাষাৰ বাবে ভাৰতৰ লগতে আন ৮০ খন দেশে সমৰ্থন আগবঢ়ায়। হিন্দী ভাষাক ৰাষ্ট্ৰসংঘত ব্যৱহাৰৰ বাবে ভাৰতে সকলো প্ৰচেষ্টা চলাই আহিছিল। ভাৰতে ৰাষ্ট্ৰসংঘক এই ক্ষেত্ৰত আৰ্থিক বৰঙণিও আগবঢ়াইছিল। অৱশেষত ভাৰতে সুফল লাভ কৰিলে। ৰাষ্ট্ৰসংঘত ভাৰতীয় ভাষা হিন্দীৰ অন্তৰ্ভুক্ত হ'ল। এতিয়াৰে পৰা ৰাষ্ট্ৰসংঘৰ কাম-কাজত হিন্দীৰ ব্যৱহাৰ সম্ভৱ হ'ব। অৱশ্যে ৰাষ্ট্ৰসংঘই বহু ভাষাৰ ব্যৱহাৰ অথবা 'মাল্টি লিংগুৱেলিজম'ত বিশেষ গুৰুত্ব দিছে। বহু ভাষাৰ ব্যৱহাৰৰ স্বীকৃতিয়ে বহুত্ববাদী চিন্তা বা ভাবাদৰ্শৰ পোষকতা কৰে। ৰাষ্ট্ৰসংঘৰ ডিপাৰ্টমেন্ট অৱ গ্ল'বেল কমিউনিকেছন-এ এই বিষয়ত অগ্ৰাধিকাৰ দিয়া দেখা গৈছে। ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধি টি এছ তিৰুমূৰ্তিৰ মতে বহু ভাষাৰ ব্যৱহাৰ নীতিক ৰাষ্ট্ৰসংঘই ইয়াৰ প্ৰধান প্ৰমূল্য হিচাপে স্বীকৃতি প্ৰদান কৰিছে। বহু ভাষা ব্যৱহাৰ নীতি লোৱাৰ বাবে আমি ৰাষ্ট্ৰসংঘৰ সচিব প্ৰধানক ধন্যবাদ জ্ঞাপন কৰিছো। আনহাতে, ৰাষ্ট্ৰসংঘই হিন্দীক স্বীকৃতি দিয়াৰ বাবে লোৱা প্ৰস্তাৱক গুৰুত্বপূৰ্ণ বুলি কৈ প্ৰকৃততে এনে স্বীকৃতি কেতিয়াবাই পাব লাগিছিল বুলি মন্তব্য আগবঢ়াইছে। ৰাষ্ট্ৰসংঘই বহু ভাষা ব্যৱহাৰ নীতিয়ে যে প্ৰকৃততে ভাষাৰ গণতন্ত্ৰীকৰণ নীতিৰ সমৰ্থন কৰে সেই বিষয়ত কোনো সন্দেহ নাই। এই নীতি ৰাষ্ট্ৰসংঘৰ সাধাৰণ পৰিষদৰ এক অত্যাৱশ্যকীয় লক্ষ্য হৈ পৰিছে। ৰাষ্ট্ৰসংঘৰ চনদত ৰাষ্ট্ৰসংঘৰ এনে লক্ষ্য পূৰণৰ কথা উল্লেখ কৰা হৈছে। প্ৰকৃততে বহু ভাষাৰ ব্যৱহাৰ নীতি গ্ৰহণৰ যোগেদি ৰাষ্ট্ৰসংঘই বিশ্বৰ বিভিন্ন ভাষা-সংস্কৃতিৰ সংৰক্ষণ, সুৰক্ষা আৰু বিকাশৰ বাবে কাম কৰিব বিচাৰে। ইয়াৰ যোগেদি ৰাষ্ট্ৰসংঘৰ কাম-কাজ কৰা আৰু স্বচ্ছতা ৰক্ষাৰ ক্ষেত্ৰত ই সফল হ'ব। ৰাষ্ট্ৰসংঘই সেয়ে ভৱিষ্যতে আৰু অধিক ভাষাক ৰাষ্ট্ৰসংঘৰ কাম-কাজত ব্যৱহাৰৰ বাবে স্বীকৃতি দিয়াৰ পোষকতা কৰে। ৰাষ্ট্ৰসংঘৰ আদৰ্শ তথা কৰ্মাৱলীক বিশ্ববাসীৰ ওচৰলৈ লৈ যোৱাটোও ইয়াৰ উদ্দেশ্য।

মনত ৰাখিব লাগিব যে বিশ্বত কে'বা হেজাৰ ভাষা আছে। অৱশ্যে বেছিভাগ ভাষা কমসংখ্যক লোকে ব্যৱহাৰ কৰে বা কম সংখ্যক লোকেহে কয়। আনহাতে, বিশ্বৰ বেছি সংখ্যক লোকে কোৱা বা ব্যৱহাৰ কৰা ভাষাৰ সংখ্যা বেছি নহয়। ভাৰতত হিন্দী ভাষা কোৱা বা ব্যৱহাৰ কৰা লোকৰ সংখ্যা সৰ্বাধিক। হিন্দীভাষী লোকৰ সংখ্যাগৰিষ্ঠতা থকা ৰাজ্যৰ সংখ্যাও বেছি। শাসক দলৰ একাংশ নেতাই সেয়ে হিন্দীক ৰাষ্ট্ৰীয় ভাষা হিচাপে ঘোষণা কৰিব বিচাৰে আৰু দেশৰ সকলো ৰাজ্যতে হিন্দী বাধ্যতামূলক কৰিব বিচাৰে; কিন্তু বিভিন্ন ভাষা-ভাষী ৰাজ্যৰ জনসাধাৰণে হিন্দী শিকাৰ ক্ষেত্ৰত আগ্ৰহী যদিও ইয়াক একমাত্ৰ ৰাষ্ট্ৰভাষা হিচাপে গ্ৰহণ কৰি হিন্দী শিকাটো বাধ্যতামূলক কৰা নীতিৰ ঘোৰ বিৰোধিতা কৰি আহিছে। সকলোৱে বহু ভাষা তথা বহুত্ববাদী নীতিৰ প্ৰতি সমৰ্থন ব্যক্ত কৰি আহিছে। ইয়াৰ যোগেদি বৈচিত্ৰ্যৰ মাজত ঐক্য নীতিক সমৰ্থন আৰু শক্তিশালী কৰিছে। চৰকাৰেও বিশেষকৈ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে বৈচিত্ৰ্যৰ মাজত ঐক্য নীতিক ৰাষ্ট্ৰৰ নীতি হিচাপে সদায় জোৰ দি আহিছে আৰু বহু ভাষা-সংস্কৃতিৰ সুৰক্ষা, সংৰক্ষণ আৰু বিকাশত গুৰুত্ব দি আহিছে। অৱশ্যে কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে বিভিন্ন সময়ত হিন্দী ভাষাৰ বিষয়ত বিতৰ্কিত মন্তব্য আগবঢ়াই আহিছে। বিশেষকৈ হিন্দীৰ প্ৰভুত্ব বিচৰা এনে বিতৰ্কিত মন্তব্যৰ বাবে দেশজুৰি বিভিন্ন পৰ্যায়ত প্ৰতিবাদ হোৱা পৰিলক্ষিত হৈছে। একে সময়তে প্ৰধানমন্ত্ৰী মোদীয়ে দেশৰ সকলো ভাষাৰ সংৰক্ষণ আৰু প্ৰসাৰৰ সপক্ষে মাত মাতিছে। যদিহে দেশৰ ঐক্য আৰু শান্তি-সম্প্ৰীতি ৰক্ষা কৰাটো গুৰুত্বপূৰ্ণ, তেন্তে বৈচিত্ৰ্যৰ মাজত ঐক্য নীতিক ৰাষ্ট্ৰই মানি ল'ব লাগিব। বহু ভাষা-সংস্কৃতিৰ দেশ ভাৰতত এটা মাত্ৰ ভাষা নহয়, একাধিক ভাষাক ৰাষ্ট্ৰীয় পৰ্যায়ত গুৰুত্ব দিব লাগিব। একাধিক ভাষা ৰাষ্ট্ৰীয় পৰ্যায়ত নাইবা কেন্দ্ৰীয় চৰকাৰৰ কাম-কাজ, যোগাযোগ আদিৰ বাবে ব্যৱহাৰ কৰাটো হ'ব এই ক্ষেত্ৰত সঠিক নীতি। অৰ্থাৎ ভাৰত চৰকাৰে এই ক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ বহু ভাষা ব্যৱহাৰ অথবা বহুভাষিকতা (মাল্টিলিংগুৱেলিজম) নীতিৰ সমৰ্থনতে এই নীতিক আঁকোৱালি লোৱাৰ প্ৰয়োজন আছে। ভাৰত চৰকাৰে ৰাষ্ট্ৰসংঘৰ বহুভাষিকতা নীতিৰ সমৰ্থন কৰিছে আৰু সেই নীতিৰ আধাৰতে ভাৰতৰ হিন্দী ভাষাক ৰাষ্ট্ৰসংঘই স্বীকৃতি দিয়াটো বিচাৰিছিল। ৰাষ্ট্ৰসংঘই আৰু ৰাষ্ট্ৰসংঘত ভাৰতৰ স্থায়ী প্ৰতিনিধিয়ে বহুভাষিকতাক গণতন্ত্ৰৰ সুৰক্ষা তথা বিকাশৰ বাবে অত্যাৱশ্যকীয় বুলি কৈছে। ভাৰতেও সেয়ে বহুভাষিকতা নীতিয়ে দেশৰ গণতন্ত্ৰক শক্তিশালী কৰা আৰু ঐক্য-সম্প্ৰীতি-শান্তি সুৰক্ষিত কৰিব লাগিব। ৰাষ্ট্ৰসংঘৰ বহুভাষিকতা গণতান্ত্ৰিক নীতি ভাৰতৰ বাবেও প্ৰাসংগিক আৰু সঠিক নীতি হ'ব পাৰে। ভাৰতে ৰাষ্ট্ৰসংঘত এটা নীতি আৰু দেশত আন এটা নীতি লোৱাটো হ'ব দুমুখীয়া নীতি। চৰকাৰে সেয়ে প্ৰধানমন্ত্ৰী মোদীৰ সমৰ্থনতে বহুভাষিকতা নীতি আঁকোৱালি লোৱাটো দেশবাসীয়ে আশা কৰে। সেই অনুসৰি মাত্ৰ হিন্দী ভাষাকে চৰকাৰী ভাষা বা চৰকাৰী কাম-কাজৰ ভাষা বুলি ঘোষণা কৰাৰ পৰিৱৰ্তে একাধিক ভাষাক চৰকাৰী ভাষা তথা চৰকাৰী কাম-কাজৰ বাবে ব্যৱহৃত ভাষাৰ মৰ্যাদা তথা স্বীকৃতি প্ৰদানৰ প্ৰয়োজন বুলি দেশৰ জনসাধাৰণে বিশ্বাস কৰে। আনহাতে, হিন্দী ভাষাই ৰাষ্ট্ৰসংঘত স্বীকৃতি পোৱাত দেশৰ সকলোৱেই আজি আনন্দিত।

# চিনাকি সুৰ, লয় আৰু ছন্দৰ পতন

## সাম্প্ৰদায়িকতাই বিনাশ কৰে ব্যক্তিৰ উন্নত চিন্তা আৰু সৎ ভাৱনা



**আত্মজিজ্ঞাসা**

কানাডাৰ পৰা **মুস্তাফিজুৰ ৰহমান**

**পোহৰৰ** মাজতো মানুহৰ চেতনাৰ জগতত বাঢ়িছে অন্ধকাৰৰ ছাঁ। তাকে লৈ ৰাজনীতিবিদৰ কোনো চিন্তা নাই। বুদ্ধিজীৱী পৰিণত অসহায় দৰ্শকৰূপে। অকাৰ্যকৰ হৈ পৰিছে মানুহৰ শুভবোধ। মানৱ সমাজ ভাৰসাম্যৰ ওপৰত চলে। সেয়ে কোনো নিচাই তাৰ বাবে কল্যাণকৰ নহয়। ধৰ্ম নিচাও নহয়।

নিৰংকুশ ক্ষমতা লাভৰ পাছৰ পৰা বিজেপিৰ শীৰ্ষ নেতাবোৰৰ প্ৰশ্ৰয়ত উগ্ৰ হিন্দুত্ববাদৰ প্ৰসাৰ ঘটিছে, অহৰহ উদ্‌গীৰণ হৈছে ঘৃণা, অপৰাধীক দলে দিছে ৰক্ষণাবেক্ষণ। হিন্দুত্বৰ নামত যোৱা আঠ বছৰ ধৰি যি হৈ আহিছে, তাৰ প্ৰতিটোৰ লক্ষ্য মুছলিম সমাজ। পশ্চিমৰ গণতন্ত্ৰৰ চকুত সেয়ে বছৰৰ পাছত বছৰ ধৰি ভাৰত সমালোচিত। মুছলিম বিদ্বেষৰ বীজে ক্ৰমে বিষবৃক্ষৰ ৰূপ লৈছে। 'ফ্ৰিডম হাউছ', 'ভি ডেম ইনষ্টিটিউট, এমনেষ্টি ইন্টাৰনেছনেল, জাতিসংঘ অথবা যুক্তৰাষ্ট্ৰৰ পৰৰাষ্ট্ৰ মন্ত্ৰণালয়ৰ প্ৰতিবেদনক ভাৰতে 'উদ্দেশ্য প্ৰণোদিত', 'অসত্য', 'অজ্ঞ' আৰু 'সত্যৰ অপলাপ' বুলি অভিহিত কৰিছে; কিন্তু মোদীৰ ভাবমূৰ্তিত কালিমা পৰিছে। চৰকাৰৰ অষ্টম বৰ্ষপূৰ্তিত চিনাকি সুৰ, লয় আৰু ছন্দৰ পতন যে এনেকৈ হ'ব, সেয়া হয়তো প্ৰধানমন্ত্ৰী মোদীয়ে কল্পনাও কৰিব পৰা নাছিল।

প্ৰাচীন ভাৰতবৰ্ষৰ সম্ৰাট অশোক আদিতে আছিল প্ৰচণ্ড বৌদ্ধ বিদ্বেষী। তেওঁৰ সাম্ৰাজ্যত হত্যা কৰা হৈছিল হেজাৰ হেজাৰ বৌদ্ধ নৰ-নাৰী। পৰৱৰ্তী কালত তেওঁ নিজেই বৌদ্ধধৰ্ম গ্ৰহণ কৰি বুদ্ধৰ অহিংসাৰ বাণী প্ৰচাৰ আৰু জনহিতকৰ কামত নিজকে নিয়োজিত কৰিছিল। ইতিহাসত তেওঁ মহামতি অশোক নামে উল্লেখিত আৰু তেওঁৰ অশোক চক্ৰৰ দ্বাৰা এতিয়া স্বাধীন ভাৰতৰ জাতীয় পতাকা শোভিত।

কলিংগ যুদ্ধৰ পাছত অশোকে কৈছিল ঃ 'যিয়ে কেৱল নিজৰ মতাৱলম্বী গোষ্ঠীক শ্ৰদ্ধা কৰে আৰু তাৰ মতামতৰ উজ্জ্বলতা বঢ়াবলৈ বিৰুদ্ধ মতৰ নৈকট্যময় সহাৱস্থানক নাকচ কৰি দিয়ে, সি আচলতে তাৰেই মতাৱলম্বীবোৰৰ গুৰুতৰ বিপদ মাতি আনে।'

মই মোৰ দীৰ্ঘ জীৱনত যিকেইটা গুৰুত্বপূৰ্ণ বিষয় শিকিছো, তাৰ মাজৰ এটা হৈছে, পৃথিৱীৰ যিকোনো জটিল বিষয় আচলতে কমন চেন্সৰ দ্বাৰা মোটামুটি বুজিব পাৰি। একেবাৰে সম্পূৰ্ণ বুজিবৰ বাবে হয়তো বিশেষজ্ঞৰ দৰকাৰ হয়; কিন্তু কাম চলোৱাকৈ বুজিবৰ বাবে কমন চেন্সেই যথেষ্ট। বিষয়টো ৰাছিয়া, ইউক্ৰেইন যুদ্ধই হওক অথবা মুছলিম বিদ্বেষেই হওক। সেয়ে হঠাৎ যেতিয়া কোনো এটা বিষয় আমি কমন চেন্সেৰে বুজিব নোৱাৰো তেতিয়া খুব অসহায়বোধ কৰো।

### দুই

ভাৰতৰ আন এক নাম হিন্দুস্তান। একালত হিন্দুস্তানত বসবাসকাৰী সকলো ধৰ্মৰ অধিবাসীকেই কোৱা হৈছিল হিন্দু। এনেকি পাকিস্তানৰ স্বপ্নদ্ৰষ্টা কবি ইকবালেও লিখিছে ঃ 'চাৰা জাঁহাসে আচ্ছা হিন্দুস্তান হামাৰা।' ব্ৰিটিছ আমোলাত হিন্দু শব্দটোৱে সাৰ্বজনীনতা হেৰুৱায় আৰু ধৰ্ম আৰু ধৰ্মীয় জাতীয়তাৰ পৰিচয় হৈ পৰে। বিজেপিয়ে যদি আন্তৰিকভাৱে হিন্দু শব্দটোৰ পূৰ্ব পৰিচয়লৈ উভতি যায় আৰু ভাৰতৰ সমন্বিত ধৰ্ম আৰু সংস্কৃতিৰ পৰিচিতি হিচাপে তুলি ধৰিব পাৰে, তেনেহ'লে দেশৰ সংখ্যালঘু সম্প্ৰদায়বোৰৰ অস্তিত্ব, অধিকাৰ, ধৰ্ম আৰু সংস্কৃতি সম্পৰ্কে ভীত হোৱাৰ একো নাথাকিব। ভয় কেৱল পলিটিকেল ইছলাম। ভয় কেৱল পলিটিকেল হিন্দুয়িজমক।

ব্ৰিটিছ ভাৰতত মহম্মদ আলী জিন্নাই ব্ৰিটিছৰ প্ৰৰোচনাত ভাৰতৰ ৰাজনীতিত পলিটিকেল ইছলামৰ জন্ম দিয়ে। তাৰ ওচৰা-ওচৰি হিন্দু মহাসভাৰ নেতৃত্বত পলিটিকেল হিন্দুত্ববাদৰো জন্ম হয়। এই দুই পলিটিকেল হিংসাশ্ৰয়ী ধৰ্মতত্ত্বৰ সংঘাতত ভাৰতবৰ্ষ দ্বিখণ্ডিত হৈছে। একেই সাংস্কৃতিক আৰু নৃতাত্ত্বিক পৰিমণ্ডলৰ মানুহ হৈও আমাৰ মাজত পাৰস্পৰিক সংঘাতৰ অন্ত নাই। দ্বিতীয় বিশ্বযুদ্ধত যিমান মানুহৰ মৃত্যু হৈছে, তাতকৈ বহু বেছি মানুহৰ মৃত্যু হৈছে ভাৰতবৰ্ষৰ সাম্প্ৰদায়িক সংঘৰ্ষত।

বহুতৰ ধাৰণা ভাৰতীয় ৰাজনীতিত কংগ্ৰেছ ধৰ্মনিৰপেক্ষতাৰ প্ৰবক্তা। ভাৰতত আচলতে মধ্যযুগৰ পৰাই ধৰ্মনিৰপেক্ষতাৰ পথ অনুসৰণ কৰা হোৱা নাই। সম্ৰাট অশোকে বৌদ্ধবোৰৰ ওপৰত অত্যাচাৰ কৰিবলৈ গৈ ধৰ্মান্ধতামুক্ত হৈছিল আৰু ধৰ্ম সমন্বয় আৰু সহিষ্ণুতাৰ পথ অনুসৰণ কৰিছিল; কিন্তু ধৰ্মনিৰপেক্ষ হোৱা নাছিল। সম্ৰাট আকবৰে ভাৰতৰ সকলো ধৰ্মৰ সমন্বয়ত দীন ই ইলাহী নামৰ নতুন ধৰ্মৰ প্ৰৱৰ্তন কৰিব বিচাৰিছিল। উদ্দেশ্য আছিল সব ধৰ্মৰ সমন্বয় সাধন। ধৰ্মনিৰপেক্ষতা নহয়; কিন্তু এই ধৰ্ম সমন্বয় কৰিবলৈ গৈ বিপদত পৰিছিল আকবৰ। ৰক্ষণশীল মোল্লাবোৰৰ এটা অংশ বিদ্ৰোহী হৈ পৰিছিল আৰু আকবৰক কাফেৰ বুলি অভিযুক্ত কৰিছিল। এই মোল্লাবোৰেই সম্ৰাটৰ উদাৰ মতৰ সমৰ্থক বীৰবল আৰু আবুল ফজলক হত্যা কৰিছিল।

### তিনি

সম্ৰাট আকবৰৰ মৃত্যুৰ পাছত দিল্লীৰ প্ৰতাপশালী মোল্লাবোৰে ফতোৱা জাৰি কৰিছিল— আকবৰ ধৰ্মত্যাগী মুৰতাদ। তেওঁৰ জানাজা পঢ়া নহ'ব। আকবৰৰ পুত্ৰ জাহাংগীৰে সিংহাসনত বহি এই মোল্লাবোৰৰ দমনৰ বাবে কোনো অভিযান নচলাই সিহঁতৰ স'তে আপোচ কৰিলে। সম্ৰাট জাহাংগীৰে দিল্লীৰ মোল্লাবোৰক প্ৰচুৰ অৰ্থ-সম্পত্তি দি ৰাতাৰাতি ফতোৱা উঠাই ল'লে। আকবৰৰ বাবে জানাজা পাঠ জায়েজ বুলি ঘোষণা কৰিলে মোল্লাবোৰে। পৰৱৰ্তী কালত ছাহজাহানৰ পুত্ৰ দাৰাশিকোৱে সংস্কৃত ভাষা শিকি উপনিষদৰ প্ৰতি আকৃষ্ট হৈছিল আৰু পাৰ্চী ভাষালৈ উপনিষদ অনুবাদ কৰিছিল। দাৰাশিকোৱে মোগল সাম্ৰাজ্যত ধৰ্ম সমন্বয়ৰ আৰু সহিষ্ণুতাৰ ৰাজনীতি উভতাই আনিব বিচাৰিছিল। ঔৰংগজেৱে দাৰাশিকোক হত্যা কৰাৰ আগতে দিল্লীৰ মোল্লাবোৰৰ দ্বাৰা এক ফতোৱা জাৰি কৰি দাৰাশিকোক কাফেৰ বুলি ঘোষণা কৰিছিল।

অশোক আৰু আকবৰৰ ৰাষ্ট্ৰ সাধন কিম্বা দাৰাশিকোৰ আত্মদানে কোনো কামেই নিদিলে। ধৰ্মৰ ভিত্তিতেই দেশখন ভাগ হ'ল। অনাৰ্য ভাৰত, বৈদিক ভাৰত, বৌদ্ধ ভাৰত, নেহৰুৰ স্বাধীন ভাৰত, তাৰ পাছত ইন্দিৰা-ৰাজীৱ-বাজপেয়ী-মনমোহন-ছোনিয়াৰ যুগ পাৰ হৈ নৰেন্দ্ৰ মোদীৰ 'হিন্দুত্ববাদী' ভাৰতৰ নৱ উত্থান।

### চাৰি

গান্ধী আৰু নেহৰুৱে বিচাৰিছিল ভাৰতক এক অসাম্প্ৰদায়িক আধুনিক গণতান্ত্ৰিক ৰাষ্ট্ৰ হিচাপে গঢ়ি তুলিবলৈ। সেই ভাৰতত আজি উগ্ৰ হিন্দুত্ববাদৰ জয়জয়কাৰ। ভাৰতৰ বৰ্তমান কেন্দ্ৰীয় চৰকাৰে মুখেৰে অসাম্প্ৰদায়িকতাৰ কথা ক'লেও কেনেকৈ অত্যন্ত কৌশলেৰে উগ্ৰ হিন্দুত্ববাদ প্ৰতিষ্ঠাৰ চেষ্টা কৰিছে, তাৰ বিৱৰণ দিছিল কলকাতাৰ 'দৈনিক ষ্টেটছমেন' কাকতৰ ড° প্ৰদীপ কুমাৰ দত্তই। 'ভাৰতৰ বৰ্তমান চৰকাৰ শিক্ষাত গৈৰিকীকৰণৰ মাধ্যমত ছাত্ৰ-ছাত্ৰীৰ মনত অন্ধ সংস্কাৰ দূৰ কৰাৰ পৰিৱৰ্তে এনে কিছু বিষয় পাঠ্যসূচীৰ মাজত সোমাইছে, যিয়ে সিহঁতৰ যুক্তিবাদী মানসিকতা গঢ়ি তোলাৰ ক্ষেত্ৰত বাধাৰ সৃষ্টি কৰিব। যেনে কেইখনমান ৰাজ্যৰ ছাত্ৰ-ছাত্ৰীক পঢ়ুৱা হৈছে উৰাজাহাজ, টেলিভিছন আৰু পৰমাণু বোমাৰ উদ্ভৱ হৈছিল ৰামায়ণ আৰু মহাভাৰতৰ যুগত। বৈদিক যুগত হেনো মটৰ গাড়ী আছিল। কাৰণ ঋগবেদত অনশ্ব ৰথৰ উল্লেখ আছে। পুষ্পক ৰথ আছিল যিয়ে প্ৰমাণ কৰে তেতিয়া উৰাজাহাজ আছিল। বৈদিক যুগত লাইভ টেলিকাষ্টও হৈছিল। তাৰ প্ৰমাণ হস্তিনাপুৰত বহি ধৃতৰাষ্ট্ৰই কুৰুক্ষেত্ৰ যুদ্ধৰ ধাৰা বিৱৰণি শুনিছিল। গান্ধাৰীৰ গৰ্ভজাত মাংসপিণ্ডৰ পৰা এশ কৌৰৱৰ জন্ম হৈছিল। তাৰ দ্বাৰা প্ৰমাণ পোৱা যায় যে সেই সময়ত ষ্টেমচেল গৱেষণাৰ অগ্ৰগতি হৈছিল।'

আধুনিক যুগত ৰাজনীতিৰ স'তে ব্যক্তি আৰু সমাজৰ নিবিড় সম্পৰ্ক। সুনিৰ্দিষ্ট আদৰ্শৰ বাহিৰত ৰাজনীতিৰ ভুৱনত কেৱল স্বাৰ্থপৰতা আৰু কূটকৌশলী শঠতা আৰু প্ৰতাৰণা। তাত ধৰ্মীয় শুদ্ধতাইও মাৰ খায়। মানৱতাহীন পাণ্ডিত্য সমাজৰ সম্পদ

**আধুনিক যুগত ৰাজনীতিৰ স'তে ব্যক্তি আৰু সমাজৰ নিবিড় সম্পৰ্ক। সুনিৰ্দিষ্ট আদৰ্শৰ বাহিৰত ৰাজনীতিৰ ভুৱনত কেৱল স্বাৰ্থপৰতা আৰু কূটকৌশলী শঠতা আৰু প্ৰতাৰণা। তাত ধৰ্মীয় শুদ্ধতাইও মাৰ খায়**

নহৈ পৰিণত হয় আপদত। একেইভাৱে উগ্ৰ ধৰ্মান্ধ মানুহৰ মাজতো ধৰ্মজ্ঞানৰ পাণ্ডিত্যই মানৱতাৰ দীক্ষাৰ পৰা কৰে বঞ্চিত। দেশত মুছলমানৰ প্ৰতি সহিংসতা যেনেকৈ বাঢ়িছে আৰু তীব্ৰ হৈছে সেয়া অহিংসা নীতিৰ প্ৰৱৰ্তক মহাত্মা গান্ধীৰ ভাৰতক শেষ পৰ্যন্ত ক'লৈ লৈ যায়, সেয়া চিন্তাৰ বিষয়। দেশখন সকলোৰে। নিজ নিজ মত আৰু পথ অনুসৰণ কৰাৰ অধিকাৰ সকলোৰে সমান। আমি প্ৰত্যেকেই যদি আনৰ অধিকাৰৰ প্ৰতি ন্যূনতম শ্ৰদ্ধা দেখুৱাব পাৰো, তেনেহ'লে ক্ষণিকৰ এই পৃথিৱীৰ জীৱন শান্তিময় হ'বলৈ বাধ্য। তাত কোনো সন্দেহ নাই।

### পাঁচ

স্থান-কাল-পাত্ৰ।

কাল নিৰবধি। স্থান আৰু পাত্ৰ কিছু ক্ষণৰ বাবে কালক দৃশ্যমান কৰি তোলে আৰু এদিন অৱধাৰিতভাৱে কালৰ গৰ্ভত হেৰাই যায়। ইতিহাস হৈছে কালৰ সেই দৃশ্যমান অংশ।

ভাৰতৰ প্ৰধানমন্ত্ৰী হৈ থাকোতে জৱাহৰলাল নেহৰুৱে কৈছিল ঃ ব্ৰিটিছ সাম্ৰাজ্যবাদে ভাৰতত ধৰ্মীয় সাম্প্ৰদায়িকতাক লালন কৰিছে। তাৰেই ছুৰীৰে দেশখনক ভাগ কৰিছে। সেই ছুৰীখনক চিৰদিনৰ বাবে ভোঁতা কৰি দিবৰ বাবেই আমি গণতন্ত্ৰ আৰু ধৰ্মনিৰপেক্ষতাৰ ৰাষ্ট্ৰীয় ভিত্তি গঢ়ি তুলিছো। এই ভিত্তি ভাঙি পেলোৱা কোনো সাম্ৰাজ্যবাদী দানৱৰ পক্ষে সম্ভৱ নহ'ব।

ব্ৰিটেইনৰ শ্ৰমিক আন্দোলনৰ নেতা আৰ্থাৰ স্কাৰগিলৰ মতে ঃ পুঁজিবাদ আৰু সাম্ৰাজ্যবাদ যমজ সন্তান। সেই যমজ সন্তানৰ দুটা প্ৰডাক্ট হৈছে বৰ্ণবাদ আৰু ফেচিবাদ।

আমাৰ দেশত পুঁজিবাদ আৰু সাম্ৰাজ্যবাদৰ দুটা প্ৰডাক্ট হৈছে সাম্প্ৰদায়িকতা আৰু ধৰ্মীয় ফেচিবাদ। ধৰ্মৰ নামত ৰাজনীতি কৰা সাম্প্ৰদায়িক ধৰ্মীয় ফেচিবাদী দলে আজি সমগ্ৰ দেশত টিঘিল ঘিলাই আছে। সাম্প্ৰদায়িকতাই বিনাশ কৰি পেলায় ব্যক্তিৰ উন্নত ভাৱনা আৰু সৎ চিন্তা।

### ছয়

তৃতীয় আৰু চতুৰ্থ বৰ্গৰ চাকৰিৰ বাবে পৰীক্ষা দিবলৈ বৰপেটা, গোৱালপাৰাৰ পৰা ডিব্ৰুগড়লৈ যাবৰ বাবে দুখীয়া নিবনুৱা যুৱক-যুৱতীৰ কিমান কষ্ট হ'ব, সেই কথা মই জানো। ৰাইজৰ ধনেৰে চাৰ্টাৰ্ড বিমান আৰু হেলিকপ্টাৰেৰে ঘূৰি ফুৰা মুখ্যমন্ত্ৰীৰ বাবে সেয়া জনাৰ কথা নহয়।

গোৱালপাৰাৰ পৰা ডিব্ৰুগড়লৈ চাকৰিৰ বাবে মই ইন্টাৰভিউ দিবলৈ গৈছিলো ডিব্ৰুগড় বিশ্ববিদ্যালয়ত। লগত লৈ গৈছিলো মোৰ প্ৰকাশিত সাতখন গ্ৰন্থ, ছোভিয়েটলেণ্ড নেহৰু বঁটাৰ চাৰ্টিফিকেট, হোমেন বৰগোহাঞি সম্পাদিত সাপ্তাহিক নীলাচলত প্ৰকাশিত কে'বাটা তত্ত্বগধুৰ প্ৰবন্ধ। ইন্টাৰভিউ লৈছিল দুগৰাকী বৰেণ্য ব্যক্তিয়ে। ড° লীলা গগৈ আৰু সেই সময়ৰ অসম মেডিকেল কলেজৰ অধ্যক্ষ ডাঃ মথুৰা ভট্টাচাৰ্যই। ইন্টাৰভিউ ভালেই হৈছিল; কিন্তু চাকৰিটো নাপালো। নাপালো নাই। তাৰ বাবে কোনো দুখ নাই; কিন্তু যেতিয়া জানিব পাৰিছিলো যে চাকৰিটো আগতেই এজনক দি থৈ দিছে লোকক দেখুৱাবলৈ মিছাকৈ ইন্টাৰভিউলৈ মাতিছিল, তেতিয়া মুখৰ পৰা ওলাই অহা প্ৰথম শব্দকেইটা আছিল— চালা, হাৰামজাদাৰ দেশ।

### সাত

জীৱন, সময় আৰু বাস্তৱতাই মানুহক কেতিয়াবা কেতিয়াবা এনে এক অচিনাকি প্ৰান্তত থিয় কৰায়, য'ৰ পৰা ওভতাৰ কোনো পথ জনা নাথাকে। জীৱনৰ এৰি অহা দিনৰ সত্য উপলব্ধি কৰিবলৈ গ'লে জীৱনক আকৌ নতুন কৰি আৰম্ভ কৰাৰ প্ৰয়োজন; কিন্তু সময় আৰু জীৱন কোনোৱে সেই সুযোগ নিদিয়ে।

*ফোন ঃ ০০১৪০৩২৭০১৮১৭*

# এখন উৰা জাহাজ কিনাই ভাল

**ৰিজু হাজৰিকা**

**মানুহৰ** প্ৰথম অভিজ্ঞতাবিলাক শুনিলে আপুনি নহঁহাকৈ থাকিব নোৱাৰে। আমাৰ গাঁৱৰ পেহী এজনীয়ে মটৰ গাড়ী এখন চাবলৈ বৰ ইচ্ছা কৰিছিল। তেওঁক পুতেকে নি ৰাজআলিত থিয় কৰাই ৰাখিলে। ক'লে— তই ইয়াতে থিয় হৈ থাক, এই ৰাস্তাৰে অসংখ্য গাড়ী অহা-যোৱা কৰে, তই দেখা পাবি। অলপ পাছতে এখন আৰ্মিৰ গাড়ী পাৰ হৈ গ'ল। পেহীয়ে চকু থিয় কৰি চালে। কিন্তু গাড়ীখন পাৰ হৈ গুচি গ'ল। পেহী ঘৰলৈ আহি লগৰ তিৰোতাসকলৰ আগত গাড়ী দেখা অভিজ্ঞতা ক'লে—'মোৰ মাইহঁত, ইমান দিনে মটৰ দেখা নাছিলো, যিয়ো এখন দেখা পালো— বেৰ-বেং, ঢেৰ-ঢেৰ, খিৰিকিৰে হোপলে সপা (লং পেন) দেখাতে গ'ল, তলৰ ফালে চাবৰে নহ'ল, ফৌৎ কৰি গুচি গ'ল।' সেইখন আছিল মিলিটাৰীৰ গাড়ী। পেহীয়ে খিৰিকীৰে লং পেন পিন্ধি অহা মিলিটাৰী বিলাক চাওঁতেই গ'ল, তলৰ ফালে চাবলৈ সময়ে নাপালে। এনে ধৰণৰ নতুন অভিজ্ঞতাৰ কথাত বহুত হাস্যৰস পোৱা যায়।

দুজন মানুহে প্ৰথম ৰেলগাড়ীত উঠিছিল। সিহঁতে লান্স খোৱাৰ কাৰণে ডাঙৰ ডাঙৰ জাহাজী কল কিনি লৈছিল। ৰেলখন এটা সুৰংগ পথেৰে সোমোৱাৰ আগে আগে এজনে এটা কল খাই ল'লে। সুৰংগ পথটো লগে লগে অন্ধকাৰ হৈ পৰিল। ঘোৰ অন্ধকাৰত একো নেদেখা হৈ পৰিল। আনকি হাতী এটা কাষেৰে গ'লেও দেখা নোপোৱা হ'ল। সি ভাবিলে কলটো খোৱাৰ কাৰণেহে একো নেদেখা হ'ল। তাৰ মানে সি অন্ধ হৈ গ'ল। তেতিয়া সি লগৰ জনক সুধিলে— তই কল এটা খাইছ নেকি? সি ক'লে— নাই মই কল-চল একো খোৱা নাই। সি ক'লে— তই নাখাবি ভাই, মই কল এটা খোৱাৰ লগে লগে অন্ধ হৈ গ'লো। তেতিয়া দ্বিতীয়জনে ক'লে হে মূৰ্খ তই একো নাজান। ৰেলখন এতিয়া সুৰংগৰ মাজেৰে সোমাইছে, সেই কাৰণে সব অন্ধকাৰ দেখি, তই কলটো খোৱাৰ বাবে নহয়। মূৰ্খই ক'লে— হয় নেকি।



এবাৰ দুয়ো বন্ধু এৰোপ্লেনত ভ্ৰমণ কৰিবলৈ গ'ল। উৰাজাহাজৰ ছিটত বহিয়ে মূৰ্খ বন্ধুৱে খিৰিকিৰে চাই লগৰজনক ক'লে— হেৰা, খিৰিকিৰে চোৱাচোন, তলৰ মানুহবিলাক বিল্ডিংবোৰ, নৈ, বিল, ৰাস্তাবোৰ কিমান সৰু সৰু দেখি। জ্ঞানী বন্ধুৱে বুজালে— বন্ধু আমি এতিয়া পৃথিৱীৰ পৰা বহুত হেজাৰ মাইল ওপৰত আছো গতিকে পৃথিৱীৰ বস্তুবোৰ সৰু সৰু দেখিবাই। আমাৰ পৃথিৱীতে চাবাচোন। এখন বহল পথাৰত ইমূৰে থিয় হৈ সিমূৰে চাবাচোন, মানুহবোৰ, গছবোৰ, ৰাস্তাবোৰ কিমান সৰু সৰু দেখি। তাতে আমি পৃথিৱীৰ পৰা কিমান হেজাৰ মাইল ওপৰত আছো— গতিকে ইমান সৰু দেখিবাই। মূৰ্খ বন্ধুৱে ক'লে— অহে সাধু কথাৰ মানুহ, গৰু, গছ, নৈ, বিল যেন লাগে।

উৰাজাহাজ গৈ থাকিল। তাৰ পাছত খানা দিলে। বহা ছিটৰ আগত একোখন সৰু টেবুলত খানাৰ পেকেট দিলে। সাতশ মানুহ বহিব পৰা এখন জাহাজত, সেই সৰু টেবুল বিলাকত ধুনীয়া ধুনীয়া বগা ছোৱালীবোৰে আধাঘণ্টাৰ ভিতৰতে খানাৰ পেকেটবোৰ দি শেষ কৰিলে। পেকেটৰ ভিতৰত কি যে নাই? মাংসৰ টুকুৰা, দাইল, ভাজি, আচাৰ, চালাদ, চামুচ, পানীৰ বটল সব আছে। জ্ঞানী বন্ধুৱে ক'লে— লাহে লাহে খাবা আৰু খুজিলেও তোমাক একো নিদিয়ে। আমাৰ গাঁৱৰ বিয়া বা ভোজৰ দৰে নহয়, যিমান খুজিবা সিমান দিব বুলি। ইয়াত সব হিচাপৰ খানা। গোটেইখিনি খালে তোমাৰ পেট ভৰি যাব। এইবিলাক খানা বিশেষজ্ঞই তৈয়াৰ কৰে— নয়া পইচালৈ হিচাপ। গতিকে ভীমৰ দৰে নাখাবা। খাই উঠি ইয়াতে ছিটত আউজাই শুবও পাৰিবা বুইছা।

ঘূৰি আহোতে মূৰ্খ বন্ধুৱে এটা ভাল পৰামৰ্শ দিলে— হেৰা আমি লাখ লাখ টকা খৰচ কৰি ঘৰ বন্ধাতকৈ এখন উৰাজাহাজ কিনাই ভাল। এই জাহাজবোৰৰ ভিতৰত থকা-খোৱাৰ সব সুবিধা আছে। জ্ঞানী বন্ধুৱে ক'লে— এখন জাহাজৰ দাম কিমান হ'ব তুমি জানানে? নাজানা। ময়ো নাজানো, কিন্তু পাঁচশ-ছয়শ কোটি মানতো হ'বই। ইমান টকা তুমি ক'ত পাবা। এক কোটি টকা খৰচ কৰিলে তোমাৰ ভাল ঘৰ এটা হ'ব, কিন্তু জাহাজ কিনিব নোৱাৰা। গতিকে গছত গৰু উঠা কথা নক'বা। যেনেকৈ আছা তেনেকৈ থাকা, আজি বানপানী আছে, কাইলৈ যাব, কিন্তু জাহাজ কিনা লোণ তোমাক বেংকেও নিদিয়ে।

এনেবোৰ কথা পাতি পাতি গুৱাহাটী পাই দুয়ো দেখিলে ইয়াত বানপানী। বানপানীত দুয়ো নিজৰ ঘৰটোকে চিনি উলিয়াব নোৱাৰিলে। ঘৰ চিনি উলিয়াব দূৰৈৰ কথা, দুয়োকে বানপানীয়ে উটুৱাই নি ক'ত পেলালে ক'বই নোৱাৰিলে। জ্ঞানী বন্ধুৱে ক'লে— এতিয়া সূৰ্য দেৱতাক প্ৰাৰ্থনা কৰা ৰ'দ দিয়ক, ৰ'দ ফাটে দিয়ক, যাতে পানীবোৰ শুকুৱাই নি মনুষ্যসকলক ৰক্ষা কৰে।

# আগে আগে মায়া মাজে মাজে কায়া পাছে পাছে ছায়া

**মনোজ কুমাৰ ভট্টাচাৰ্য**

— হেৰা, ভূমিকম্প নেকিহে?
— ক'তা? মই দেখোন গমেই পোৱা নাই?
— ছোফাখন ল'ৰাই দিয়া যেন পাইছিলো।
— অ' কথা সেইটোহে। গান এটা মনতে গুণ গুণাই আছিলো। গানৰ তালে তালে অজানিতে মোৰ ভৰি এখন লৰচৰ কৰিছিল। সেইবাবেই ছোফাখনো লৰিছিল কিজানি।
— হেৰা, গানৰ মাদকতা তুমি অকলে ল'লা যে! মোকো অকণমান ভাগ নিদিয়ানো কিয়? গানে মনলৈ প্ৰশান্তি আনে বুজিছা।
— হৈছে দিয়ক। এই বয়সত মই গান শুনাই হাঁহিৰ খোৰাক যোগালেহে হ'ব। তাতকৈ ৰেডিঅ'টো আপোনাক দিওঁ, আপুনি একান্তমনে গান শুনি থাকক।



— পুৰণি গানবোৰ শুনি থাকিলেও হেঁপাহেই নপলায় জানানে? সেই গানবোৰৰ কথাই-সুৰে দেহ-মন জুৰ পেলাই দিয়েহে।
— ঠিকেই কৈছে আপুনি। তাহানিৰ গানবোৰ কেনে আছিল চাওকচোন? কৰবাৰ পৰা গান এটা ভাহি আহিলেও ক্ষন্তেক ৰৈ নুশুনাকৈ কোনেও যাব পৰা নাছিল; কিন্তু আজিৰ গানবোৰ শুনিবই নোৱাৰি।
— আজিৰ গানবোৰ মোৰ হজমেই নহয় বুজিছা? গানৰ কথাই ক'বা নে সুৰেই শুনিবা, কিবা অখাদ্য খোৱা যেন লাগেহে। কাণত গান নোসোমায়েই।
— আমাৰ দিনবোৰ উকলিল হয়নে? কৃষ্টি-সংস্কৃতিও সদায় একে নাথাকে নহয়। সলনি হ'বই। এয়া যুগৰ পৰিৱৰ্তন। আমাৰ বাপতি সাহোন বিহুৰ কথাই ভাবকচোন?
— হয় দিয়া। আমি ঘৰে-ঘৰে কেনেকৈ হুঁচৰি মাৰিছিলো সেইবোৰ এতিয়াও মনত পৰে। আজি-কালি অসমীয়াৰ গাত বিহুৰ উন্মাদনাই নাই। য'ত আন্তৰিকতা, সদ্ভাৱ নাথাকে সেই সংস্কৃতি কেনেকৈ চিৰযুগমীয়া হৈ থাকিব কোৱাচোন?
— কিমান মিলাপ্ৰীতিৰে আমি ল'ৰালি কালত খেল-ধেমালি কৰিছিলো, নাট-ভাওনা-নৃত্য কৰিছিলো, সেইবোৰ এতিয়া স্মৃতি হৈ গ'ল দিয়ক।
— হেৰা, আমি যে ইমান বছৰে জীয়াই থাকিলো, সেই স্মৃতিবোৰকে বুকুত সাবটি লৈ থকা নাই জানো?
— ঠিকেই কৈছে আপুনি। সেইবাবেই আমাৰ দেহটো এতিয়াও নিৰোগী হৈ আছে আৰু মনটোও ৰঙীন হৈ আছে।
— আজিৰ নৱপ্ৰজন্মৰ কথাকেই ভাবাচোন। সিহঁতে লেপটপ্, ম'বাইলত ব্যস্ত থকাৰ বাহিৰে লগৰীয়াৰ লগত আনন্দ কৰিবলৈ সুযোগেই নাপালে।
— সেইবাবেই সিহঁতে লাহে লাহে হতাশাত ভুগিবলৈ ধৰে।
— সিহঁতৰ বয়সত আমি ফুটবল খেলিছিলো, গছত উঠিছিলো, সাঁতুৰিছিলো, মাছ মাৰিছিলো আৰু কিমান ফূৰ্তি কৰিছিলো নহয়নে? আজিৰ ল'ৰা-ছোৱালীৰ শাৰীৰিক-মানসিক উৎকৰ্ষ কেনেকৈ হ'ব কোৱাচোন?
— আমাৰ কপাল ভাল বুলিয়েই ক'ব লাগিব। সেই কথাটোকেই কেতিয়াবা ভাবো মই?
— কোনটো কথা?
— ভগৱানে আমাক সন্তান নিদি ভালেই কৰিলে নেকি?
— এটা কথা সদায় জানি ল'বা— ভগৱানে যি কৰে ভালৰ বাবেই কৰে। সুখ নাপালেও আমি অন্ততঃ দুখ পোৱা নাই, হয়নে? মই এটা কথা ভাবিছো ৰ'বা।
— কি ?
— আমি দুয়ো বৰ্তমান অশীতিপৰ। কোনদিনা যমে চমন জাৰি কৰে ঠিক নাই। গতিকে আমাৰ এই ঘৰ, মাটি-সম্পত্তি আটাইবোৰ সৰু ল'ৰা-ছোৱালীৰ খেল-ধেমালিৰ স্থান হিচাপে দান কৰি যাম বুলি ভাবিছো। কেনে দেখা তুমি?
— ভালেই হ'ব দিয়ক। আপুনি বৰ ভাল চিন্তাই কৰিছে।
— তেনেহ'লে দুই-এদিনতে কামটো কৰি পেলাম দিয়া। লগতে কথা এটা ভাবিছা নে নাই?
— কি কথা?
— প্ৰায় তিনিকুৰি বছৰ আমি হাঁহি-ধেমালিৰেই একেলগে জীৱন অতিবাহিত কৰিলো। এতিয়া অকলশৰীয়া হৈ থাকিবলগীয়া হ'লে তোমাৰ বা মোৰ কিমান কষ্ট হ'ব, সেইটো চিন্তা কৰিছানে?
— নক'ব তেনে কথা। এনে কথা শুনিব নোখোজো মই।
— হেৰা, তুমি শুনিব নুখুজিলা বুলিয়েই ঘটিবলগীয়া কাণ্ডটো নঘটাকৈ থাকিবনে? সাহসেৰে সমস্যাৰ সন্মুখীন হ'ব পাৰিব লাগিব। পলাব খুজিলে সমস্যা আঁতৰি নাযায় নহয়।
— সেইবাবে হাতী আহিব বুলি ৰাতিটো উজাগৰে কটাম নেকি? চোৰ আহিব বুলি কোৰ এখন হাতত লৈ বহি থাকিম নেকি?
— তোমাৰ যুক্তি কিন্তু মানিবলগীয়া দেই। পিছে মোৰ কথাটো হ'ল বিধাতাই এনে এটা চমৎকাৰ দেখুৱাওক যাতে দুয়ো একেলগে বৈতৰণীখন পাৰ হ'ব পাৰো।
— কি যে কথাবোৰ কয় আপুনি?
— হেৰা, ভগৱানক প্ৰাৰ্থনা কৰা তুমি— যাতে যিকোনো প্ৰাকৃতিক দুৰ্যোগে আমালৈ এটা সুযোগ আনি দিয়ে। আমি যাতে অকলশৰীয়া অনুভৱ কৰিবলগীয়া নহয়।
— 'ৰাখে হৰি মাৰে কোন, মাৰে হৰি ৰাখে কোন'— এইযাৰ কথা জনাৰ পাছতো আপুনি এইবোৰ কথা উলিয়াইছে কিয়?
— তোমাৰ মনোভাব বুজিছো দিয়া।
— কি বুজিছে কওকচোন?
— তোমাৰ পাছে পাছে ছায়াই যেনেকৈ তোমাক খেদি ফুৰিছে, তোমাৰ কায়াটোৱেও তেনেকৈ মায়াৰ পাছে পাছে লৰি ফুৰিছে। হয়নে?
— কি ?

*ফোন ঃ ৯১০১৭৭৪৮৬৮*

দেওবৰীয়া দৈনিক অগ্ৰদূত
গুৱাহাটী, ১৯ জুন দেওবাৰ, ২০২২ পৃষ্ঠা ৫



# স্বাস্থ্যসেৱা বনাম ব্যৱসায়

**বহু ৰাইজৰ ওজৰ-আপত্তি যে প্ৰাইভেট হাস্পতালসমূহে চৰকাৰী ব্যৱস্থাৰ নিৰ্লিপ্ততাৰ বাবে ৰোগ আৰু ৰোগীৰ নামত অধিক বিলৰ বিনিময়ত অমানৱীয়ভাৱে অৰ্থ গোটাইছে। কিছু ক্ষেত্ৰত এয়া সঁচা ঘটনা আৰু ক'ভিডৰ চিকিৎসা কৰাৰ সময়ত বহু প্ৰাইভেট হাস্পতালে মুনাফা লুটাৰ প্ৰমাণ অবিদিত নহয়**

ডাঃ শংকৰ কুমাৰ দাস

**কথাবোৰ** শুনিবলৈ ভাল লাগিলেই অৰ্থই মান্যতা আৰু প্ৰশংসা যে পাব সেয়া দৰাচলতে শুদ্ধ নহয়। মানৱ সেৱা বা স্বাস্থ্য সেৱা ধনৰ বিনিময়ত হ'লে তেনে সেৱাই মান্যতা পোৱাত অসুবিধা হয় নেকি? বহুতেই ধনৰ বিনিময়ত আগবঢ়োৱা কোনো কামকে সেৱা বুলি মানি নলয় আৰু তাক ব্যৱসায় বুলি ধাৰণা কৰি ভাল পায়। লংগৰত বিনামূলীয়াকৈ আগবঢ়োৱা খাদ্য, বানপানীৰ সময়ত ৰাইজলৈ দিয়া বিনামূলীয়া সাহায্য ইত্যাদিক সেৱাৰ ঘৰত ৰাখি আন যে সকলো ব্যৱসায়! বৰ্তমান সময়ত কৈ অহা শব্দবোৰেও মানুহৰ মন আকৃষ্ট কৰে। ৰাজনীতি এতিয়া ব্যৱসায় হ'ল' অৰ্থাৎ ৰাজনৈতিকসকলৰ কামবিলাক বিনামূলীয়াকৈ হোৱাটো ৰাইজে বিচাৰে। এইখিনিক লৈ আপত্তি নাই, আছে 'সেৱা' শব্দটোৰ ধাৰণাক লৈহে। প্ৰকৃতাৰ্থত নিষ্ঠা, সততাৰ ভাবেৰে কৰা সকলো কামেই সেৱা হ'ব পাৰে, তাত ধনৰ নীতিগত সংযোজন বাস্তৱিক হ'লে আপত্তি কৰিবলৈ নাথাকে। গতিকে সকলো ব্যৱসায় নীতিগত হ'লে সেয়াও আচলতে সেৱাই হ'ব।

'আইনগত' শব্দটো বুজিবলৈ সহজ; কিন্তু 'নীতিগত' শব্দৰ অৰ্থ ইমান সৰল নহয়। এজন চিকিৎসক হিচাপে মোৰ ধাৰণা আজি স্বাস্থ্যৰ দৰে জড়িত সেৱাক লৈ মানুহৰ বিৰূপ মূল্যায়নৰ মূলতে আছে ৰাইজ নালাগে এতিয়া চৰকাৰেও এই সেৱাক আইনগত কৰিবলৈ সৰ্বত্ৰ চেষ্টা নকৰি দুৰ্বল অৰ্থত আৰব্ধ শব্দ 'নীতিগত' আৰ্হিত হোৱাটো বিচাৰে। আমি যিহেতু ধনৰ বিনিময়ত সুবিধাৰ উপলব্ধ কৰা ব্যৱস্থাকো শেহতীয়াকৈ আৰু যুক্তিপূৰ্ণভাৱে সেৱা বুলি মানি ল'বলৈ আৰম্ভ কৰিছো গতিকে এই সেৱাবোৰক চৰকাৰে আইনগত কৰা প্ৰয়োজন। উদাহৰণস্বৰূপে ইতিমধ্যে সামূহিক শৌচাগাৰবোৰতো ধনৰ ব্যৱহাৰৰ বিপৰীতে সুবিধা উপলব্ধ কৰা হৈছে



আৰু এনে সুবিধা যোগানক ৰাইজে সেৱা হিচাপে সঁহাৰি দিছে। সেৱাৰ বিনিময়ত ধনৰ নিৰিখ নিৰ্ধাৰণ চৰকাৰৰ আইনগত দায়িত্ব হ'লে কোনো সেৱাই অনৈতিকৰ ব্যৱসায় বুলি বদনাম নহ'লহেঁতেন। (ব্যৱসায় শব্দটো এটা গালিৰ দৰে হৈছে আৰু ইয়াক বহু ক্ষেত্ৰত আভিধানিক অৰ্থৰ পৰা ফালৰি গৈ ভুলকৈ ব্যৱহাৰ কৰি অহা হৈছে।) চিকিৎসক হিচাপে এইখিনিও স্বীকাৰ কৰি লওঁ যে স্বাস্থ্য সেৱা বুলিয়েই নহয় এনে বহু ক্ষেত্ৰ আছে আৰু বহু পৰিস্থিতি, প্ৰেক্ষাপট থাকিব য'ত নেকি সকলোখিনি আইনগত কৰা সম্ভৱ নহয় আৰু তাতেই মানুহৰ মানৱতাবোধ, সমমৰ্মিতাই আদৰ্শ আৰু নৈতিক কৰ্তব্যৰ ভিতৰত থকা বুলি স্বীকৃতি পায়। উল্লেখযোগ্য সেৱা এটা যেতিয়া বহুলভাৱে বিৰাজমান হয় তাক ব্যাৱহাৰিকভাৱে আদৰ্শগত হ'বলৈ আশা নকৰি আইনগত কৰাৰহে বেছি প্ৰয়োজন।

স্বাস্থ্য খণ্ডৰ দুটামান দিশ আলোচনা কৰি সামৰিব খুজিছো।

**(১) ঔষধৰ বিশ্ব বজাৰখন**

২০২০ৰ শেষাৱস্থাৰ সময়ত বিশ্বত ঔষধৰ বজাৰখনৰ আকাৰ আছিল প্ৰায় ১.১৭৭ ট্ৰিলিয়ন আমেৰিকাৰ ডলাৰ আৰু ইয়াৰ আকাৰ ক্ৰমান্বয়ে সময়ৰ সোঁতত বৃদ্ধি হৈ গৈ আছে। আজিৰ দিনত বিশ্বত ভাৰতীয় ঔষধৰ বজাৰৰ স্থান আকাৰ হিচাপে তৃতীয় আৰু মূল্য হিচাপত ১৪ নম্বৰ অৱস্থানত। উল্লেখ্য যে ভাৰতৰ জেনেৰিক ঔষধে প্ৰতিষেধক টীকাৰ ক্ষেত্ৰত পৃথিৱীৰ মুঠ ৫০ শতাংশ চাহিদা পূৰণ কৰে। সেইদৰে ভাৰতীয় জেনেৰিক ঔষধৰ বজাৰখনে আমেৰিকা আৰু ব্ৰিটেইনৰ দৰে বৃহৎ দেশ দুখনৰ ক্ৰমান্বয়ে ৪০ শতাংশ, ২৪ শতাংশ চাহিদা পূৰণ কৰিবলৈ সক্ষম হৈছে। এয়া নিশ্চিতভাৱে আমাৰ দেশৰ বাবে সুখবৰ। উল্লেখ্য কথাটো হৈছে এই কোম্পানীসমূহৰ দ্বাৰা ঔষধৰ বিক্ৰীৰ ক্ষেত্ৰত চিকিৎসকসকলৰ অৱদান প্ৰচুৰ। গতিকে বিভিন্ন কোম্পানীৰ মেডিকেল ৰিপ্ৰেজেন্টিভসকলে চিকিৎসকসকলক বজাৰত ঔষধ উপলব্ধতাৰ সম্পৰ্কৰ উপৰি ঔষধৰ বিভিন্ন দিশ যেনে ঔষধৰ দাম, গুণাগুণ, ঔষধ নিৰ্মাণত জানিবলগীয়া ন ন পদ্ধতি ইত্যাদি অৱগত কৰাৰ দায়িত্বত থাকে। এইখিনি কৰাৰ লগতে কোম্পানীসমূহে বিভিন্ন পদ্ধতি অৱলম্বন কৰি চিকিৎসকজনক বা চিকিৎসক সমাজৰ ব্যক্তিগত বা সামূহিক সুবিধা দিয়াটো সঁচা আৰু ই আজি লোকচক্ষুত অবিদিত নহয়। তাৰ বাবে চিকিৎসকসকলক কোম্পানীবোৰে নিজৰ মুনাফা বিভিন্নধৰণে দিয়ে বুলি বদনাম আছে। কিন্তু মূল বিচাৰ্য হ'ব লাগিছিল চৰকাৰৰ এই ক্ষেত্ৰত লোৱা কৰণীয়খিনি। ঔষধ যেহেতু এম আৰ পিত বিক্ৰী হয় সেয়েহে এম আৰ পি নিৰ্ধাৰণত চৰকাৰৰ দায়িত্ব পালনে ৰাইজৰ স্বাৰ্থত কাম কৰিব পাৰে; কিন্তু বাস্তৱত কোম্পানীবোৰৰ ওপৰত চৰকাৰৰ প্ৰভাৱ সন্দেহৰ আৱৰ্তন থকা বুলি বিশ্বাস হয়। দেশৰ প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীৰ প্ৰচেষ্টাৰ পাছতো ভাৰতত চিকিৎসা সেৱাত তুলনামূলকভাৱে প্ৰায় চাৰি-পাঁচগুণে সস্তীয়া জেনেৰিক মেডিচিনৰ প্ৰয়োগ যিদৰে হ'ব লাগিছিল সেয়া নোহোৱাৰ কাৰণবোৰৰ ভিতৰত মুখ্য কাৰণ ঔষধ কোম্পানীসমূহৰ বজাৰ দখলৰ মইমতালি বুলি ক'লে ভুল কোৱা নহয়।

**(২) প্ৰাইভেট হাস্পতালসমূহ**

ভাৰতত প্ৰাইভেট হাস্পতাল প্ৰতিষ্ঠানসমূহৰ সংখ্যা সময়ৰ লগে লগে ক্ৰমে বৃদ্ধি পাই আহিছে আৰু বাস্তৱিকভাৱে স্বাস্থ্যখণ্ডত অভূতপূৰ্ব আৰু উল্লেখযোগ্য অৱদান যোগাই আহিছে। বহু ক্ষেত্ৰত প্ৰাইভেট হস্পতালসমূহৰ সুনাম চৰকাৰী সেৱাৰ বিপৰীতে তুলনামূলকভাৱে উচ্চ মান আৰু ক্ষিপ্ৰ সেৱাৰ বাবে প্ৰতিষ্ঠা হোৱাটো সঁচা ঘটনা। ইয়াৰ বাবে প্ৰতিষ্ঠাপকসকল প্ৰশংসাৰ পাত্ৰ। বহু ৰাইজৰ ওজৰ-আপত্তি যে প্ৰাইভেট হাস্পতালসমূহে চৰকাৰী ব্যৱস্থাৰ নিৰ্লিপ্ততাৰ বাবে ৰোগ আৰু ৰোগীৰ নামত অধিক বিলৰ বিনিময়ত অমানৱীয়ভাৱে অৰ্থ গোটাইছে। কিছু ক্ষেত্ৰত এয়া সঁচা ঘটনা আৰু ক'ভিডৰ চিকিৎসা কৰাৰ সময়ত বহু প্ৰাইভেট হাস্পতালে মুনাফা লুটাৰ প্ৰমাণ অবিদিত নহয়। উল্লেখ্য যে ৰাইজক সঁহাৰি জনাই চৰকাৰে শেহতীয়াকৈ প্ৰাইভেট হাস্পতালত ক'ভিডৰ চিকিৎসাৰ নিৰিখ বান্ধি দিছিল। ইয়ে বহু সৎ প্ৰকৃতিৰ প্ৰাইভেট হাস্পতালসমূহক সৎ পথত কাম কৰিবলৈ আচলাৰ্থত সহায়হে কৰিছিল। গতিকে এনে পদ্ধতিসমূহ সৰ্বকালৰ বাবে প্ৰাইভেট হাস্পতালৰ সেৱাৰ বিনিময়ত দিয়া বিলৰ নিৰিখ চৰকাৰে চোৰাচিতা কৰা বা নিৰ্দিষ্ট কৰাৰ প্ৰয়োজন। তেতিয়া হ'লে ধনৰ বিনিময়ত স্বাস্থ্যসেৱাকো সেৱা বুলি ক'ব পাৰিম আৰু বহুক্ষেত্ৰত ব্যৱসায় বুলি বদনাম কৰাৰ থল নাথাকিব। *ফোন : ৯৪৩৫০২১৯৯২*

# তাহানিৰ ককাহঁতৰ কথা আমি হেৰুৱালো

**হেৰাই গ'ল অসমত সুৱদি সুৰীয়া কণ্ঠস্বৰ। শস্য শ্যামলা ৰূপ। আমাৰ আইজনী সকলোতে হৈ পৰিল মা। বৰমা, খুৰীমা, জেঠীমা, মামীমা, পেহী মা, কিন্তু কাৰো মাহীমা নহ'ল। কাৰণ আমাৰ আইজনীয়ে কাৰো মাহীমা হোৱাৰ পক্ষপাতী নহয়। নিজৰ সন্তানৰ দৰে সকলোকে আঁকোৱালি ল'ব পৰা গুণ কণেৰে আমাৰ আইৰ আজি বুকু ভৰা সন্তান। উশাহ ল'ব নোৱাৰাকৈ আমাৰ আইজনীক সকলোৱে আজি সাবটি ধৰিছে। আমি তিষ্ঠি থাকিব পৰা নাই। সৰকি আহিছো, চেপেতা খায় ৰৈছো। আমি ভাষা হেৰুৱাইছো। সাজপাৰ হেৰুৱাইছো। আমি কণ্ঠ হেৰুৱাইছো**

এলি আহমেদ





**হয়,** এটা এটাকৈ তাহানিৰ বহু সম্পদেই আমি হেৰুৱাই পেলালো। তাৰ ভিতৰত পুৰুষৰ অৰ্থাৎ আমাৰ ককা, দেউতা বৰদেউতা, খুৰা, মহা, পেহা, জেঠু, মামা ভিনদেউ, ককাইদেউকে ধৰি ওচৰ-চুবুৰীয়াৰ কাৰোতেই ভাল কণ্ঠস্বৰ আজি শুনিবলৈ নোপোৱা হ'লো। একোটাহঁত গলগলীয়া কণ্ঠস্বৰ। মিঠা, হুতা নহয়, সেই কণ্ঠস্বৰত লাগি আছিল আত্মীয়তাৰ সোৱাদ। বাটেদি যাওঁতে নঙলাৰ মূৰতে গল খেকাৰি এটা মাৰিলেই, আমি বুজি পাওঁ সেইজন কোন ককা? কোন বৰদেউতা অথবা কোন? কাৰ কণ্ঠস্বৰ সেয়া। আইতাই গল খেকাৰি শুনিয়েই বোৱাৰীয়েকহঁতক কয়—

ঃ চাহৰ পানী বহা অ' বোৱাৰী, ককা আহিছে। কোনে ককা কৈ দিব নালাগে। কোন ককা, বৰদেউতাৰ কেনে গল খেকাৰি সকলোৱে চিনি পায়। পদূলিৰ পৰা চোতাল পিৰালি পোৱালৈকে ইটোৰ পাছত সিটো ক'ত যে প্ৰশ্ন, ক'ত যে কথা। পুৱা সকলো ব্যস্ত থাকে। পথাৰে-সমাৰে। গধূলি হোৱাৰ লগে লগে ককাহঁতে ইঘৰ সিঘৰত খবৰ লয়।

আজি মাটি কিমান চহালি?

বোৱাৰীয়ে কাপোৰ যুটি কিমান আগবঢ়ালে?

ডেকাহঁতে ভাওনাত লাগিছেনে নাই?

সোণাৰামে জেঠায়েকৰ ঘৰলৈ গৈ তামোলকেইজোপাৰ পৰা তামোল কেইথোক পাৰি দিলে নে নাই?

সোণপাহীয়ে বায়েক ভিনিহিয়েকৰ ঘৰলৈ গৈ আহিল নে নাই?

সৰু সৰু ল'ৰা-ছোৱালীহঁতক সুধিব— আজি কোনে কোনে শিক্ষকৰ পৰা কেইকোব খালি? বেঞ্চৰ ওপৰত কোনে কোনে উঠিছিলি, হেৰৌ বাহৰ চেকণী কেইডাল কোনে কোনে নি শিক্ষকক দিছিলি হয়নে?

কোনেও একো ফাঁকি নিদিয়াকৈ সলসলীয়াকৈ, ডাঙৰ ডাঙৰ মাতেৰে কৈ গৈছিল। পৰিয়ালৰ আদহীয়া পুৰুষসকলৰো সেই এটাই কণ্ঠস্বৰ। যি ফালে যায়। সেই ফালেই গলগলীয়া কণ্ঠস্বৰবোৰ কিবা নহয় কিবা এষাৰ কৈ যায়।

দপদপীয়া ভৰিৰ খোজ, গলগলীয়া মুখৰ মাত, এয়াই তাহানিৰ পুৰুষৰ চিন। পুতেকে বোৱাৰীহঁতক যি কয় গলগলীয়া কণ্ঠস্বৰেৰে কয়। নক'বলগীয়া অথবা মনে মনে, ক'বলগীয়া কথা কেইষাৰ কয়নে নকয় আনে নাজানে—

তাহানিৰ দিনবোৰত একোটাহঁত যৌথ পৰিয়ালৰ ভালেসংখ্যক সদস্য থাকে। সকলোৱে ভালে ভাগে ভাগে কামবোৰ কৰে। কথাৰ ভাগ লয়। জ্যেষ্ঠজনক সন্মান কৰি খোলাখুলি ভাৱে ক'বলগীয়া কথাখিনি গলগলীয়া কণ্ঠস্বৰেৰে কয়, চিঞৰি চিঞৰি হাঃ হাঃ কৈ হাঁহে। কোনোবাই কাৰোবাক মাতিলেও গলগলীয়া কণ্ঠৰে মাতে। চিঞৰে। মিঠা চিঞৰ।

আজি সেই কণ্ঠস্বৰ নোহোৱা হ'ল। ককাহঁত নোহোৱা হোৱাৰে পৰা কণ্ঠস্বৰবোৰে নোহোৱা হৈ গৈছিল। যুগ সলনি হ'ল। যুগে ৰূপান্তৰ আনিলে। গছত গুটি লাগিলে গছে তলমূৰ কৰে। শিক্ষা-দীক্ষাই আজি সকলোকে তলমুৰা কৰি তুলিলে। পদূলিত চিঞৰা ককাহঁত নোহোৱা হ'ল। পদূলিত জপনা হ'ল। সংকেট ধ্বনি হ'ল। তাহানিত পঁজা ঘৰবোৰ ৰজাৰ ঘৰ হ'ল। ককা আইতা ককা আজুআইতাৰ নাম নজনা হ'লো। এল, আৰ, চিয়ে সোঁৰৱাই দিয়া হ'ল। মূল ঠিকনাৰ পৰা আঁতৰি আহি, মূল মাটি ঘৰ দুৱাৰ বেছি বিল্ডিং সজোৱা হ'লো। উপাধিও সলোৱা হ'লো সন্তানহঁতৰ। ঘৰৰ ওপৰতে ঘৰ সাজি কণ্ঠস্বৰ চেপা মাৰি থৈ মুকলি বতাহ, মুকলি আকাশৰ পৰা বিৰত থকা হ'লো। এয়াই যুগৰ ৰূপান্তৰ। ৰূপান্তৰে তাহানিত আমাৰ ককাহঁতৰ গলগলীয়া কণ্ঠস্বৰ চেপা মাৰি ধৰিলে। আজিৰ ককাদেউতাহঁতৰ কণ্ঠত সেই কণ্ঠস্বৰৰ অভাৱ ঘটিল। দুখ লগাকৈ তাহানিত স্বাধীন কণ্ঠস্বৰবোৰ আজিৰ পৰাধীন মনবোৰ সোমাই পৰিল। তাহানি আজুককাই আজুআইতাহঁতে এৰি থৈ যোৱা মাটিৰ পট্টাখন আওপুৰণি হ'ল। শুৱনিতে ৰহণ আনি দূৰ-সুদূৰৰ বিল্ডাৰসকলে ল'ৰাহঁতৰ স'তে টকা-পট্টাৰ বিনিময় ঘটালে। ওখ ওখ ঘৰ হ'ল— ককাহঁতে মূৰ তুলি চাব নোৱাৰা হ'ল। চকুত চাৎ মাৰি ধৰিলে— কণ্ঠ ৰুদ্ধ হৈ পৰিল।

তাহানিৰ পদূলিত নঙলাৰ ঠাইত লোহাৰ জপনা হ'ল। আইতাহঁত বিল্ডিঙত ওপৰ মহলা পালেগৈ। তাহানি আৰু আজিৰ মাজলৈ বহুত পাৰ্থক্য আহিল। এই পাৰ্থক্যৰ মাজত হেৰাই গ'ল অসমত সুৱদি সুৰীয়া কণ্ঠস্বৰ। শস্য শ্যামলা ৰূপ। আমাৰ আইজনী সকলোতে হৈ পৰিল মা। বৰমা, খুৰীমা, জেঠীমা, মামীমা, পেহী মা, কিন্তু কাৰো মাহীমা নহ'ল। কাৰণ আমাৰ আইজনীয়ে কাৰো মাহীমা হোৱাৰ পক্ষপাতী নহয়। নিজৰ সন্তানৰ দৰে সকলোকে আঁকোৱালি ল'ব পৰা গুণ কণেৰে আমাৰ আইৰ আজি বুকু ভৰা সন্তান। উশাহ ল'ব নোৱাৰাকৈ আমাৰ আইজনীক সকলোৱে আজি সাবটি ধৰিছে। আমি তিষ্ঠি থাকিব পৰা নাই। সৰকি আহিছো, চেপেতা খায় ৰৈছো। আমি ভাষা হেৰুৱাইছো। সাজপাৰ হেৰুৱাইছো। আমি কণ্ঠ হেৰুৱাইছো।

এক মাতৃৰ মাত্ৰ সন্তান আমি সহোদৰ স'তে সহোদৰৰ সংজ্ঞা পাহাৰি আমি আত্মীয়তা হেৰুৱাইছো। আমি হাঁহিবলৈ নোৱাৰা হৈছো, কথা পাতিব নোৱাৰা হৈছো কিয়?

এই কিয়ৰ মাজতেই আছে— এক ৰহস্য। ককাহঁতৰ ৰুদ্ধ কণ্ঠস্বৰৰ। অব্যক্ত উত্তৰ।

*ফোন : ৯৪৩৫১০৪৮৮৪*


জাতীয় অভিধান-জাতীয় ইতিহাসৰ যৌথমঞ্চ

# চীনা আৰু ফাৰ্চী ভাষাত মৰোৱা মোহৰতো অসমৰ নাম চাওতালী ভাষাৰ 'কামৰু'!

# মোৱামৰীয়া ৰজাৰ মোহৰতে প্ৰথম ব্যৱহাৰ অসমীয়া ভাষা!

## ত্যাগবীৰ হেমবৰুৱা কলেজৰ গ্ৰন্থত বিপুল গৱেষণাসম্ভাৰ!!

দ° দেৱব্ৰত শৰ্মা



**দ°** ৰাস্না ৰাজখোৱাৰ দ্বাৰা সুসম্পাদিত **'ভিন্নপ্ৰসংগ ন-দুৱাৰৰ জলঙাৰে'** নামৰ সুবৃহৎ গৱেষণা নিবন্ধ সংকলনত সংকলিত হৈছে ৪০ টা মননশীল নিবন্ধ। 'অসম আৰু অসমীয়া' 'ঐতিহ্য আৰু ইতিহাস','ব্যক্তি আৰু ব্যক্তিত্ব', 'সাহিত্য আৰু সাহিত্যৰ ইতিহাস', 'বিজ্ঞান আৰু বৈজ্ঞানিক দৰ্শন, 'সংস্কৃতিৰ গতি-প্ৰকৃতি— এই কিটা শিতানত লেখাসমূহ সজোৱা হৈছে।

আমাৰ এই সৰু লেখাত দ° ৰাস্না ৰাজখোৱাৰ সুপৰিকল্পিত, সুবৃহৎ (প্ৰায় ৫০০ পৃষ্ঠাৰ) গ্ৰন্থখনৰ বিষয়ে বিতং আলোচনা কৰাৰ অৱকাশ নাই। আমি মাত্ৰ গ্ৰন্থখনৰ এটা লেখাতে আমাৰ আলোচনা সীমিত ৰাখিম। সেয়া হ'ল দ° নিৰুপম খনিকৰ আৰু দ° শেৱালী ডেকা খনিকৰৰ লেখা 'অসমৰ মুদ্ৰা ইতিহাস'।

**কুমাৰ ভাস্কৰ বৰ্মনৰ মুদ্ৰা; চীনত প্ৰাপ্ত কামৰূপৰ চাওতালী নাম**

গৱেষকদ্বয়ে লিখিছে ঃ

/১৯৭২ খ্ৰীষ্টাব্দত গোৱালপাৰাৰ পগলাটেক্ অঞ্চলত কিছু সোণৰ মুদ্ৰা উদ্ধাৰ হৈছিল। এই মুদ্ৰাভাণ্ডাৰত গুপ্তোত্তৰ যুগত সমতট অঞ্চলৰ মুদ্ৰাসদৃশ কেইটামান মুদ্ৰা পোৱা গৈছে। **ইয়াৰ মাজৰে দুটা মুদ্ৰাত এফালে বাহ্মী লিপিত শ্ৰীকুমাৰ বুলি লিখা আছিল। এই মুদ্ৰাভাণ্ডাৰে প্ৰাচীন কামৰূপ ৰাজ্য আৰু বৰ্তমানৰ বাংলাদেশ আৰু ব্ৰহ্মদেশৰ বিস্তৃত অঞ্চল অন্তৰ্ভুক্ত হৈ থকা প্ৰাচীন সমতট ৰাজ্যৰ মাজত ব্যৱসায়-বাণিজ্য অথবা অন্য যোগাযোগ স্থাপনৰ সম্ভাৱনা বহন কৰে। মুদ্ৰা বিশেষজ্ঞ শংকৰ কুমাৰ বসুৱে 'শ্ৰীকুমাৰ' লিখা এই মুদ্ৰা কামৰূপৰ শাসনকৰ্তা ভাস্কৰ বৰ্মনৰ বুলি মত প্ৰকাশ কৰিছে।** ভাস্কৰবৰ্মন অবিবাহিত হোৱা হেতুকে তেওঁক শ্ৰীকুমাৰ বা কুমাৰ ৰজা বুলি জনা গৈছিল। বাণভট্টৰ হৰ্ষচৰিত গ্ৰন্থখনতো তেওঁক কুমাৰ ৰূপে উল্লেখ আছে। ভাস্কৰবৰ্মনৰ শাসনকালতে চীনা পৰিব্ৰাজক হিউৱেন চাং ভাৰত ভ্ৰমণলৈ আহিছিল আৰু কামৰূপ ৰাজ্য ভ্ৰমণ কৰি গৈছিল। চীনা বুৰঞ্জীত সন্নিবিষ্ট হিউৱেন চাঙৰ কামৰূপ ভ্ৰমণৰ বৰ্ত্তান্তত ইয়াৰ শাসনকৰ্তাৰ নাম Chi-kieu-mo অৰ্থাৎ শ্ৰীকুমাৰ আৰু তেওঁৰ ৰাজ্যখনৰ নাম kia-mu-lu অৰ্থাৎ কামৰূপ বুলি লিপিবদ্ধ কৰা আছে [ Bose: 2018; pp;12]। ভাস্কৰবৰ্মনে সমতট অঞ্চল নিজৰ অধীনলৈ আনিবলৈ সক্ষম হৈছিল। সেয়েহে তাৰ শাসকসকলৰ আৰ্হিতে তেওঁ শ্ৰীকুমাৰ খোদিত এই মুদ্ৰা মৰাইছিল বুলি ধাৰণা হয়।"

গৱেষকদ্বয়ে এইখিনিতে কুমাৰ ভাস্কৰ বৰ্মনৰ মুদ্ৰাত পোহৰ পেলাইছে। তেওঁৰ মুদ্ৰা প্ৰাচীন কামৰূপ ৰাজ্য আৰু বৰ্তমান বাংলাদেশ ব্ৰহ্মদেশৰ বিস্তৃত অঞ্চলত ব্যৱহাৰ হৈছিল বুলি অনুমান কৰিছে। আমি যোগ দিব বিচাৰোঁ ঃ হৰ্ষবৰ্ধনৰ ভাৰত আৰু হিউৱেন চাঙৰ চীনত একা? কিন্তু তাতকৈ মজাৰ কথা হৈছে চীনাভাষাতো কামৰূপক **'কামুলু'** বুলি কোৱা হৈছে, যিটো দ° বাণীকান্ত কাকতিয়ে কোৱামতে 'কামৰূপ'ৰ শব্দৰ চাওতালী মূল 'কামৰু'ৰ বাহিৰে আন একো নহয়।

**গোলাঘাটৰ আলিছিঙা টঙানিৰ দিগলেক বৰ্মনৰো মুদ্ৰা**

"শালস্তম্ভ বংশ ঃ কুমাৰ ভাস্কৰবৰ্মনৰ কোনো এজন সুদক্ষ উত্তৰাধিকাৰী নথকা হেতুকে ম্লেছবংশৰ প্ৰবল পৰাক্ৰমী শালস্তম্ভই কামৰূপৰ শাসনভাৰ নিজৰ হাতলৈ নিয়ে আৰু ৰাজ্যৰ ৰাজধানী প্ৰাগজ্যোতিষপুৰৰ পৰিৱৰ্তে তেজপুৰৰ ওচৰৰ হাৰূপেশ্বৰ নামৰ ঠাইত প্ৰতিষ্ঠা কৰে। ইয়াৰ লগে লগে কামৰূপত শালস্তম্ভ বা ম্লেছ বংশৰ উত্থান ঘটে আৰু এই বংশৰ বহুকেইজন শাসকে ৬৫০ খ্ৰীষ্টাব্দৰ পৰা ৯০০ খ্ৰীষ্টাব্দলৈ কামৰূপত ৰাজত্ব কৰে। অসমৰ বিভিন্ন স্থানত এতিয়ালৈকে উদ্ধাৰ হোৱা কিছুমান তামৰ মুদ্ৰাক নিশ্চিতভাৱে শালস্তম্ভ বংশৰ মুদ্ৰা বুলি চিনাক্ত কৰা হৈছে। এই মুদ্ৰাসমূহৰ এফালে শাসকজনৰ নামৰ প্ৰথম আখৰটো দেৱনাগৰী লিপিত খোদিত হৈ থাকে। এই মুদ্ৰা উদ্ধাৰ হোৱা কেইটামান অঞ্চল হ'ল— তেজপুৰৰ ধূলাপাদুং চাহবাগিচা (১৯৭৭ খ্ৰীঃ), নেওগপাৰা কলাইগাঁও (১৯৮৮ খ্ৰীঃ), টিউলিপ চাহবাগিচা ঢেকিয়াজুলি (১৯৯৪ খ্ৰীঃ), কামৰূপৰ নকুছি বৰগাঁও অঞ্চল (১৯৯৪ খ্ৰীঃ) আৰু মৰিগাঁও জিলাৰ পাত্ৰবাৰি (১৯৯৫ খ্ৰীঃ) আৰু কুমুৰাগুৰি (২০০৫ খ্ৰীঃ)। বৰ্তমানলৈকে উদ্ধাৰ হোৱা মুদ্ৰাসমূহৰ কিছুমানত দেৱনাগৰী লিপিত হ, ৰ (বা প্ৰাচীন অসমীয়া ব), ত ৰ উল্লেখ আছে। **হ লিখিত মুদ্ৰাসমূহ হৰ্জৰ বৰ্মন, ৰ লিখা মুদ্ৰাসমূহ বনমাল বৰ্মন অথবা বল বৰ্মন আৰু ত লিখিত মুদ্ৰাসমূহ শালস্তম্ভ বংশৰ শেষ ৰজা ত্যাগসিংহৰ বুলি ঠাৰৰ কৰা হৈছে। এটা মুদ্ৰাত দ (দিগলেক বৰ্মন) আৰু কিছুমান মুদ্ৰাত ৰ আখৰটো ওলোটাকৈ লিখা পোৱা গৈছে।"**

দ° খনিকৰ আৰু দ° শেৱালী ডেকা খনিকৰে আঙুলিয়াই দিয়াসকলৰ ভিতৰত বৰপথাৰৰ আলিছিঙা টঙানি এলেকাত যাৰ ৰাজধানী আছিল, আৰু যাৰ প্ৰভাৱ উত্তৰ পাৰৰ পথালিপাহাৰলৈকে পৰিব্যাপ্ত আছিল বিশিষ্ট প্ৰত্নতাত্বিক দ° হেমেন্দ্ৰনাথ দত্তই দেখুৱাইছে, সেইজন দিগলেক বৰ্মনৰো মোহৰ আছিল। তথ্যটোৱে নতুন গৱেষণাৰ বাট মোকলাব পাৰে।

**পাৰ্চিভাষাত মৰোৱা মুচলিম শাসকৰ মুদ্ৰাতো কামৰূপৰ চাওতালী নাম!**

"বংগৰ ছুলতানসকলে কামৰূপ কমতা দখল কৰাৰ ফলস্বৰূপে কিছুমান মুদ্ৰা মৰাইছিল। এই মুদ্ৰাসমূহৰ ভিতৰত প্ৰথম মুদ্ৰা **চিকন্দৰ বিন ইলিয়াছ শ্বাহে ৭৫৯ হিজৰীত (১৩৫৮ খ্ৰীঃ)ত চাউলিস্তান উৰ্ফ আৰ্শা কামৰু টাকশালৰ উল্লেখেৰে মুদ্ৰা মৰাইছিল।** চাউলিস্তান শব্দৰ অৰ্থ হ'ল চাউল উৎপাদন হোৱা ঠাই। অৰ্থাৎ ব্ৰহ্মপুত্ৰ উপত্যকা বা কামৰূপ ৰাজ্য। ৮৯৮ হিজৰীত ছামচুদ্দিন মুজাফফৰ শ্বাহে কমতা মৰ্দন বুলি কমতা ৰাজ্য বিজয় কৰাৰ সাক্ষ্য ৰূপে মুদ্ৰা মৰাইছিল। একেদৰে হোছেইন শ্বাহেও (১৪৯৪-১৫১৯ খ্ৰীঃ) কমতাপুৰ অধিকাৰ **কৰি কামৰু কমতা,** জাজনগৰ আৰু উৰিষ্যা বিজেতা বুলি নিজকে পৰিচয় দি ভালেসংখ্যক মুদ্ৰা মৰাইছিল। তেওঁ কমতাপুৰ অধিকাৰ কৰাৰ আগতে খেন বংশীয় ৰজাসকলে কমতাপুৰত ৰাজত্ব কৰিছিল যদিও সেই বংশৰ কোনো মুদ্ৰা বৰ্তমানলৈকে আৱিস্কাৰ হোৱা নাই।"

এইখিনিতে বংগৰ বা ভাৰতৰ মুচলিম শাসকসকলেও অসমক বুজাবলৈ চাওতালী শব্দ 'কামৰু' (তাৰ সংস্কৃতীয়া ৰূপ 'কামৰূপ' নহয়) ব্যৱহাৰ কৰাটো এই অধ্যয়নত ওলাই পৰাটো তাৎপৰ্যপূৰ্ণ।

**জয়ধ্বজসিংহৰ চীনামুদ্ৰা! আমাৰ চীনা সংযোগ**

"অসমৰ মুদ্ৰা ইতিহাসত চীনা লিপিত মৰোৱা স্বৰ্গদেউ জয়ধ্বজ সিংহৰ নাম উল্লেখ নাই। কিন্তু মুদ্ৰাত উল্লেখ থকা অসমীয়া সংখ্যাৰ শক ১৫৭০ আৰু আঠকোণীয়া আকৃতি হোৱা হেতুকে সেয়া জয়ধ্বজ সিংহৰ মুদ্ৰা বুলি ঠাৰৰ কৰা হৈছে। সেই মুদ্ৰাটিৰ এফালে চীনা আখৰেৰে 'ঝাং' আৰু আনফালে 'বাও' বুলি লিখা আছে। ঝাং বাওৰ অৰ্থ হ'ল- তিব্বতৰ মুদ্ৰা। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ চীনা লিপিৰ মুদ্ৰাই তিব্বতৰ সৈতে সুচল বাণিজ্যিক সম্পৰ্কৰ প্ৰচেষ্টাৰ ইংগিত বহন কৰে **(Rhodes and Bose**:2001; pp:10)। স্বৰ্গদেউ জয়ধ্বজ সিংহৰ ৰাজত্বৰ সময়তে মীৰজুমলাৰ নেতৃত্বত মোগলে অসম আক্ৰমণ কৰি গড়গাঁও পৰ্যন্ত অধিকাৰ কৰিছিল। মীৰজুমলাই গড়গাওঁ অধিকাৰ কৰাৰ পাছত পাৰ্চী লিপিত মোগল সম্ৰাট ঔৰংজেৱৰ নামত টাকসাল আসাম বুলি উল্লেখ কৰি মুদ্ৰা মৰাইছিল।"

নিবন্ধটোত জয়ধ্বজসিংহৰ চীনামুদ্ৰাৰ কথা কোৱা হৈছে ঃ অৱশ্যে মুদ্ৰাটোত তেওঁৰ নাম নাথাকি 'তিব্বতৰ মুদ্ৰা' বুলি কিয় লিখা হ'ল, পৰিস্কাৰ নহ'ল। আনহাতে ঔৰংজেৱে অসমক 'আসাম' বুলি উল্লেখ কৰাটো মনকৰিবলগীয়া।

**আভিধানিক ব্ৰজনাথ সিংহৰ ফাৰ্চী মুদ্ৰা!**

"আহোম মুদ্ৰাসমূহত সাধাৰণতে অসমীয়া, টাই (আহোম), দেৱনাগৰী, চীনা আৰু পাৰ্চী এই পাঁচটা লিপি পৰিলক্ষিত হয়। স্বৰ্গদেউ শিৱ সিংহ, ৰাজেশ্বৰ সিংহ আৰু ব্ৰজনাথ সিংহৰ ফাৰ্চী লিপিৰ মুদ্ৰা উদ্ধাৰ হৈছে। দেৱনাগৰী লিপিৰ মুদ্ৰা কেৱল ৰাজেশ্বৰ সিংহৰ নামতহে পোৱা গৈছে।"

মন কৰিবলগীয়া যে অংগক্ষত থকা বাবে ৰজা হ'ব নোৱাৰে বুলি ভবা ব্ৰজনাথ সিংহই স্বৰ্গদেউ হৈ মোহৰ মৰোৱাৰ প্ৰমাণ আমিৰ আগতেও পাইছিলো। কিন্তু এতিয়া ফাৰ্চী লিপিতো তেওঁ মোহৰ মৰোৱাৰ খবৰ এই কথা প্ৰমাণ কৰিলে যে আভিধানিকজন সঁচাকৈয়ে ৰজাই আছিল। উল্লেখযোগ্য যে অলুতে আমি আভিধানিক ৰাজা ব্ৰজনাথ সিংহ নামৰ কিতাপ উলিয়াবলৈ গৈ আছোঁ।

**মোৱামৰীয়া ৰজাৰ অসমীয়া মুদ্ৰাত অষ্টভূজদেৱ!**

"মটক ৰাজ্য ঃ আহোম স্বৰ্গদেউ লক্ষ্মীসিংহৰ সময়ত মোৱামৰীয়া বিদ্ৰোহৰ সূত্ৰপাত হয় আৰু বিদ্ৰোহী নাহৰ খোৱাৰ পুত্ৰ ৰমাকান্ত সিংহ আহোম ৰাজসিংহাসনত বহে। ৰাজপাটত বহিয়েই ৰমাকান্ত সিংহই নিজ নামেৰে ১৬৯১ শক উল্লিখিত ডেৰতোলা ওজনৰ নকোণীয়া আকৃতিৰ মুদ্ৰা জাৰী কৰিছিল। এই মুদ্ৰাৰ লিপি অসমীয়া হোৱাৰ লগতে এপৃষ্ঠাত শুদ্ধ অসমীয়া ভাষাত শ্ৰী শ্ৰী অষ্টভূজ গোসাঞিৰ দেৱতাৰ সেৱক বুলি উল্লেখ আছে। উল্লেখযোগ্য যে, **মধ্যযুগৰ বৃহত্তৰ অসমভূমিত অসমীয়া ভাষাত মৰোৱা ৰমাকান্ত সিংহৰ নকোণীয়া মুদ্ৰাই একমাত্ৰ মুদ্ৰা।"**

এই তথ্যৰ পৰা আধুনিক অসমীয়া ভাষা মুদ্ৰাৰ মাৰফৎ প্ৰচাৰ-প্ৰতিষ্ঠাৰ ব্যৱস্থা লোৱা বাবে মোৱামৰীয়া ৰজাসকল ধন্যবাদৰ পাত্ৰ বুলি পৰিগণিত হয়।

**মটক ৰজাৰ মুদ্ৰাত অসমীয়ালিপি, অসমীয়া ভাষা!**

"স্বৰ্গদেউ গৌৰীনাথ সিংহৰ শাসনকালত মোৱামৰীয়া বিদ্ৰোহে তীব্ৰ ৰূপ ধাৰণ কৰাত তেওঁ ৰাজধানী এৰি গুৱাহাটীলৈ পলাই যাবলগীয়া পৰিস্থিতিৰ উদ্ভৱ হয়। এই সুযোগতে বিদ্ৰোহী নেতা ভৰত সিংহই ৰংপুৰৰ ৰাজসিংহাসন অধিকাৰ কৰে আৰু সৰ্বানন্দ সিংহই বেংমৰাত পৃথক মটক ৰাজ্য স্থাপন কৰে। তদুপৰি কেবাজনো বিদ্ৰোহী নেতাই পৃথক পৃথক ভূমি খণ্ডত নিজকে স্বাধীন ৰজা হিচাপে ঘোষণা কৰে।

অৱশ্যে এইসকলৰ ভিতৰত কেৱল ভৰত সিংহ আৰু সৰ্বানন্দ সিংহৰ মুদ্ৰাহে আৱিষ্কাৰ হৈছে। ভৰত সিংহ আৰু সৰ্বানন্দ সিংহ দুয়োজন মটক ৰজাই অসমীয়া লিপিত সংস্কৃত ভাষাত কৃষ্ণক উছৰ্গা কৰি মুদ্ৰা মৰাইছিল। ৰমাকান্ত সিংহ আৰু সৰ্বানন্দ সিংহই স্বৰ্গদেউ উপাধিৰে মুদ্ৰা মৰোৱাৰ বিপৰীতে ভৰতসিংহই ভগদত্ত কুলোদ্ভৱ বুলি মুদ্ৰা মৰাইছিল।"

এনে ধৰণৰ চল্লিচটাকে নিবন্ধ গুৰুত্বপূৰ্ণ সংকলন কৰাৰ উপৰিও সুসংবদ্ধভাৱে সজাই সম্পাদক দ° ৰাস্না ৰাজখোৱা আমাৰ ধন্যবাদৰ পাত্ৰ হৈছে। অসমৰ প্ৰতি মহাবিদ্যালয়ৰ পৰা এনে ভাবগধুৰ সংকলন ওলোৱা উচিত।

লেখক অসমীয়া জাতীয় অভিধান আৰু জাতীয় ইতিহাসৰ মুখ্য সম্পাদক, ফোন ঃ ৯৪৩৫৩৫১২৫৫



# ক'লা ধন উদ্ধাৰত অদ্যাপি ব্যৰ্থ ভাৰত!

আপোনালোকে কওকচোন, আমাৰ পৰা চুৰি হোৱা টকাখিনি ঘূৰি আহিব লাগেনে? ক'লা ধন দেশলৈ ঘূৰি অহাৰ প্ৰয়োজন আছেনে? এই চোৰ, লুণ্ঠনকাৰীয়ে বিদেশৰ বেংকত জমা কৰি ৰখা ধনৰ ওপৰত জনতাৰ অধিকাৰ নাই নেকি? এই ধন জনসাধাৰণৰ সেৱাত ব্যয় কৰা উচিত হয় নে নহয়?

**বৰ** বেছি বছৰ আগৰ কথা নহয়। ২০১৪ ৰ ন জানুৱাৰীত বিজেপিৰ সেই সময়ৰ প্ৰধানমন্ত্ৰী পদৰ প্ৰাৰ্থী নৰেন্দ্ৰ মোদীয়ে দিয়া ভাষণ আজিও ইউ টিউবত উপলব্ধ। জনসমুদ্ৰ যেন হৈ পৰা ভিৰৰ মাজত থিয় হৈ এক ৰাজহুৱা সভাত তেওঁ ৰাইজক সুধিছে, 'আপোনালোকে কওকচোন, আমাৰ পৰা চুৰি হোৱা টকাখিনি ঘূৰি আহিব লাগেনে? ক'লা ধন দেশলৈ ঘূৰি অহাৰ প্ৰয়োজন আছেনে? এই চোৰ, লুণ্ঠনকাৰীয়ে বিদেশৰ বেংকত জমা কৰি ৰখা ধনৰ ওপৰত জনতাৰ অধিকাৰ নাই নেকি? এই ধন জনসাধাৰণৰ সেৱাত ব্যয় কৰা উচিত হয় নে নহয়?' জনতাৰ প্ৰবল হৰ্ষোল্লাসৰ মাজতে প্ৰধানমন্ত্ৰী মোদীয়ে আকৌ কয়, 'চোৰাং টকা দেশলৈ ঘূৰাই আনিব পাৰিলে ভাৰতৰ প্ৰত্যেকজন দুখীয়া ব্যক্তিৰ হাতত ১৫-২০ লাখ টকাকৈ পৰিব।' সেই সময়ত মোদী আৰু বিজেপিৰ নেতাসকলে যুক্তি দৰ্শাই কৈছিল, 'ক'লা টকা উদ্ধাৰৰ বাবেই পুৰণি ৫০০ আৰু ১০০০ টকীয়া নোট বাতিল তথা বিমুদ্ৰাকৰণৰ পদক্ষেপ লোৱাটো জৰুৰী হৈ পৰিছিল। কেৱল ইমানেই নহয়, বিমুদ্ৰাকৰণৰ মাত্ৰ ২০ মাহ পাছতে ভাৰতীয় ৰিজাৰ্ভ বেংকে পুৰণি নোটৰ হিচাপ সম্পূৰ্ণ কৰি জনাইছিল যে পুৰণি ৯৯.৩ শতাংশ টকাই উভতি আহিছে। মাত্ৰ .০৭ শতাংশ টকা অৰ্থাৎ মাত্ৰ ১০ হেজাৰ কোটি টকা উভতি অহা নাই। কিন্তু প্ৰশ্ন হয়, কিমান শুদ্ধ চৰকাৰৰ এইসমূহ দাবী আৰু আৰবিআইৰ এই হিচাপ। কিয়নো আজিৰ তাৰিখতো দিল্লীস্থিত অৰ্থনৈতিক থিংক টেংক 'ৰিচাৰ্চ এণ্ড ইনফৰ্মেচন চিষ্টেমছ'কে ধৰি বিভিন্ন নামী সংস্থা আৰু আগশাৰীৰ অৰ্থনীতিবিদে চোৰাং ধন উদ্ধাৰ কৰাত ভাৰতে সামান্যতমো সফলতা লাভ কৰা নাই বুলি দাবী কৰিব খোজে। বিভিন্ন অৰ্থনীতিবিদৰ দাবী, আঠ বছৰ পাৰ হৈ যোৱাৰ পাছতো



প্ৰধানমন্ত্ৰীয়ে নিজৰ সংকল্প ৰক্ষা কৰিব পৰা নাই। তেওঁলোকৰ মতে, এবছৰৰ ভিতৰতে শাসনাধিষ্ঠিত চৰকাৰখনৰ বোধোদয় ঘটিছিল। অন্যথা ২০১৫ৰ আঠ ফেব্ৰুৱাৰীত বিজেপিৰ সৰ্বভাৰতীয় সভাপতি অমিত শ্বাহে টিভিৰ এক সাক্ষাৎকাৰত 'নৰেন্দ্ৰ মোদীয়ে সকলোৰে বেংক একাউণ্টত ১৫ লাখ টকাকৈ জমা কৰা হ'ব বুলি দিয়া প্ৰতিশ্ৰুতিক আক্ষৰিক অৰ্থত লোৱা উচিত নহয়' বুলি নক'লেহেঁতেন।

প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, স্বাধীন ভাৰতত সময়ে সময়ে দেশ-বিদেশত জমা হোৱা ক'লা ধন বগা কৰাৰ বাবে কে'বাটাও সৰু-বৰ 'ক্ষমা প্ৰকল্প' গ্ৰহণ কৰা হৈছে। ইয়াৰে কোনোটোৰেই কিন্তু বৰ বিশেষ সফল হোৱা নাই। অলপ সফলতা লাভ কৰা প্ৰথমটো প্ৰকল্প আছিল ১৯৯৭ত মুকলি কৰা স্বেচ্ছামূলক আয় প্ৰকাশ আঁচনি (ভিডিআইএছ)। তদানীন্তন বিত্তমন্ত্ৰী পি চিদাম্বৰমৰ উদ্যোগত ১৯৯৭ৰ পহিলা জুলাইত আৰম্ভ কৰা হৈছিল এই প্ৰকল্প। এই প্ৰকল্পৰ সময়সীমা আছিল ছমাহ। ঘোষিত ব্যক্তিগত আয়ৰ ক্ষেত্ৰত কৰ আছিল ৩০ শতাংশ আৰু কোম্পানীসমূহৰ ক্ষেত্ৰত আছিল ৩৫ শতাংশ। এই প্ৰকল্পটো সফল কৰিবলৈ বিত্ত মন্ত্ৰণালয়ে সমগ্ৰ দেশতে বিভিন্ন ভাষাত প্ৰচাৰ চলাইছিল আৰু উক্ত ক্ষমা প্ৰকল্পত প্ৰায় পাঁচ লাখ লোকে সঁহাৰি জনাইছিল। তেওঁলোকৰ মুঠ অঘোষিত আয়ৰ পৰিমাণ



৩৩,০০০ কোটি টকা বুলি দেখুৱাইছিল তদানীন্তন চৰকাৰখনে। চৰকাৰী কোষাগাৰত জমা হৈছিল প্ৰায় ৯,৭৬০ কোটি টকা। যি আছিল ভাৰতীয় অৰ্থনীতিৰ বহৰৰ তুলনাত নগণ্য। কিন্তু পৰৱৰ্তী সময়ত কেগ (CAG)ৰ প্ৰতিবেদনত উক্ত প্ৰকল্পক দেশৰ সৎ কৰদাতাসকলৰ প্ৰতি হোৱা চৰম অবিচাৰ বুলি আখ্যা দিয়া হৈছিল।

ক'লা ধন উদ্ধাৰ কৰি দেশৰ সকলো দৰিদ্ৰৰ বেংক একাউন্টত ভৰাই দিয়াৰ প্ৰতিশ্ৰুতি দি লক্ষ্যভ্ৰষ্ট হোৱাৰ পাছত মোদী চৰকাৰৰ তদানীন্তন বিত্তমন্ত্ৰী অৰুণ জেটলীয়েও ২০১৬ৰ বাজেটত 'ইনকম ডিক্লেৰেছন স্কিম' (আইডিএছ) বা আয় ঘোষণা প্ৰকল্পৰ প্ৰৱৰ্তন কৰে। সেই বছৰৰে অক্টোবৰত অৰুণ জেটলীয়ে কয় যে প্ৰকল্পটোত মুঠ ৮৫,২৫০ কোটি টকাৰ অঘোষিত সম্পত্তি ঘোষণা কৰিছে, যাৰ পৰা চৰকাৰে ২৯,৩৮২ কোটি টকাৰ কৰ, চেছ আৰু জৰিমনা লাভ কৰিছে। জেটলীৰ এই আঁচনিকো অৰ্থনীতি বিশ্লেষকসকলে কটু ভাষাৰে সমালোচনা কৰে। প্ৰশ্ন কৰে, লক্ষ লক্ষ কোটি টকা ক'লা ধন থকা বুলি বিজেপিৰ মন্ত্ৰী-নেতাসকলে যে ইমান চিঞৰ-বাখৰ কৰিলে সেই বিপুল অংকৰ ক'লা ধন তেনেহ'লে ক'লৈ গ'ল?

দিল্লীস্থিত অৰ্থনৈতিক থিংক টেংক 'ৰিচাৰ্চ এণ্ড ইনফৰ্মেচন চিষ্টেমছ'ৰ একাংশ বিশেষজ্ঞৰ মতে, ক'লা ধনৰ চোৰাং বেহা বন্ধ কৰিবলৈ ৰাজনৈতিক সদিচ্ছাৰ দৰকাৰ। কিন্তু সেই সদিচ্ছা কোনো এখন চৰকাৰেই আজি পৰ্যন্ত দেখুওৱা নাই। এক কথাত ক'বলৈ গ'লে, বিভিন্ন সময়ত গ্ৰহণ কৰা এই ধৰণৰ ক্ষমা প্ৰকল্প ধনকুবেৰ বেপাৰী এচামৰ বাবে চৰকাৰে নিজ হাতে মুকলি কৰি দিয়া অঘোষিত ক'লা ধন বগা কৰাৰ সহজ পথ হিচাপেহে পৰিগণিত হৈছে।

# স্বাস্থ্য বীমা আৰু প্ৰসূতি আৱৰণ



**প্ৰতি** বছৰে হেজাৰ হেজাৰ দম্পতী পিতৃ-মাতৃ হয়। সন্তান জন্ম দিয়াৰ পূৰ্বে তেওঁলোকে সকলো প্ৰস্তুতি আগতীয়াকৈ সম্পন্ন কৰে। স্বাস্থ্য বীমাক এই ক্ষেত্ৰত এক গুৰুত্বপূৰ্ণ আহিলা হিচাপে ব্যৱহাৰ কৰিব পৰা যায়। কিয়নো সন্তান জন্মৰ সময়ত চিকিৎসালয়ৰ ব্যয় কিমান হ'ব পাৰে তাক আগতীয়াকৈ অনুমান কৰা কঠিন। বিশেষকৈ প্ৰথমবাৰৰ বাবে পিতৃ-মাতৃ হোৱাৰ অভিজ্ঞতা লাভ কৰিবলৈ যোৱা সকলৰ বাবে এই ধৰণৰ ব্যয়ৰ অনুমান কৰাটো এক দুৰূহ কাম। গতিকে আগৰে পৰা স্বাস্থ্য বীমা কৰা থাকিলে চিকিৎসালয়ৰ ব্যয়ৰ ক্ষেত্ৰত কিছু অতিৰিক্ত লাভালাভ আহৰণ কৰিব পৰা যায়। স্বাস্থ্য বীমাৰ আওতাত কি কি মাতৃত্বকালীন সুবিধা পাব পাৰি আৰু প্ৰসূতি আৰু সন্তানৰ বাবে কেনে ধৰণৰ স্বাস্থ্য বীমা আঁচনি সৰ্বশ্ৰেষ্ঠ সেই বিষয়ে কিছু কথা জানো আহক—




যিকোনো স্বাস্থ্য বীমা ক্ৰয় কৰোতে সৰ্বাধিক গুৰুত্ব দিবলগীয়া বিষয়টো হ'ল সঠিক বীমা আঁচনিৰ বাছনি। সঠিক পলিচী এখন বাছনি কৰাটো হৈছে চিকিৎসালয়ত ভৰ্তি হ'লে হ'বলগীয়া ব্যয় হ্ৰাস কৰাৰ প্ৰথম পদক্ষেপ। উদাহৰণ স্বৰূপে, যদি স্বামী আৰু পত্নীৰ প্ৰসূতি বীমাৰ স'তে পৃথক স্বাস্থ্য আৱৰণ থাকে, তেওঁলোকে অধিক ধন ৰাহি কৰিব পাৰে। কাৰণ তেওঁলোক দুয়োজনে তেওঁলোকৰ নিজ নিজ পলিচীৰ পৰা এই ধন দাবী কৰিব পাৰে।

প্ৰসূতি আৱৰণৰ স'তে স্বাস্থ্য বীমা এটাই পৰিয়াল এটাক যিকোনো ধৰণৰ অৰ্থনৈতিক সংকটৰ পৰা সুৰক্ষিত কৰিব পাৰে। যিহেতুকে মূল্যবৃদ্ধিক বৰ্তমানৰ সবাতোকৈ জ্বলন্ত সমস্যাসমূহৰ ভিতৰত অন্যতম বুলি গণ্য কৰা হয়, অত্যাৱশ্যকীয় সামগ্ৰীৰ মূল্যবৃদ্ধিৰ স'তে দৈনন্দিন জীৱন-যাপনৰ ব্যয় বৃদ্ধিয়ে কম বেছি পৰিমাণে সকলো শ্ৰেণীৰ পৰিয়ালৰ বাজেটত চাপৰ সৃষ্টি কৰিছে। এই ক্ষেত্ৰত অতিৰিক্ত যিকোনো ব্যয় পৰিয়াল এটাৰ বাবে চিন্তাৰ কাৰণ হ'ব পাৰে। বীমাৰ বজাৰত আজিকালি শিশুৰ জন্ম, নৱজাতকৰ চিকিৎসা, প্ৰসূতি মাতৃৰ চিকিৎসা ব্যয় আদিৰ আৱৰণ প্ৰদান কৰা বিভিন্ন আঁচনি উপলব্ধ। সন্তানৰ জন্মৰ সময়ত অভিভাৱক হিচাপে বহন কৰিবলগীয়া ব্যয় সম্পৰ্কীয় বিভিন্ন বস্তু বা সেৱাৰ ব্যয় এইবোৰ আঁচনিয়ে সামৰি ল'ব পাৰে। সেয়েহে, প্ৰসূতি আৱৰণ যথেষ্ট সাৱধানে বাছনি কৰিব লাগে, যাতে আঁচনি ধাৰকে সৰ্বোচ্চ লাভালাভবোৰ প্ৰাপ্ত কৰিব পাৰে।

প্ৰসূতি আৱৰণ হৈছে এক বিশেষ প্ৰকাৰৰ স্বাস্থ্য বীমা য'ত এগৰাকী মহিলাৰ গৰ্ভধাৰণ, প্ৰসৱৰ লগতে প্ৰসৱোত্তৰ সময়ত হোৱা যিকোনো বা সকলো চিকিৎসা ব্যয় অন্তৰ্ভুক্ত থাকে। ইয়াৰ ভিতৰত আছে চিকিৎসালয়ত ভৰ্তি হোৱাৰ ব্যয়, ঔষধ, পৰীক্ষা, চেক-আপ আদি। মাতৃত্বৰ আৱৰণ থকা স্বাস্থ্য বীমা পলিচীসমূহে সাধাৰণতে স্বাভাৱিক আৰু ছিজাৰিয়ান উভয় ধৰণৰ প্ৰসৱ প্ৰক্ৰিয়াকে আৱৰে। ই এক স্বতন্ত্ৰ পলিচীও হ'ব পাৰে অথবা মুখ্য স্বাস্থ্য পলিচীৰ স'তে এক এড-অন আৱৰণ হিচাপেও আহিব পাৰে। সাধাৰণতে, প্ৰসূতি আৱৰণ থকা স্বাস্থ্য বীমা আঁচনি এখনে প্ৰসৱ-পূৰ্ব আৰু প্ৰসৱোত্তৰ দুয়োটা পৰ্যায়তে চিকিৎসালয়ত ভৰ্তি হোৱাৰ ব্যয়, নৱজাতক কেঁচুৱাৰ ব্যয় (সৰ্বাধিক ৯০ দিনলৈকে), ডে কেয়াৰ চিকিৎসা, নৱজাতকৰ টিকাকৰণৰ ব্যয়, এম্বুলেন্সৰ ব্যয় ইত্যাদি সামৰি লয়। কেৱল সেয়াই নহয়, যদি নৱজাতকৰ কোনো জন্মগত বিকাৰ থাকে, তেন্তে শিশুটিৰ চিকিৎসাৰ ব্যয়ও বহন কৰে। অৱশ্যে, এই ধৰণৰ আৱৰণ কোনখন আঁচনি বাছনি কৰা হৈছে তাৰ ওপৰত নিৰ্ভৰ কৰে। গতিকে পলিচীৰ বিভিন্নতা অনুসৰি এই সুবিধাবোৰ সলনি হ'ব পাৰে। মনত ৰাখিব, এই ধৰণৰ বীমাৰ সুবিধা পাবলৈ হ'লে গৰ্ভধাৰণৰ আগতেই পলিচী ক্ৰয় কৰাটো বাঞ্ছনীয়। গৰ্ভধাৰণৰ পাছত এই বীমা কৰিব নোৱাৰি। তদুপৰি, প্ৰসূতিৰ বয়স ১৮ বছৰতকৈ কম আৰু ৪৫ বছৰতকৈ অধিক হ'লে এই বীমাৰ লাভালাভ উপলব্ধ নহয়।

# শিশুৰ বাবেও জৰুৰী জমা একাউন্ট

## ভাৰতীয় ষ্টেট বেংকৰ দুই আঁচনি 'পেহলা কদম' আৰু 'পেহলী উড়ান'



**অভিভাৱকসকলে** আৰম্ভণিৰ পৰাই শিশুৰ মাজত সঞ্চয়ৰ অভ্যাস জগাই তোলাটো অতি প্ৰয়োজনীয় কাৰণ ই শিশুসকলক ধন সঞ্চয়ৰ গুৰুত্ব বুজিবলৈ সহায় কৰে। শিশুৰ বাবে বেংক একাউন্ট খোলাৰ পৰিকল্পনা কৰা অভিভাৱকসকলে আগশাৰীৰ বেংকিং প্ৰতিষ্ঠান ভাৰতীয় ষ্টেট বেংক (এছবিআই)ৰ ওপৰত চকু মুদি নিৰ্ভৰ কৰিব পাৰে। কাৰণ এই বেংকটোৱে 'পেহলা কদম' আৰু 'পেহলী উড়ান' নামৰ দুই আঁচনিৰ অধীনত নাবালক সন্তানৰ বাবে জমা একাউন্ট খোলাৰ যি সুবিধা আগবঢ়াই আহিছে সেয়া আজিৰ তাৰিখত বহুলভাৱে জনপ্ৰিয় আৰু লাভজনক প্ৰতিপন্ন হৈছে। এই একাউন্ট দুটাৰ সবিশেষ জানো আহক—

এই দুখন আঁচনিয়ে আপোনাৰ ল'ৰা-ছোৱালীক টকাৰ ক্ৰয় শক্তিৰ ব্যৱহাৰ শিকাত সহায় কৰিব। 'পেহলা কদম' আৰু 'পেহলা উড়ান' জমা একাউন্টত ম'বাইল বেংকিং, ইণ্টাৰনেট বেংকিং আদি সকলো সুবিধায়ে উপলব্ধ। ইয়াৰ দ্বাৰা আপোনাৰ শিশুক বেংকিঙৰ শেহতীয়া সুবিধাসমূহ আৰু ব্যক্তিগত বিত্তীয় প্ৰত্যাহ্বানসমূহৰ স'তে পৰিচিত কৰাই দিয়াতো সহায়ক হ'ব। তদুপৰি এনে সকলোবোৰ বৈশিষ্ট্য 'প্ৰতি দিনৰ সীমা' বা "Per Day Limit" ৰ স'তে উপলব্ধ যাতে আপোনাৰ শিশুৱে নিজৰ কষ্টোপাৰ্জিত ধন ভাবি-চিন্তি খৰচ কৰিব পাৰে। এই একাউণ্টসমূহত কোনো মাহিলি গড় বেলেঞ্চ (MAB)ৰ সীমা প্ৰযোজ্য নহয়। দুয়োটা একাউন্টৰ বাবে বেলেঞ্চৰ সৰ্বোচ্চ সীমা ১০ লাখ টকা ধাৰ্য কৰা হৈছে। তদুপৰি নাবালকৰ বাবে এনে জমা একাউণ্ট খুলিব বিচাৰিলে অভিভাৱকে চেক বুকো উপলব্ধ কৰিব পাৰে।

**পেহলা কদম**

যেতিয়া কোনো অভিভাৱকে 'পেহলা কদম'ৰ আওতাত জমা একাউণ্ট খুলিবলৈ যায়, ভাৰতীয় ষ্টেট বেংকে তেওঁক এখন চেক বুক প্ৰদান কৰে। ইয়াৰ বাবে প্ৰথমতে একাউণ্টধাৰীৰ ম'বাইল নম্বৰৰ ৰেকৰ্ড ৰখা হয়। বিশেষভাৱে ডিজাইন কৰা ব্যক্তিগত চেক বুকখনত ১০ খন চেক থাকে। অভিভাৱকৰ অধীনত নাবালকৰ নামত এই চেক প্ৰদান কৰা হয়। ইয়াৰ লগতে পাঁচ হেজাৰ টকা উলিওৱা !পিঅ'এছৰ সীমা থকা শিশুটিৰ ফটো সম্বলিত এটিএম-কম-ডেবিট কাৰ্ডো এছবিআয়ে প্ৰদান কৰে। নাবালক আৰু অভিভাৱকৰ নামত এই কাৰ্ড প্ৰদান কৰা হয়। এনে একাউন্টৰ দ্বাৰা বিল পৰিশোধ, টপ আপ আৰু দৈনিক লেনদেনৰ সীমাৰ দৰে সীমিত লেনদেনৰ পৰিমাণ হ'ল দুহেজাৰ টকা।

**পেহলা উড়ান**

পেহলা উড়ান একাউন্টতো চেক বুক উপলব্ধ। ইয়াতো একাউণ্টধাৰীয়ে নিজৰ ম'বাইল নম্বৰটো জমা দিব লাগে। বিশেষভাৱে ডিজাইন কৰা ব্যক্তিগত চেক বুকখনত ১০ খন চেক পাত থাকে। নাবালকজনে একেধৰণে চহী কৰিব পাৰিলে ইয়াক প্ৰদান কৰা হয়। নাবালকজনৰ নামত ৫,০০০টকা উলিওৱাৰ/পিঅ'এছ সীমাৰেখাৰ এখন ফটোগ্ৰাফিক এটিএম কাম ডেবিট জাৰি কৰা হয়। ইয়াতো বিল পৰিশোধ, টপ আপ আৰু আইএমপিএছৰ সুবিধা প্ৰদান কৰা হয়। প্ৰতিদিনে এনে লেনদেনৰ সীমা ২,০০০ টকা। এই একাউন্টত অৱশ্যে এছবিআইৰ স'তে অট' ছোৱাইপ কৰাৰ অতিৰিক্ত সুবিধা আছে যাৰ ন্যূনতম সীমা ২০ হেজাৰ টকা।



উল্লেখ্য যে অফলাইনৰ লগতে অনলাইনতো এই দুয়োটা একাউণ্ট খুলিব পৰা যায়। ইয়াৰ বাবে বেংকটোৰ ৱেবছাইট sbi.co.in ত গৈ Personal Banking ত ক্লিক কৰিব লাগিব আৰু এছবিআই য়'ন' ৱেবছাইটৰ মাধ্যমেদি ডিজিটেল একাউন্ট এটা খুলিব লাগিব। ইয়াৰ পাছত বেংকৰ যিকোনো নিকটৱৰ্তী শাখালৈ গৈ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰিব পাৰিব। মনত ৰাখিব, নাবালকৰ বাবে একাউণ্ট খুলিবলৈ হ'লে এছবিআই শাখালৈ গৈ সমগ্ৰ প্ৰক্ৰিয়াটো সম্পূৰ্ণ কৰাটো বাধ্যতামূলক।

# ফিক্সড্ ডিপ'জিটৰ সুদৰ হাৰ বৃদ্ধি পাব এইটো বেংকৰ



**ভাৰতীয়** ষ্টেট বেংক চমুকৈ এছবিআইৰ গ্ৰাহকৰ বাবে আছে এক সুখবৰ। দেশৰ সৰ্ববৃহৎ চৰকাৰী বেংকটোৰ অধ্যক্ষ দীনেশ কুমাৰ খাঁড়াই শেহতীয়াকৈ এক বিবৃতিত অচিৰেই ফিক্সড্ ডিপ'জিটৰ সুদৰ হাৰ বৃদ্ধি কৰাৰ ইংগিত দিছে। যোৱা বুধবাৰে ভাৰতীয় ৰিজাৰ্ভ বেংকে ৰেপো ৰেট ৫০ বেছিছ পইণ্টকৈ বৃদ্ধি কৰি ৪.৯ শতাংশ কৰাৰ পাছতে বেংকসমূহৰ ঘৰ আৰু গাড়ীৰ ঋণৰ সুদৰ হাৰ বৃদ্ধি পাব পাৰে বুলি আশংকা কৰা হৈছিল। সেই ক্ষেত্ৰত অৰ্থনৈতিক বিশেষজ্ঞসকলেও অনুমান কৰিছিল যে সাধাৰণ জনতাৰ ওপৰত ইএমআইৰ বোজা বৃদ্ধি পাব পাৰে। কিন্তু এনে আশংকাৰ মাজতে দেশৰ সৰ্ববৃহৎ বেংকটোৰ ফিক্সড্ ডিপ'জিটৰ সুদৰ হাৰ বৃদ্ধিৰ খবৰে এছবিআইৰ গ্ৰাহকসকলৰ বাবে সুখৰ বতৰা কঢ়িয়াই আনিছে। অৱশ্যে ফিক্সড্ ডিপ'জিটৰ সুদৰ হাৰ বৃদ্ধিৰ বাবে এছবিআইৰ এই সিদ্ধান্ত এতিয়াও আনুষ্ঠানিকভাৱে ঘোষণা কৰা হোৱা নাই। উল্লেখ্য যে বৰ্তমান এছবিআইৰ গ্ৰাহকে ১২ মাহৰ পৰা ২৪ মাহৰ ভিতৰত ম্যাদ পূৰণ হোৱা ফিক্সড্ ডিপ'জিটত ৫.১০ শতাংশকৈ সুদৰ হাৰ পায়। আনহাতে, তিনিৰ পৰা পাঁচ বছৰীয়া ম্যাদৰ স্থায়ী জমাৰ ক্ষেত্ৰত সুদৰ হাৰ হৈছে ৫.৪৫ শতাংশ।

# চৰকাৰী ঋণ লাভৰ সহজ সমাধান জনসমৰ্থ প'ৰ্টেল



**প্ৰধানমন্ত্ৰী** নৰেন্দ্ৰ মোদীয়ে অলপতে জনসমৰ্থ প'ৰ্টেল নামেৰে এটা নতুন ৰাষ্ট্ৰীয় প'ৰ্টেল উদ্বোধন কৰে। কেন্দ্ৰীয় বিত্ত মন্ত্ৰণালয়ৰ এক অনুষ্ঠানত উদ্বোধন কৰা হয় এই প'ৰ্টেলটো। এই প'ৰ্টেলটোৰ জৰিয়তে চৰকাৰী ঋণৰ সকলো সুবিধা সহজতে উপলব্ধ কৰিব পাৰিব হিতাধিকাৰীসকলে। ইয়াৰ জৰিয়তে মুঠ চাৰি প্ৰকাৰৰ ঋণৰ সুবিধা লাভ কৰিব ব্যৱহাৰকাৰীসকলে। সেইকেইটা হৈছে-শিক্ষা ঋণ, কৃষি আন্তঃগাঁথনি ঋণ, ব্যৱসায়িক ঋণ আৰু ব্যক্তিগত ঋণ। অৱশ্যে প'ৰ্টেলটোৰ জৰিয়তে চৰকাৰী ঋণৰ আবেদনকাৰীসকলে প্ৰথমে নিজৰ যোগ্যতাৰ পৰীক্ষা দিব লাগিব। কেন্দ্ৰীয় চৰকাৰৰ এজন বিষয়াই জনোৱা মতে, যোগ্য বিবেচিত হ'লে চৰকাৰী প্ৰকল্পৰ হিতাধিকাৰীসকল এই প'ৰ্টেলৰ জৰিয়তে প্ৰচুৰ লাভৱান হ'ব। উল্লেখ্য যে জনসমৰ্থ প'ৰ্টেলত হিতাধিকাৰীক ঋণ প্ৰদান কৰিবলৈ মুঠ ১২৫টা ঋণদাতা সংস্থাক অন্তৰ্ভুক্ত কৰা হৈছে। এই সংস্থাসমূহে ঋণগ্ৰহীতাসকলক কে'বাটাও প্ৰশ্ন কৰিব, যাৰ শুদ্ধ উত্তৰ দিব পাৰিলেহে ঋণ লাভ কৰাৰ বাবে যোগ্য বিবেচিত হ'ব পাৰিব আবেদনকাৰীয়ে। ইফালে, অনুষ্ঠানত উপস্থিত থাকি প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে কয় যে বিগত আঠ বছৰত দেশৰ বিভিন্ন চৰকাৰী কাম-কাজ আৰু প্ৰকল্পত দেশবাসীৰ সক্ৰিয় অংশগ্ৰহণ বহু পৰিমাণে বৃদ্ধি পাইছে। একেটা অনুষ্ঠানতে তেওঁ দৃষ্টিহীন ব্যক্তিৰ ব্যৱহাৰৰ সুবিধাৰ্থে ১, ২, ৫, ১০ আৰু ২০ টকাৰ নতুন মুদ্ৰাও উদ্বোধন কৰে।

## গাড়ীৰ বজাৰত এভুমুকি

# সুৰক্ষা বৈশিষ্ট্যৰ দিশেৰে দেশীয় বজাৰৰ শ্ৰেষ্ঠ পাঁচখন গাড়ী

ভাৰতৰ গাড়ীৰ বজাৰত উন্নত সুৰক্ষা বৈশিষ্ট্যৰ গাড়ীৰ সমাদৰ সদায়েই বেছি। কৰ'নাৰ পাছৰে পৰা ভাৰতত নতুন গাড়ী মুকলিৰ ক্ষেত্ৰত কোম্পানীসমূহে বৰ বেছি খৰখেদা কৰা নাই যদিও তাৰ বিপৰীতে বিভিন্ন গাড়ী মডেলসমূহত অত্যাধুনিক সুৰক্ষা বৈশিষ্ট্যৰ সংযোজন ঘটাই কে'বাখনো মডেলৰ নতুন সংস্কৰণ বজাৰলৈ আনিছে। বৰ্তমানে ভাৰতৰ গাড়ী বজাৰত উপলব্ধ সুৰক্ষা বৈশিষ্ট্যৰ দিশেৰে শ্ৰেষ্ঠ পাঁচখন গাড়ীৰ বিষয়ে জানো আহক—

### মহিন্দ্ৰা এক্সইউভি৭০০ এছইউভি



গ্ল'বেল এনচিএপি ক্ৰেছ টেষ্টত মহিন্দ্ৰাৰ এই গাড়ীখনে ফাইভ ষ্টাৰ ৰেটিং লাভ কৰিছিল। এই এছইউভিখনত সাতটা এয়াৰবেগ, ইলেক্ট্ৰনিক ষ্টেবিলিটি প্ৰগ্ৰেম, ৩৬০ ডিগ্ৰীৰ কেমেৰা, ব্লাইণ্ড ভিউ মনিটৰিং আৰু এডভান্সড ড্ৰাইভাৰ এছিষ্টেন্স ছিষ্টেমৰ দৰে আধুনিক মানৰ সুৰক্ষা বৈশিষ্ট্য আছে। ইয়াৰ উপৰি ফ্ৰন্ট কলিছন ৱাৰ্ণিং, অট'মেটিক ইমাৰ্জেন্সি ব্ৰেকিং, লেন কিপ এছিষ্ট, লেন ডিপাৰচাৰ ৱাৰ্ণিং, স্মাৰ্ট পাইলট এছিষ্ট আদিও আছে। ইয়াৰ দাম ১৩.১৮ৰ পৰা ২৪.৫৮ লাখ টকাৰ ভিতৰত।

### টাটা অল্টোজ



গ্ল'বেল এনচিএপি ক্ৰেছ টেষ্টত টাটাৰ এই গাড়ীখনেও পাঁচ তাৰকা ৰেটিং লাভ কৰি থৈছে। তদুপৰি চাইল্ড অকুপেণ্ট প্ৰোটেকচনৰ বাবেও এই গাড়ীখনে থ্ৰী ষ্টাৰ ৰেটিং লাভ কৰিছে। এবিএছ, ট্ৰেকচন কণ্ট্ৰ'ল, চেণ্ট্ৰেল লক, ইবিডি, আইচফিক্স (চাইল্ড-চিট মাউণ্ট), দুটাকৈ এয়াৰবেগৰ দৰে বৈশিষ্ট্যসমূহ টাটা অল্টোজত উপলব্ধ। বাহনখনৰ সৰ্বোচ্চ দাম ১০.১৫ লাখ টকা।

### টাটা নেক্সন

গ্ল'বেল এনচিএপি ক্ৰেছ টেষ্টৰ ৰেটিং অনুসৰি টাটা নেক্সন হৈছে বজাৰৰ আটাইতকৈ নিৰাপদ গাড়ী। এই এছইউভিখনে প্ৰাপ্তবয়স্কৰ সুৰক্ষাৰ বাবে পাঁচ তাৰকা ৰেটিং লাভ কৰিছে। আনহাতে, শিশুৰ সুৰক্ষাৰ বাবে থ্ৰী ষ্টাৰ লাভ কৰিছে। নেক্সনত আছে ডুৱেল ফ্ৰণ্ট এয়াৰবেগ, এবিএছ ব্ৰেক আৰু আইচফিক্স এংকৰেজৰ দৰে সুৰক্ষা বৈশিষ্ট্য।



টাটা নেক্সনৰ দাম হৈছে ৭.৫৪ৰ পৰা ১৩.৯০লাখ টকা।


### মহিন্দ্ৰা এক্সইউভি ৩০০



গ্ল'বেল এনচিএপি ক্ৰেছ টেষ্টৰ ফলাফল মতে, এই বাহনখনেও ফাইভ ষ্টাৰ ৰেটিং লাভ কৰিছে। লগতে উচ্চতম পৰ্যায়ৰ নিৰাপত্তাৰ বাবে 'ছেফাৰ চয়ছ' বঁটাও লাভ কৰিছে। মহিন্দ্ৰা এক্সইউভি ৩০০ ৰ দাম হৈছে ৮.৪১ৰ পৰা ১৪.০৭ লাখ টকাৰ ভিতৰত।

### টাটা পাঞ্চ

গ্ল'বেল এনচিএপি ক্ৰেছ টেষ্টৰ ৰেটিং অনুসৰি




এতিয়া টাটা পাঞ্চ হৈছে ভাৰতৰ দ্বিতীয় সৰ্বাধিক সুৰক্ষিত গাড়ী। অল্টোজ আৰু নেক্সনৰ পাছত এই গাড়ীখনৰ বিক্ৰীও শেহতীয়াকৈ যথেষ্ট বৃদ্ধি পাইছে। গাড়ীখনৰ দাম ৫.৮৩ৰ পৰা ৯.৪৯ লাখ টকা।

# অচিৰেই দাম বাঢ়িব পাৰে ১০ টকীয়া টেট্ৰা পেকযুক্ত ফলৰ ৰসৰ

**ফ্ৰুটি**, ট্ৰপিকানা, স্লাইচ, ৰিয়েল আৰু মাজাৰ দৰে ফলৰ ৰস আৰু ছফ্ট ড্ৰিংকছ কোম্পানীসমূহে ইমানদিনে বিক্ৰী কৰি থকা ১০ টকীয়া টেট্ৰা পেক অহা মাহৰ পৰা হয়তো এতিয়াৰ দৰে সহজলভ্য হৈ নাথাকিব। অহা পহিলা জুলাইৰ পৰা দেশত নিষিদ্ধ হ'ব প্লাষ্টিকৰ চামুচ, বাটি, কাপ আৰু গিলাছ, ষ্ট্ৰ'ৰ পৰা আৰম্ভ কৰি কেৱল মাত্ৰ এবাৰ ব্যৱহাৰ কৰিব পৰা সকলো ধৰণৰ প্লাষ্টিকৰ সামগ্ৰী। ফলস্বৰূপে শীতল পানীয় প্ৰস্তুত কৰা বেছিভাগ কোম্পানীয়ে সম্প্ৰতি ১০টকীয়া পেকেটৰ দাম বৃদ্ধি অথবা এনে পেকেটৰ বিক্ৰী বন্ধ কৰাৰ পৰিকল্পনা কৰিছে। বজাৰত অচিৰেই প্লাষ্টিকৰ ষ্ট্ৰ' আদিৰ বিক্ৰী নিষিদ্ধ হ'বলৈ গৈ আছে যদিও কোম্পানীসমূহৰ হাতত ইয়াৰ কোনো উপযুক্ত বিকল্প নাই। প্লাষ্টিক ষ্ট্ৰ'ৰ বিকল্প হিচাপে কাগজৰ ষ্ট্ৰ' ব্যৱহাৰ কৰিব পাৰি যদিও ভাৰতত ইয়াৰ উৎপাদন কম বাবে কোম্পানীবোৰে ইণ্ডোনেছিয়া, চীন আৰু মালয়েছিয়াৰ পৰা আমদানি কৰিব লাগিব। যাৰ ফলত কোম্পানীসমূহৰ খৰচ বৃদ্ধি পাব। এই খৰচৰ আধিক্য কমাবলৈকে কোম্পানীসমূহে হয় '১০ টকা'ৰ ডিমাণ্ড মাৰ্কৰ ওপৰলৈ যাব লাগিব, নহয় এই পেক বন্ধ কৰিব লাগিব।

উল্লেখ্য যে পেকেজিং কোম্পানীসমূহে যাতে ঘৰুৱাভাৱে কাগজৰ ষ্ট্ৰ' নিৰ্মাণৰ বাবে উপযুক্ত আন্তঃগাঁথনি সৃষ্টি কৰিব পাৰে, তাৰ বাবে এই নিষেধাজ্ঞা অন্ততঃ ছমাহ পিছুৱাই দিবলৈ চৰকাৰক দাবী জনাইছে ফ্ৰুটি ব্ৰেণ্ডৰ স্বত্বাধিকাৰী পাৰ্লে এগ্ৰ'ই।



# আমাজনে ভৰিব লাগিব কোটি কোটি টকাৰ জৰিমনা!

**ফিউচাৰ** গ্ৰুপৰ বিৰুদ্ধে মোকৰ্দমা কৰিবলৈ গৈ সম্প্ৰতি প্ৰচুৰ চাপৰ সন্মুখীন হ'বলগীয়া হৈছে আমাজন ইণ্ডিয়া। ভাৰতীয় প্ৰতিযোগিতা আয়োগৰ নিৰ্দেশক প্ৰত্যাহ্বান জনাই আমাজনে দাখিল কৰা আবেদন নাকচ কৰিছে ৰাষ্ট্ৰীয় কোম্পানী আইন ন্যায়াধিকৰণ (National Company Law Tribunal) এ। এই নিৰ্দেশনাৰ ফলত বিখ্যাত ই-বাণিজ্যিক কোম্পানী আমাজনে ফিউচাৰ গ্ৰুপৰ বিৰুদ্ধে গোচৰ তৰিবলৈ গৈ নতুন সমস্যাত পৰিছে।

ন্যায়াধীশ এম বেনুগোপাল আৰু ন্যায়াধীশ অশোক কুমাৰ মিশ্ৰৰ নেতৃত্বত নেচনেল কোম্পানী আইন ন্যায়াধিকৰণ বা এনচিএলটিৰ এটা বিভাগীয় বিচাৰপীঠে চিচিআইৰ এই নিৰ্দেশক সমৰ্থন কৰি যোৱা সোমবাৰৰ পৰা ৪৫ দিনৰ ভিতৰত ন্যায্য বাণিজ্য নিয়ন্ত্ৰকৰ দ্বাৰা নিৰ্দেশিত ২০০ কোটি টকা জৰিমনা আদায় দিবলৈ আমাজনক নিৰ্দেশ দিয়ে। ন্যায়াধীশ এম বেনুগোপাল আৰু ন্যায়াধীশ অশোক কুমাৰ মিশ্ৰৰ দুজনীয়া বিভাগীয় বিচাৰপীঠে কয় যে 'চিচিআয়ে দিয়া নিৰ্দেশনাত এনচিএলটি সম্পূৰ্ণৰূপে একমত।'

স্মৰ্তব্য, যোৱা বছৰৰ ডিচেম্বৰতে চিচিআয়ে ২০১৯ৰ নিৰ্দেশিকা নাকচ কৰি আমাজনৰ দ্বাৰা ফিউচাৰ কুপনছ প্ৰাইভেট লিমিটেডৰ ৪৯ শতাংশ শ্বেয়াৰ অধিগ্ৰহণৰ ওপৰত স্থগিতাদেশ জাৰি কৰিছিল। এই লেনদেনৰ বাবে ক্লিয়াৰেন্স বিচৰাৰ সময়ত আমাজনে কিছু তথ্য গোপন কৰা বুলিও আদালতে কৈছিল। উক্ত কাৰণতে সেই সময়ত ২০২ কোটি টকাৰ জৰিমনা আৰোপ কৰা হৈছিল।

প্ৰসংগক্ৰমে উনুকিয়াব পাৰি, এফচিপিএল হৈছে ফিউচাৰ ৰিটেইল লিমিটেডৰ এটা শাখা। ফিউচাৰ ৰিটেইল লিমিটেডৰ মুঠ ১৯টা কোম্পানীয়ে খুচুৰা, পাইকাৰী আৰু লজিষ্টিকছৰ ব্যৱসায় কৰে। ২০২০ৰ আগষ্টত ঘোষণা কৰা ২৪,৭১৩ কোটি টকাৰ চুক্তিৰ অংশ হিচাপে এই সমূহ ৰিলায়েন্স ৰিটেইললৈ হস্তান্তৰ কৰাৰ কথা আছিল। ধনকুবেৰ মুকেশ আম্বানী নেতৃত্বাধীন ৰিলায়েন্স ইণ্ডাষ্ট্ৰীজ লিমিটেডৰ স'তে হোৱা চুক্তি যোৱা এপ্ৰিলতে বাতিল হৈছিল। উল্লেখ্য যে আমাজনৰ আবেদনৰ পৰিপ্ৰেক্ষিততে চলিত বৰ্ষৰ এপ্ৰিলত এনচিএলএটিয়ে এই গোচৰৰ শুনানি বন্ধ কৰিছিল। সকলো পক্ষই ৰেজিষ্ট্ৰিৰ হাতত সংশোধনী টোকা দাখিল কৰিছিল। শেহতীয়াকৈ যোৱা সোমবাৰে এই বিশেষ ন্যায়াধিকৰণে কনফেডাৰেছন অৱ অল ইণ্ডিয়া ট্ৰেডাৰ্ছ আৰু অল ইণ্ডিয়া কনজিউমাৰ প্ৰডাক্ট ডিষ্ট্ৰিবিউটাৰ্ছ ফেডাৰেছনে দাখিল কৰা আৰু দুখন আবেদনত স্থগিতাদেশ জাৰি কৰিছে।

দেওবৰীয়া দৈনিক অগ্ৰদূত

গুৱাহাটী, ১৯ জুন, ২০২২ দেওবাৰ পৃষ্ঠা ৭

বৰ্তমান ম'বাইল ফোন ব্যৱহাৰ জ্যেষ্ঠৰ পৰা কনিষ্ঠলৈ সকলোৰে এক অভ্যাসত পৰিণত হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবেও ম'বাইলৰ ব্যৱহাৰ বিভিন্ন শিক্ষাগত কাৰণত প্ৰয়োজনীয় অংশ হৈ পৰিছে। ম'বাইলৰ ফোন ছাত্ৰ-ছাত্ৰীৰ বন্ধু নে শত্ৰু তাকে লৈ বিভিন্নজনৰ মতামতেৰে আজিৰ এই শিতান। *শিতান যুগুতাইছে— চেমিম চুলতানা আহমেদ। সহযোগিতাত— যোগেশ ওজা, হেমেন কুমাৰ দাস, অৰূপ কলিতা, স্বপন কুমাৰ এছ, আব্দুল মালেক আহমেদ আৰু ছাহিন আহমেদ ।*

# ম'বাইল ফোন শিক্ষাৰ্থীৰ বন্ধু নে শত্ৰু

## ম'বাইল ফোনটো জ্ঞান বৰ্ধনৰ সঁজুলি হোৱা উচিত


■ **ব্ৰজেন বৈশ্য,** শিক্ষক



১৯৭৩তে মট'ৰ'লা কোম্পানীয়ে প্ৰথমে ম'বাইল ফোন উদ্ভাৱন কৰিছিল যদিও সেই ফোন প্ৰচাৰ, প্ৰসাৰ তথা সহজলভ্য নাছিল। প্ৰথম ম'বাইল ফোনটোৰ ওজন আছিল দুই কিলোগ্ৰাম। তাৰপাছত বিজ্ঞান আৰু প্ৰযুক্তিৰ দ্ৰুত উন্নতিয়ে ম'বাইল ফোনক কম ওজন, কম দাম তথা সহজলভ্য কৰি গোটেই পৃথিৱীকে জিনি পেলালে। একপ্ৰকাৰ ক'ব পাৰি ইয়াৰ উদ্ভাৱন তথা সহজলভ্যতাই ইমান ডাঙৰ পৃথিৱীখনত হাতৰ মুঠিতে লৈ আহিলে। প্ৰতিটো বস্তুৰে ভাল বেয়া দুটা দিশ আছে। ম'বাইল ফোনটোৰো ভাল-বেয়া দুটা দিশ আছে। সাধাৰণতে সৰু ল'ৰা-ছোৱালীৰ কৌতূহলী স্বভাৱটো বেছি কাৰণে তেওঁলোকে সোনকালে ম'বাইল ফোনটোক ব্যৱহাৰ কৰিবলৈ শিকি ল'ব পাৰে। প্ৰথমেই তেওঁলোকে পেট্ৰানটো চাই মনত ৰাখিব পাৰে। আমি যি সময়ত ছাত্ৰ আছিলো, সেই সময়ৰ শৈক্ষিক পৰিৱেশ এতিয়াতকৈ কিছু পৃথক আছিল। আমি অধ্যয়ন আৰু জ্ঞান লাভৰ বাবে মূলতঃ কিতাপৰ ওপৰতে নিৰ্ভৰশীল আছিলোঁ। সেয়েহে হাততে পোৱা প্ৰায় সকলো কিতাপ খৰচি মাৰি পঢ়িছিলোঁ। সেই সময়ত টেলিভিছন, ইণ্টাৰনেট, ম'বাইল ফোন নাছিল বাবে সন্ধিয়া ঘৰত আমাৰ পঢ়াৰ বাহিৰে অন্য কাম নাছিল। সেয়েহে পঢ়া-শুনাৰ বাবে অফুৰন্ত সময় পাইছিলোঁ। এতিয়া সময় সলনি হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ পঢ়া সময়খিনি হাততে পোৱা মনোৰঞ্জনৰ আহিলাসমূহে কাঢ়ি নিছে। প্ৰায়বোৰ ঘৰতে টেলিভিছন, ইণ্টাৰনেট আৰু ম'বাইল ফোনৰ পৰা আজৰি হ'লেহে অলপ সময়ৰ কাৰণে ছাত্ৰ এজন পঢ়া টেবুলত বহে। ম'বাইলত লাভ কৰা বিভিন্ন পৰ্ণ চাইটসমূহৰ জৰিয়তে যুৱ প্ৰজন্মৰ লগতে অন্য জনসাধাৰণৰ মস্তিষ্কৰ ওপৰত প্ৰভাৱ পেলাইছে। এই চাইটসমূহ যদি বন্ধ কৰা নাযায় তেনেহ'লে আহিব লগা আৰু এচাম যুৱ প্ৰজন্ম ধ্বংসৰ গৰাহলৈ আগবাঢ়ি যাব। ম'বাইল উপলব্ধ বিভিন্ন টিকটকৰ নিচিনা এপ আৰু পাবজিৰ দৰে বিভিন্ন গেমসমূহে নতুন প্ৰজন্মৰ যুৱক আৰু যুৱতীসকলক মৃত্যুৰ মুখলৈ লৈ গৈছে যাৰ ফলত এটা এটা পৰিয়াল দিশহাৰা হৈ পৰিছে। পৰৱৰ্তী সময়ত হোৱা অনলাইন শিক্ষা ফলত স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ম'বাইল অতি জনপ্ৰিয় হৈ পৰিছে। লকডাউনৰ পৰিপ্ৰেক্ষিতত অনলাইন শিক্ষা ছাত্ৰ-ছাত্ৰীসকলৰ মাজত অধিক ফলপ্ৰসূ বুলি ভবা যায় যদিও এই শিক্ষাই ছাত্ৰ-ছাত্ৰীসকলতকৈ অভিভাৱকসকলৰ ওপৰতহে অধিক চাপ দিয়া দেখা যায়। লগতে ছাত্ৰ-ছাত্ৰীসকলক ম'বাইলৰ প্ৰতি অধিক আসক্তি দেখা গৈছে। এনে ধৰণৰ শিক্ষা ব্যৱস্থাই সমাজত অধিক ফলপ্ৰসূ ৰূপ দিয়াৰ বিপৰীতে শিক্ষাৰ্থীসকলক অধিক বিশৃংখল কৰাৰহে এখন ছবি দেখা যায়। জীৱনত সফল হ'বলৈ হ'লে ছাত্ৰ অৱস্থাৰ পৰাই জ্ঞান পিপাসু হোৱাটো অতি প্ৰয়োজনীয়। যিকোনো মাধ্যমৰ পৰা জ্ঞান আহৰণ কৰাটোহে ছাত্ৰ এজনৰ মূল্য লক্ষ্য হোৱা উচিত। আধুনিক সময়ৰ টেলিভিছন, ইণ্টাৰনেট আদি মনোৰঞ্জনৰ আহিলা হিচাপে নহয়, জ্ঞান বৰ্ধনৰ সঁজুলি হিচাপে ব্যৱহাৰ কৰিব পাৰিলে এই মাধ্যমসমূহৰ পৰাও ইতিবাচক ফল লাভ কৰিব পাৰি। অধ্যয়নশীলতা আৰু জ্ঞান স্পৃহাই মনলৈ স্থিৰতা আনে আৰু ছাত্ৰ এজনক নিজৰ ভাললগা বিষয় এটা নিৰ্বাচন কৰাত সহায় কৰে। ভাললগা বিষয়টোকে জীৱনৰ লক্ষ্য কৰি ল'ব পাৰিলে জীৱনটোৱেই আনন্দদায়ক হৈ পৰে।

## ছাত্ৰ-ছাত্ৰীৰ স্বকীয় গুণৰ বিকাশত বাধা দিছে


■ **মেহজেবিন নেছা,** শিক্ষক



**আধুনিক** যুগৰ অপৰিহাৰ্য আহিলাসমূহৰ ভিতৰত ম'বাইল ফোন সৰ্বাধিক গুৰুত্বপূৰ্ণ । যোগাযোগ ব্যৱস্থাৰ আটাইতকৈ যুগান্তকাৰী উদ্ভাৱনেই হৈছে এই ম'বাইল ফোন। যিকোনো প্ৰযুক্তিৰে সু-প্ৰভাৱ আৰু কু-প্ৰভাৱ থাকে। সেইদৰে ম'বাইল ফোনৰো উপকাৰিতা-অপকাৰিতা দুয়োটাই থকাটো স্বাভাৱিক। ম'বাইল ফোনে সমাজত কেতবোৰ সু-প্ৰভাৱ পেলাইছে। যেনে ম'বাইল ফোনে যোগাযোগ ব্যৱস্থা দ্ৰুততৰ কৰি তুলিছে। তেনেকৈ ম'বাইল ফোনে কেতবোৰ কু-প্ৰভাৱো সমাজলৈ ঠেলি দিছে। ম'বাইল ফোনে কঢ়িয়াই অনা কু-প্ৰভাৱৰ ফল হ'ল বৰ্তমানৰ প্ৰজন্মৰ সৃজন ক্ষমতা হাস পোৱাটো। তেওঁলোকে নিজস্ব অনুভূতিক কাগজ-কলমৰ মাধ্যমেৰে প্ৰকাশ নকৰে, বৰং যান্ত্ৰিকভাৱে যথাসম্ভৱ চুটিকৈ এছএমএছ, এমএমএছ আদিৰেহে প্ৰকাশ কৰে। আধুনিক প্ৰযুক্তিবিদ্যাৰ অভাৱনীয় আৱিষ্কাৰ ম'বাইল ফোনে যিমানে সভ্যতাক দ্ৰুতগতিত আগুৱাই নিব বিচাৰিছে, সিমানেই স্কুলীয়া ছাত্ৰ-ছাত্ৰীসকলৰ স্বকীয় গুণৰ বিকাশত বাধাও দিছে।

## ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীৰ পৰম বন্ধু


■ **ৰেশমা বেগম,** ছাত্ৰী



**বৰ্তমান** সময়ত ম'বাইল ফোন বৰ জনপ্ৰিয় গণমাধ্যম। ম'বাইল ছাত্ৰ-ছাত্ৰীৰ পৰম বন্ধু। এই কথাষাৰ মোৰ বাবে এশ শতাংশই শুদ্ধ। কিয়নো ম'বাইল ফোনত সংযোগ হোৱা ইণ্টাৰনেটৰ সহায়ত ঘৰত বহিয়েই সকলো তথ্য আহৰণ কৰিব পাৰো। বৰ্তমান সময়ত ম'বাইল শিক্ষক শ্ৰেণীকোঠাৰ পাঠদান আৰু ছাত্ৰ-ছাত্ৰী এটাৰ মুদ্ৰাৰ ইপিঠি- সিপিঠিৰ দৰে। ম'বাইলৰ জৰিয়তে পাঠদান পৰীক্ষা আদিও পাতিব পাৰি। ম'বাইলে ছাত্ৰ-ছাত্ৰীক পঢ়াশুনাৰ জ্ঞান দিয়াৰ লগতে অনানুষ্ঠানিক শিক্ষাৰো জ্ঞান দিয়ে। কোনো এটা বস্তু বনাব লগা হ'লে ম'বাইল আপলোড হৈ থকা ভিডিঅ' চায়ে অতি সহজভাৱে বনাব পৰা যায়। ইয়াৰ উপৰি ম'বাইলৰ জৰিয়তে কিতাপ পঢ়িব পাৰি, চিনেমা চাব পাৰি, গান শুনিব পাৰি, মহৎলোকৰ জীৱনী, বিভিন্ন ঐতিহ্যপূৰ্ণ ঠাই, বুৰঞ্জীৰ থকা ৰজা মহাৰজাৰ বিষয়ে জানিব পাৰো। ম'বাইলত সংযোগ হৈ থকা হোৱাটছএপৰ দ্বাৰাও আমি মনৰ ভাব, বাতৰি লিখনি আদি আদান-প্ৰদান কৰিব পাৰো। সকলোৰে ভাল-বেয়া দুয়োটা গুণেই আছে। কিন্তু ভালটো বাচি ল'ব পৰাটোহে বৰ ডাঙৰ কথা। সেয়েহে মোৰ বোধেৰে ম'বাইল বৰ্তমান সময়ত ছাত্ৰ-ছাত্ৰীৰ পৰম বন্ধু।

## ম'বাইল ফোনৰ ব্যৱহাৰৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ লাভালাভ নিৰ্ভৰ কৰে

■ **জিতেন বৰকটকী,** জ্যেষ্ঠ সাংবাদিক



**বন্ধু** আৰু শত্ৰু এই দুয়োটা শব্দই কিৰীতৰ্ম্মী। বন্ধুৰ গুণৰাজি যোগাত্মক হোৱাৰ বিপৰীতে শত্ৰুৰ ধাৰণাটোৱেই হৈছে ঋণাত্মক। মানুহৰ সমষ্টিৰে সৃষ্ট সমাজ এখনত এজন যদি কাৰোবাৰ বন্ধু হয়, আনজন আকৌ কাৰোবাৰ শত্ৰু। কেতিয়াবা এজন মানুহ কাৰোবাৰ বন্ধু হ'লেও একেজন মানুহেই আকৌ আন কাৰোবাৰ শত্ৰু হৈ পৰে। অৰ্থাৎ এজন মানুহৰ মাজত ভাল-বেয়া দুয়োটা গুণেই থাকে। একেদৰে 'ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীৰ বন্ধু নে শত্ৰু' এই প্ৰশ্নৰ পোনপটীয়া উত্তৰ দিয়াটো কঠিন। কাৰণ ম'বাইল ফোনৰ ব্যৱহাৰৰ ওপৰত মিত্ৰতা আৰু শত্ৰুতা কথাষাৰ নিৰ্ভৰ কৰে। অৰ্থাৎ 'বিজ্ঞান মানুহৰ বাবে আশীৰ্বাদ নে অভিশাপ' কথাষাৰৰ দৰে। সাম্প্ৰতিক সময়ত মানুহক তথ্য, যোগাযোগ, বিজ্ঞাপন বাণিজ্য, মনোৰঞ্জন আদিকে ধৰি বিভিন্ন বিষয়ত ব্যস্ত কৰি ৰখা বস্তু বিধেই হৈছে ম'বাইল ফোন। ম'বাইল ফোন মানুহৰ অতীৱ আৱশ্যকীয় বস্তু হৈ পৰিছে। ম'বাইল ফোনটো হাতত নথকা মানে সংযোগ সকলো ফলাৰ পৰাই বিচ্ছিন্ন হৈ পৰাৰ দৰে। মানুহৰ দৈনন্দিন জীৱনত প্ৰতিটো খোজতে ম'বাইলৰ ব্যৱহাৰ হৈ আহিছে। আনকি শিক্ষা ক্ষেত্ৰখনতো ম'বাইল ফোনে আধিপত্য বিস্তাৰ কৰা পৰিলক্ষিত হৈছে। বিশেষকৈ ক'ভিড সৃষ্ট জটিল ক্ষণত ম'বাইল ফোনৰ জৰিয়তে অনলাইন ক্লাছৰ যোগেদি ছাত্ৰ-ছাত্ৰীয়ে শিক্ষা গ্ৰহণ কৰিব লগাত পৰে। এই সময়ছোৱাত প্ৰাথমিক পৰ্যায়ৰ পৰা আৰম্ভ কৰি বিশ্ববিদ্যালয় পৰ্যন্ত সকলো শ্ৰেণীৰ শিক্ষাৰ্থীয়ে ম'বাইল ফোনৰ জৰিয়তে অন লাইন ক্লাছৰ দ্বাৰা জ্ঞান আহৰণ কৰে। আনকি বহু পৰীক্ষা অনলাইনত অনুষ্ঠিত হৈছিল। সেই সময়ত অভিভাৱকসকলে ছাত্ৰ-ছাত্ৰীৰ হাতত স্মাৰ্ট ফোন তুলি দিবলৈ বাধ্য হৈ পৰে। নিজৰ সন্তানৰ বাবে এটা স্মাৰ্ট ফোন যোগাৰ কৰি দিব নোৱাৰা অভিভাৱক হতাশাত ভোগাৰ বহু উদাহৰণ আছে। সেই সময়ত 'ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধু নে শত্ৰু' এই কথাৰ বিচাৰ কৰি চোৱাৰ উপায় নাছিল। কাৰণ ক'ভিড কালত শিক্ষাৰ্থীৰ বাবে ম'বাইল ফোনটো জ্ঞান আহৰণৰ একমাত্ৰ অৱলম্বন হৈ পৰা দেখা গৈছিল। শৈক্ষিক দৃষ্টিকোণেৰে ম'বাইল ফোন ব্যৱহাৰ কৰি জ্ঞান আহৰণ কৰা ছাত্ৰ-ছাত্ৰীসকলৰ বাবে এই যন্ত্ৰবিধ মিত্ৰ হৈ পৰে। ইয়াৰ বিপৰীতে পাঠ্যক্ৰমৰ জ্ঞান আহৰণৰ প্ৰতি পিঠি দি মিথ্যাচাৰৰ আশ্ৰয় লৈ একাংশ শিক্ষাৰ্থীয়ে ম'বাইলত পাবজি, ফ্ৰী ফায়াৰ আদি গেমত অধিক ব্যস্ত হৈ পৰে। আন একাংশই আকৌ ছ'চিয়েল মিডিয়াত ফেচবুক, টিকটক আদিত অধিক সময় ব্যয় কৰা দেখা যায়। এইসকল ছাত্ৰ-ছাত্ৰীৰ বাবে ম'বাইল ফোনটো ক্ষতিকাৰক বস্তু হৈ পৰে। তেওঁলোকৰ বাবে ম'বাইল ফোন শত্ৰুৰ দৰে। এনে ধৰণৰ দৃষ্টিভংগীৰে চাবলৈ গ'লে ম'বাইল ফোনৰ ব্যৱহাৰৰ ওপৰত ছাত্ৰ-ছাত্ৰীৰ লাভালাভ নিৰ্ভৰ কৰে। আনকি গ্ৰন্থ এখন নিৰ্বাচন কৰোতেও ভাল-বেয়া চাইহে পঢ়ুৱৈয়ে পছন্দ কৰে। ভাল গ্ৰন্থ এখনে ভাল জ্ঞান দিয়াৰ বিপৰীতে অশ্লীল বিষয় বস্তুৰে পৰিপূৰ্ণ গ্ৰন্থ এখনে পঢ়ুৱৈৰ মানসিকতাত কু-প্ৰভাৱ পেলাব পাৰে। ভাল কামৰ ভাল ফল আৰু বেয়া কামৰ বেয়া ফলৰ দৰে। গুৰুত্বপূৰ্ণ কথাটো হৈছে যে আধুনিক প্ৰযুক্তিৰ সময়ত ম'বাইল ফোন ব্যৱহাৰ কৰিব নজনাটো পিছপৰি থকাৰ দৰে। সেয়ে ছাত্ৰ-ছাত্ৰীয়ে নিজক বুজি যোগাত্মক দৃষ্টিৰে ম'বাইল ফোন ব্যৱহাৰ কৰিব লাগে।

## ছাত্ৰ-ছাত্ৰীক পৰাপক্ষত ম'বাইলৰ পৰা দূৰত ৰখাই ভাল

■ **দুলুমণি বড়া,** সমাজকৰ্মী



প্ৰতিটো বস্তুৰে ব্যৱহাৰৰ ওপৰতেই নিৰ্ভৰ কৰে সেই বস্তুটোৰ ভাল আৰু বেয়া দিশটো। বৰ্তমান দুনিয়া হাতৰ মুঠিত কৰা ম'বাইলৰ ক্ষেত্ৰতো একেটা কথাই প্ৰযোজ্য। ক'ভিডৰ সময়ছোৱাত বিদ্যালয়সমূহ বন্ধ হৈ যোৱাত বহু ছাত্ৰ-ছাত্ৰীৰ হাতলৈ ম'বাইল আহিল। ছাত্ৰ-ছাত্ৰী বুলি কওতে আনকি ১০ বছৰৰ তলৰ শিশুৰ হাতটো অনলাইন ক্লাছৰ নামত ম'বাইল অহাটো সেই সময়ৰ বিকল্পহীন এক ব্যৱস্থা যেন লাগিলেও প্ৰকৃততে সেয়া শিশুৰ শাৰীৰিক-মানসিক কাৰণতে গ্ৰহণযোগ্য নহয়। ব্যক্তিগতভাৱে মই মেট্ৰিক দিয়ালৈকে ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ফোন ব্যৱহাৰ কৰাতো একেবাৰেই পছন্দ নকৰো। ইতিমধ্যে মনোৰোগ বিশেষজ্ঞসকলে লিখিছে যে ম'বাইলে বহু ছাত্ৰ-ছাত্ৰীৰ ওপৰত নেতিবাচক প্ৰভাৱ পেলাইছে। মাজতে পাবজিৰ দৰে ম'বাইলত খেলিব পৰা খেলে কেনে ধৰণৰ বিপজ্জনক পৰিস্থিতিৰ উদ্ভৱ কৰিছিল সেয়া আমি সকলোৱেই দেখা-শুনা কথা। ম'বাইলত সকলো বিষয়েই থাকে। ভাল-বেয়া এইবোৰ বিষয় বহুসময়ত প্ৰাপ্তবয়স্ক, বৃদ্ধয়েই চালি-জাৰি চোৱাৰ পৰা দূৰত থাকি নিজকে সম্বৰণ কৰিব নোৱাৰে। এনে বহু ম'বাইলকেন্দ্ৰিক নেতিবাচক ঘটনাৰ বিষয়ে আমি দৈনিক শুনি আহিছো। তেনে ক্ষেত্ৰত একোজন কুমলীয়া বয়সৰ ছাত্ৰ-ছাত্ৰী ম'বাইলৰ বেয়া প্ৰভাৱৰ অধীন হ'বলৈ কিমানপৰ? এতিয়া ম'বাইল শিশুৰ হাতত এৰি দি বহু অভিভাৱক ব্যক্তিগত কামত ব্যস্ত হৈ পৰা দেখা যায়। তেনে ক্ষেত্ৰত বহু শিশু কেৱল ম'বাইলৰে সংগী হৈ পৰে আৰু পৰিণতিত ক্ৰমান্বয়ে তেনে শিশু, ছাত্ৰ-ছাত্ৰী একাকী হৈ পৰা আৰু তেওঁলোকে মানুহৰ সংগ ভাল নোপোৱা হৈ পৰে। এনে বহু ছাত্ৰ-ছাত্ৰীৰ ব্যৱহাৰো অতি বেয়া হোৱা লক্ষ্য কৰিছো। বহু অভিভাৱকে প্ৰথমে কথাবোৰ মানে সন্তানৰ ম'বাইল প্ৰীতি লুকুৱাবলৈ চেষ্টা চলাই যিটো আৰু বিপজ্জনক হয়। সেয়ে মই ভাবো ছাত্ৰ-ছাত্ৰীক পৰাপক্ষত ম'বাইলৰ পৰা দূৰত ৰাখি অভিভাৱকে দায়িত্ব সহকাৰে তেওঁলোকৰ সন্তানক প্ৰাকৃতিকভাৱেই বিকাশৰ সুযোগ-সুবিধা কৰি দিয়া উচিত।

## ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধুনে শত্ৰু?

■ **ময়দান আলী আহমেদ,** সহঃ শিক্ষক



**পূৰ্বে** চিঠিপত্ৰয়েই আছিল মানুহৰ যোগাযোগৰ উত্তম সামাজিক মাধ্যম। চৰকাৰী কাৰ্যালয় নাইবা উচ্চ পৰ্যায়ৰ ব্যৱসায়িক সংস্থাবোৰেহে টেলিফোনৰ ব্যৱহাৰ কৰিছিল। আধুনিক প্ৰযুক্তিবিদ্যাৰ ব্যাপক উন্নতি সাধনত টেলিফোনৰ পৰা অত্যাধুনিক ম'বাইল ফোনৰ আৱিষ্কাৰ হোৱাত দেশৰ বা বিদেশৰ লগত যোগাযোগ অতি সহজ সাধ্য হৈ পৰে । সিয়ো কেৱল মাত্ৰ ধনিক শ্ৰেণী বা চৌখিন লোকৰ বাবে ম'বাইল ফোনৰ গুৰুত্ব বাঢ়ে। যদিও ভাৰতবৰ্ষত ম'বাইল ফোন ২০০০ৰ পৰা প্ৰচলিত আছিল, সেই অনুপাতে অসমত ম'বাইল ফোন প্ৰৱেশ কৰা নাছিল। ২০০৫ৰ পৰাহে অসমত ম'বাইল ফোন পদাৰ্পণ কৰিলে। তেতিয়াৰ পৰা আজি পৰ্যন্ত ম'বাইল ফোনে গোটেই বিশ্ব দখল কৰি লৈছে। ৰেডিও, বোলছবি, টেলিভিছনেও ম'বাইল স'তে ফেৰ মাৰিব নোৱাৰিলে। এনেকুৱা এটা যান্ত্ৰিক বেমাৰে মানুহক আগুৰি ধৰিলে। প্ৰসূতি গৰ্ভস্থ দেৱশিশুৰ পৰা অন্তিম যাত্ৰাৰ পথিকজনেও এবাৰ ম'বাইল চোৱাৰ হাবিয়াসেৰে যমৰাজক শেষ মিনতি কৰে । ই জাগতিক এক বৃহৎ প্ৰশ্ন। যেতিয়া মানুহ এজনে নিজৰ পিছফালটো দেখা নাপায়, চাকি এটাৰ পাছফাল অন্ধকাৰ, দিনত প্ৰখৰ সূৰ্যৰ পোহৰ, সূৰ্যয়ো ৰাতিৰ এন্ধাৰৰ আগত হাৰ মানে। তেনে ক্ষেত্ৰত মানুহৰে নিজ হাতে সৃষ্টি ম'বাইলৰ পিছফালে কভাৰ থকাৰ দৰে তাৰো বেয়াগুণ থকাটো তেনেই স্বাভাৱিক। কোনো মানুহেই পূৰ্ণাংগ কেতিয়াও হ'ব নোৱাৰে । তেনেক্ষেত্ৰত দেৱশিশুৰ পৰা আৰম্ভ কৰি ছাত্ৰ-ছাত্ৰী ম'বাইলৰ প্ৰতি আকৰ্ষিত হোৱা তেনেই স্বাভাৱিক। টকাৰ সদ্ব্যৱহাৰ, সময়ৰ মূল্য আৰু কিছু হ'লেও পাৰিবাৰিক সংস্কাৰে জীৱনৰ স্বাভাৱিকতাকে সূচায়। তাত চৰিত্ৰও প্ৰতিফলিত হয়। ম'বাইল ফোনৰ গুণাগুণ কোনো দিশেই কম নহয় । মাত্ৰ তাৰ যাতে অসৎ ব্যৱহাৰ নহয় তাৰ প্ৰতি অভিভাৱকে নজৰ ৰখাটো নিতান্তই জৰুৰী। কাৰণ ছাত্ৰ-ছাত্ৰীৰ এই বয়সে অন্যদিশে ফালৰি কাটিব পাৰে। আমি আজি সতৰ্ক হোৱা উচিত হ'ব যে ছাত্ৰ-ছাত্ৰীৰ প্ৰতিভা বিকাশত যাতে বিঘিনি নঘটে। শত্ৰু এজনক শত্ৰু হিচাপে নেদেখি মিত্ৰতা ভাৱাপন্ন মিত্ৰ হিচাপে গণ্য কৰিব পাৰিলেই আমি আপাততঃ জয়ী বুলি ক'ব পাৰিম। আঁকোৰগোঁজ মনোভাৱেৰে নৱপ্ৰজন্মৰ সৃষ্টিশীলতাক দূৰৈত ঠেলি পঠিয়াব নালাগে। বহুতৰে প্ৰশ্ন আহিব বৰ্তমানৰ নৱপ্ৰজন্ম বিপথে গতি কৰিছে। তেনে ক্ষেত্ৰত আমি ছাত্ৰ-ছাত্ৰীক সুপথে পৰিচালিত হোৱাৰ পথ প্ৰদৰ্শক হ'ব পাৰিলেহে আমাৰ কৰ্মৰ সাৰ্থকতা প্ৰতিপন্ন হ'ব।

## ছাত্ৰ-ছাত্ৰীৰ চৰম শত্ৰু, বন্ধু নহয়

■ **লতা পুৰকায়স্থ,** অভিভাৱক

**ম'বাইল** ফোন ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধু নহয় চৰম শত্ৰুৰ ভূমিকা লোৱা বুলি মই অনুভৱ কৰো। বিশেষকৈ কোমল মনৰ ছাত্ৰ-ছাত্ৰীৰ হাতত ম'বাইল ফোন অহাৰ পাছত তেওঁলোকৰ কৈশোৰ আৰু শৈশব হেৰাই যাবলৈ ধৰিছে। ম'বাইলত থকা বিভিন্ন গেম তথা আমোদজনক বিষয়ৰ প্ৰতি আকৃষ্ট হৈ স্কুলৰ ছাত্ৰ-ছাত্ৰীসকলৰ শৈশৱৰ উজ্জ্বলতা হেৰাই গৈ আছে। ফলত শৈশৱৰ উন্মাদনা নাই। সৰুতেই অকালপক্ক হৈ পৰাত ম'বাইল ফোনে মুখ্য ভূমিকা লৈছে বুলি মই ভাবো। কিন্তু বাকী সময়খিনিত ম'বাইল ফোনত ল'ৰা-ছোৱালীয়ে কি দেখে সেয়া অভিভাৱকসকলে নজৰ দিব লাগিব। কিন্তু ম'বাইলৰ প্ৰতি আকৰ্ষিত হৈ পৰা ল'ৰা-ছোৱালীৰ হাতৰ পৰা ম'বাইলটো লোৱাটো কেতিয়াবা অসম্ভৱ হৈ পৰে। হাতৰ পৰা ম'বাইল কাঢ়ি নিয়াৰ ফলত আত্মহত্যা কৰাৰ উদাহৰণো আছে। ম'বাইল ফোন অতিৰিক্ত ব্যৱহাৰ কৰাৰ ফলত ল'ৰা-ছোৱালীসকল খেল-ধেমালিৰ প্ৰতি অনাগ্ৰহী হৈ পৰিছে। ম'বাইল ফোনত আজিকালি এনেকুৱা এপছ আছে আৰু সেই এপছসমূহ সহজেই উপলব্ধ হয় যিবোৰ অপ্ৰাপ্তবয়স্ক ল'ৰা-ছোৱালীৰ বাবে মাৰাত্মক বিৰূপ প্ৰভাৱ পৰিছে। পখিলা খেদা বয়সত ম'বাইল ফোনটো হাতত পৰাত শিশুসুলভ মানসিকতা তেওঁলোকৰ মাজৰ পৰা হেৰাই যাবলৈ ধৰিছে। বৰ্তমানে ম'বাইল ফোন অবিহনে চলাটো অসম্ভৱ কিন্তু অপ্ৰাপ্তবয়স্ক সকলৰ হাতত ম'বাইল আহি পৰাত ম'বাইল ফোন তেওঁলোকৰ বাবে অভিশাপ হৈ পৰিছে। স্কুলীয়া ছাত্ৰ-ছাত্ৰীৰ হাতত ম'বাইল দিলে ম'বাইল তেওঁলোকৰ বাবে শত্ৰু বুলি মই আকৌ এবাৰ মোৰ মতামত প্ৰকাশ কৰিলো।

## শতাংশ হিচাপত বন্ধুতকৈ শত্ৰুহে বেছি

■ **বিশ্বনাথ পণ্ডিত,** শিক্ষক



প্ৰত্যেকটো বস্তুৰে ভাল আৰু বেয়া দুটা দিশ থাকে। যিয়ে যি ধৰণে ম'বাইল ফোনটো ব্যৱহাৰ কৰিছে সেই হিচাপতেই ম'বাইল ফোনটো বন্ধু বা শত্ৰু হিচাপে পৰিগণিত হ'ব। ম'বাইল ফোনটো যদি ভাল কামত ব্যৱহাৰ কৰা হৈছে তেন্তে সেয়া হ'ব তেওঁৰ বাবে বন্ধু আৰু যদি ম'বাইল ফোনটো বেয়া কামত ব্যৱহাৰ কৰা হয় তেন্তে সেয়া হ'ব তেওঁৰ বাবে শত্ৰু।

বৰ্তমান সময়ত ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীৰ পৰা আৰম্ভ কৰি ডেকা, বুঢ়ালৈকে দৈনন্দিন জীৱনৰ এক এৰাব নোৱাৰা অংগত পৰিণত হৈছে। নিত্য নতুন অত্যাধুনিক সুবিধাৰে উপলব্ধ ম'বাইল ফোনে অতি সহজেই শিশুৰ পৰা বৃদ্ধলৈকে সকলোকে আকৰ্ষণ কৰিব পাৰে। এই ক্ষুদ্ৰ যন্ত্ৰবিধে ছাত্ৰ-ছাত্ৰীৰ দৈনন্দিন জীৱনৰ বহুতো দৰকাৰী কাম অতি কম সময়ৰ ভিতৰতে সম্পন্ন কৰাৰ লগতে শ্ৰমো লাঘৱ কৰে। সেই ফালৰ পৰা আমি ম'বাইল ফোনৰ অৱদানক কোনোপধ্যেই শত্ৰু বুলি গণ্য কৰিব নোৱাৰি। কিন্তু ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত সংযত আৰু সচেতন নোহোৱাৰ ফলত ম'বাইল ফোন আমাৰ বাবে বিভিন্ন সময়ত ক্ষতিকাৰক হৈ আহিছে। যাৰ ফলত ম'বাইল ফোনক কেতিয়াবা কেতিয়াবা ছাত্ৰ-ছাত্ৰীৰ বাবে পৰম শত্ৰু বুলিও ভবা হয়। বিশেষকৈ কম বয়সীয়া সৰু সৰু ল'ৰা-ছোৱালী ম'বাইল ফোনৰ প্ৰতি গভীৰ বাবে আসক্ত হৈ পৰাটো শিক্ষক আৰু অভিভাৱক সমাজৰ বাবে অতি চিন্তনীয় কথা হৈ পৰিছে।

উল্লেখ্য যে কৰ'না মহামাৰীৰ বাবে শিক্ষা অনুষ্ঠানবোৰ কে'বামাহ ধৰি বন্ধ হৈ থকাৰ সময়ত পাঠদান বন্ধ হৈ থকাত বিকল্প ব্যৱস্থা হিচাপে ম'বাইল ফোনৰ জৰিয়তে online পাঠদানৰ ব্যৱস্থা কৰা হৈছিল। সেইফালৰ পৰা দেখা গৈছিল যে ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীৰ বাবে বন্ধু হিচাবে পৰিগণিত হৈছিল। সৰু সৰু ছাত্ৰ-ছাত্ৰীৰ বাবে ম'বাইল ফোন শতাংশ হিচাপত বন্ধুতকৈ শত্ৰুহে বেছি। অত্যধিক হাৰত ম'বাইল ফোনৰ ব্যৱহাৰে ছাত্ৰ-ছাত্ৰীৰ শাৰীৰিক আৰু মানসিক দিশত যে বিৰূপ প্ৰভাৱ পেলাব সেই কথা ইতিমধ্যে স্বাস্থ্য বিশেষজ্ঞসকলে অধিক সতৰ্ক কৰি দিছে।

## অভিভাৱকসকলে তীক্ষ্ণ দৃষ্টি দিয়া উচিত

■ **ৰিজাজুল ৰহমান,** শিক্ষক



বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ যুগত এক অন্যতম শ্ৰেষ্ঠ আৱিষ্কাৰেই হ'ল ম'বাইল ফোন। ম'বাইল ফোনৰ আৱিষ্কাৰে পৃথিৱীখনক নিচেই সহজ সৰল কৰি তুলিছে। ক্ৰমান্বয়ে ৰূপ লোৱা আজিৰ এই স্মাৰ্ট ফোনবোৰে আমাক অধিক উপকৃত কৰি তুলিছে। সকলো বস্তুৰে দুটা দিশ থাকে এটা হ'ল ইয়াৰ সুপ্ৰভাৱ অৰ্থাৎ ইতিবাচক দিশ আনটো হ'ল তাৰ কুপ্ৰভাৱ অৰ্থাৎ নেতিবাচক দিশ। সেয়েহে আমি জীৱশ্ৰেষ্ঠ 'মানুহ' হিচাপে ইয়াৰ ইতিবাচক দিশটোৰ ওপৰত গুৰুত্ব দিয়া উচিত। ইফালে, আজিৰ ছাত্ৰ-ছাত্ৰীসকল যিহেতু কালিৰ দেশৰ সুনাগৰিক, গতিকে শিক্ষিত মানুহৰূপে তেওঁ লোকে ম'বাইলৰ ধনাত্মক দিশৰ ওপৰত গুৰুত্ব দিলে লাভবান হোৱাটো খাটাং। স্মাৰ্ট ফোনৰ যোগেদি ছাত্ৰ-ছাত্ৰীসকলে শৈক্ষিক দিশত গুগল, হোৱাটছএপ, ফেচবুক, ইউটিউব আদি বিভিন্ন শিক্ষাৰ লগত জড়িত এপসমূহ ব্যৱহাৰ কৰি লাভান্বিত হোৱা পৰিলক্ষিত হৈছে। অৱশ্যে ম'বাইল 'স্মাৰ্ট'ফোনৰ অপব্যৱহাৰৰ ফলত ফ্ৰি ফায়াৰ, পাব জি, বেটেল গ্ৰাউনৰ লেখীয়া বিভিন্ন অনলাইন গেম বা বিভিন্ন এপৰ 'ঋণাত্মক' ব্যৱহাৰ কৰি নিজৰ জীৱনটো ধ্বংসৰ গৰাহত পৰাৰ কথাও নুই কৰিব নোৱাৰি। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলে বিগত কৰ'না মহামাৰীৰ বিভীষিকাৰ সময়ত ম'বাইলৰ যোগেদি অনলাইন ক্লাছ কৰি তেওঁলোকে লাভবান হৈছিল যদিও কিছু কিছু ছাত্ৰ-ছাত্ৰীয়ে বৰ্তমান সময়তো ম'বাইল অবিহনে থাকিব নোৱাৰে অৰ্থাৎ ম'বাইল মেনিয়াত পৰিণত হৈছে। গতিকে মোৰ বোধেৰে ম'বাইলৰ সদ্ব্যৱহাৰৰ ক্ষেত্ৰত অভিভাৱকসকলে তীক্ষ্ণ নজৰ দিয়া উচিত। তেওঁলোকক এই মেনিয়াৰ পৰা লাহে লাহে পূৰ্বৰ সাধাৰণ অৱস্থালৈ আনিব পাৰিলে ক্ষতি হোৱাৰ আশংকা কম থাকিব। সেয়েহে মোৰ ক্ষুদ্ৰ জ্ঞানে ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে বন্ধু বা আশীৰ্বাদ স্বৰূপেই গ্ৰহণ কৰিম কেৱল ইয়াৰ ব্যৱহাৰৰ ক্ষেত্ৰত আমি জ্যেষ্ঠসকলে সুদৃষ্টি দিয়াটো বাঞ্ছনীয়।

## অসুস্থ-কৰ্মবিমূখ হৈ পৰাৰ উপৰি আত্মীয়-স্বজনৰ লগত সম্পৰ্ক বিচ্ছেদ ঘটিছে

■ **ৰফিকুল ইছলাম**



**আৰম্ভণি :** ম'বাইল ফোন হ'ল বৰ্তমান যুগৰ দৈনন্দিন জীৱনৰ এটা গুৰুত্বপূৰ্ণ আহিলাই দূৰসংযোগৰ বাবে ব্যৱহৃত এক সঁজুলি। ১৯৭৩ত ড° মাৰ্টিন কুপাৰ আৰু জন এক মিটচেলে বিশ্বৰ প্ৰথম ম'ট'ৰ'লা কোম্পানীয়ে উদ্ভাৱন কৰিছিল। ড° মাৰ্টিন কুপাৰক চেলফোনৰ পিতৃ আখ্যা দিয়া হয়।

**ম'বাইল ফোনৰ উপকাৰিতা :** বৰ্তমান যুগত ম'বাইল ফোনৰ বহুল প্ৰসাৰ তথা উপযোগিতাৰ কথা কোনেও নুই কৰিব নোৱাৰে। কিয়নো ইয়াৰ যথেষ্ট উপকাৰী দিশ আছে। পৃথিৱীৰ যিকোনো ঠাইত বাসকৰা লোকৰ মাজত ক্ষন্তেকতে যোগাযোগ সম্ভৱ হৈ উঠিছে। ইন্টাৰনেট সংযোগ কৰি ম'বাইলৰ দ্বাৰা ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন বিষয়ত তথ্য আৰু জ্ঞান সহজে পাবলৈ সক্ষম হৈছে। ম'বাইল ফোনৰ জৰিয়তে ছাত্ৰ-ছাত্ৰীসকলে ভ্ৰমণৰ ক্ষেত্ৰৰ Location, ই-বেংকিংৰ, বয়-বস্তু, ক্ৰয়, টিকট সংগ্ৰহ, আত্মীয়-স্বজনৰ লগত বাৰ্তালাপ আদি কৰি বহুমূলীয়া সময় অপব্যয়ৰ পৰা ৰক্ষা কৰিবলৈ সক্ষম হৈ পৰিছে ।

**ম'বাইল ফোনৰ অপকাৰিতা :** ম'বাইল ফোনৰ উপকাৰিতাৰ দিশবোৰৰ সমান্তৰালভাৱে বহুতো অপকাৰিতাৰ দিশো আছে। বহুতো ছাত্ৰ-ছাত্ৰীয়ে ম'বাইল ফোনৰ সৎ আৰু সঠিক ব্যৱহাৰ নকৰি ফেচবুক-হোৱাটছএপ আদি ব্যৱহাৰ কৰাৰ উপৰি গেম খেলি বহুমূলীয়া সময় নষ্ট কৰাৰ ফলত জীৱনৰ মূল কৰ্তব্যৰ পৰা আঁতৰি গৈছে আৰু অধ্যয়ন বিমুখ হৈ পৰিছে। ম'বাইল ফোনৰ প্ৰতি আগ্ৰহৰ আসক্তি বাঢ়ি অহাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ অসুস্থ আৰু কৰ্মবিমূখ হৈ পৰাৰ উপৰি আত্মীয়-স্বজনৰ লগত সম্পৰ্ক বিচ্ছেদ ঘটি আছে।

**সামৰণি :** পৃথিৱীৰ প্ৰতিটো ভৌতিক বস্তুৰে ভাল আৰু বেয়া দুয়োটা দিশ আছে। ম'বাইল ফোনৰ ক্ষেত্ৰতো দুয়োটা দিশ আছে। এইখিনিতে ক'ব পাৰি যে ব্যৱহাৰ কৰাসকলে এই কথা উপলব্ধি কৰি ভাল দিশবোৰ গ্ৰহণ কৰিব লাগে। ম'বাইল ফোন এক অত্যাধুনিক যন্ত্ৰ যাৰ উচিত ব্যৱহাৰে যিকোনো ব্যক্তি বা ছাত্ৰ-ছাত্ৰীৰ ম'বাইল ফোনে বহুত উপকৃত কৰিব পাৰে। সেয়ে ইয়াৰ উচিত বিবেচনাৰে ব্যৱহাৰ কৰা দৰকাৰ।

## শাৰীৰিক-মানসিক দিশত প্ৰভাৱ পৰিছে

■ **পম্পী মিশ্ৰ শৰ্মা,** শিক্ষয়িত্ৰী



**সকলো** বস্তুৰে ভাল-বেয়া দুয়োটা দিশেই থাকে। বৰ্তমান ম'বাইলৰ বহল ব্যৱহাৰে সমাজ জীৱনত এনেকৈ ব্যাধিৰ দৰে শিপাবলৈ লৈছে যে অলপ সচেতনতাৰ অভাৱে আমাৰ জীৱনবোৰ একেবাৰে কোঙা কৰি পেলাইছে। ম'বাইলৰ ব্যৱহাৰে আজিৰ ছাত্ৰ-ছাত্ৰী বা নতুন প্ৰজন্মক বিৰাট ক্ষতি কৰিছে। সেয়েহে যথাৰ্থতে ম'বাইল ফোন ছাত্ৰ-ছাত্ৰীসকলৰ বাবে শত্ৰু। আমাৰ দৈনন্দিন জীৱনক সুচল কৰি তোলা এই ম'বাইল ফোনৰ সংযত আৰু সচেতন ব্যৱহাৰৰ অভাৱে ছাত্ৰ-ছাত্ৰীসকলক ধ্বংসৰ গৰাহলৈ ক্ৰমে টানি নিছে। জ্ঞানৰ ভাণ্ডাৰ হিচাপে ব্যৱহৃত ম'বাইল ফোন কণ কণ ছাত্ৰ-ছাত্ৰীৰ বাবে কেতিয়া প্ৰত্যাহ্বান হৈ পৰিব তেওঁলোকে গমেই নাপাব। পোৱা আৰু হেৰুৱাৰ সন্ধিক্ষণত সিঁহত লক্ষ্য স্থানৰ পৰা আঁতৰি যাব। ম'বাইল ফোনত অত্যধিক তথ্য বিচৰাৰ ফলত ছাত্ৰ-ছাত্ৰীসকলৰ শাৰীৰিক-মানসিক দিশত প্ৰভাৱ পৰিছে। ম'বাইলৰ পৰা ওলোৱা ৰেডিয়েচনে ছাত্ৰ-ছাত্ৰীসকলৰ দৃশ্য, শ্ৰব্য, মগজু আৰু ছালৰ সমস্যা সৃষ্টি কৰিছে বুলিও বিশেষজ্ঞ চিকিৎসকৰ পৰা জানিব পৰা গৈছে। ম'বাইল ফোন ব্যবহাৰে ছাত্ৰ-ছাত্ৰীসকলক খেলা-ধূলাৰ আমেজৰ পৰা বঞ্চিত কৰাই ঘৰৰ চাৰিবেৰৰ মাজত সীমাবদ্ধ কৰিছে। ফলত ভৱিষ্যৎ প্ৰজন্ম মেদবহুলতা, থাইৰয়ড, মধুমেহ আদি ৰোগৰ বলি হৈছে। ম'বাইল ফোনে ছাত্ৰ-ছাত্ৰীসকলক আত্মকেন্দ্ৰিক কৰি তুলিছে। আত্মীয়-স্বজন, পৰিয়াল, বন্ধু বৰ্গৰ পৰা উৰ্ধ্বত হৈ পৰিছে ম'বাইল ফোন। মনৰ ভাব ভাষা প্ৰকাশ, সমাধান আৰু সত্য দিশ নিৰ্দেশকৰ অভাৱত ছাত্ৰ-ছাত্ৰীসকল আত্মহননৰ দৰে পথত ধাৱমান হৈছে। ছাত্ৰ-ছাত্ৰীসকলৰ মন কৌতূহলৰে পূৰ্ণ। অভিভাৱকসকলৰ সচেতনতাই উপৰোক্ত বিপদৰ পৰা বচাই নিজৰ ছাত্ৰ-ছাত্ৰীক ভাল দিশত প্ৰবহমান কৰিব। কিন্তু বৰ্তমান সময়ত আমাৰ অভিভাৱকসকল কৰ্ম ব্যস্ত। প্ৰতিযোগিতাৰ শাৰীত নিজক প্ৰতিপন্ন কৰিবলৈ গৈ সন্তানৰ ওপৰত থকা কৰ্তব্য আৰু দায়িত্বৰ পৰা ক'ব নোৱাৰাকৈ আঁতৰি আহিছে। এনে পৰিস্থিতিত ছাত্ৰ-ছাত্ৰীসকলক ম'বাইলৰ ব্যৱহাৰ আৰু পৰিধি দেখুৱাবলৈ তেওঁলোক মুক্ত নে? গতিকে ম'বাইলৰ ব্যবহাৰ সীমিত কৰি কেনেকৈ নৱপ্ৰজন্ম তথা সমাজখনক এটা নিৰাপদ ভৱিষ্যতৰ দিশে আগুৱাই লৈ যাব পাৰি সেই চিন্তা বা পৰিকল্পনাৰ বিষয় আজিৰ প্ৰেক্ষাপটত বাৰুকৈয়ে প্ৰয়োজন আছে।

## ব্যৱহাৰৰ উদ্দেশ্য মূল কথা

■ **নয়ন মণি শইকীয়া,** ব্যৱসায়ী



ম'বাইল ফোন একবিংশ শতিকাৰ জীৱ শ্ৰেষ্ঠ মানৱৰ বাবে বিজ্ঞানৰ এক অনন্য উপহাৰেই নহয় মানৱ জীৱনৰ এক অবিচ্ছেদ্য অংগ সদৃশ। পুৱা শেতেলিতে সময়টো চোৱাৰ পৰা আৰম্ভ কৰি নিশা টোপনি যোৱাৰ আগমুহূৰ্তলৈকে হাতৰ ম'বাইলটোৱে এজন মানুহক যথেষ্ট সহায় কৰে। টিভি, ৰেডিঅ', ঘড়ী, টৰ্চ, কেলকুলেটৰ, ষ্টপৱাটছ, কম্পাচ ইত্যাদি অনেক আহিলাৰ সমষ্টি ম'বাইলটো। এই ম'বাইলটো বহুতৰ বাবে আশীৰ্বাদ আৰু বহুতৰ বাবে অভিশাপো হৈছে। বিশেষকৈ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে। ম'বাইলটো যদি কথা পাতিবৰ বাবেই ব্যৱহাৰ হ'লহেঁতেন তেতিয়া হ'লে ইয়াৰ জনপ্ৰিয়তা ইমান নাবাঢ়িলহেঁতেন নিশ্চয়। ম'বাইলটো এতিয়া সূক্ষ্ম কম্পিউটাৰৰ দৰে বা ততোধিক। ব্ৰহ্মাণ্ডৰ সকলো তথ্য, খবৰ ম'বাইলতে উপলব্ধ। এটা কম্পিউটাৰত ইণ্টাৰনেট সংযোগ কৰি যিখিনি কাম কৰিব পৰা যায় সেই একেখিনি বা ততোধিক কাম অতি সহজে ম'বাইলৰ জৰিয়তে কৰিব পাৰি। এটি কম্পিউটাৰ কিনি সেই কামখিনি কৰিবলৈ যিমান ধনৰ প্ৰয়োজন তাতকৈ কম টকা খৰচ কৰি একেখিনি কাম ম'বাইলৰ জৰিয়তে আদায় কৰিব পাৰি। কম্পিউটাৰটো লৈ ফুৰাটো অসুবিধা আনহাতে, ম'বাইলটো লৈ ফুৰিবলৈ সহজ। এনে এটি গুৰুত্বপূৰ্ণ যন্ত্ৰ সাম্প্ৰতিক সময়ত বিশেষকৈ ছাত্ৰ-ছাত্ৰী বা নৱপ্ৰজন্মৰ বাবে যেন অভিশাপ হে হৈছে। ম'বাইলৰ বাবে বিভিন্ন ধৰণৰ অপৰাধমূলক ঘটনাৰ বতৰা প্ৰায়ে আমি শুনিবলৈ বা পঢ়িবলৈ পাওঁ। একেখন ছুৰীকে ডাক্তৰেও ব্যৱহাৰ কৰে আৰু ডকাইতেও ব্যৱহাৰ কৰা কথা হ'ল দৃষ্টিকোণ বা ব্যৱহাৰৰ উদ্দেশ্যটোহে মূল কথা।

## ম'বাইল ছাত্ৰ-ছাত্ৰীৰ পৰম বন্ধু

■ **ৰবীন্দ্ৰ চন্দ্ৰ পাল**



**ম'বাইল** ফোন সাধাৰণতে ছাত্ৰ-ছাত্ৰীৰ এজন ভাল বন্ধুৰ কাম কৰে। কিন্তু মাধ্যমিক স্তৰলৈকে ছাত্ৰ-ছাত্ৰী ইয়াৰ পৰা বিৰত থকা বাঞ্ছনীয়। কিয়নো বেছিভাগ ছাত্ৰ-ছাত্ৰীৰ মন নিয়ন্ত্ৰণ কৌশলৰ জ্ঞান (Art of Mind Control) অৰ্জন নহয়। যাৰ ফলত ম'বাইলৰ কুপ্ৰভাৱ পৰি মানৱ জীৱন ধ্বংসৰ গৰাহত সোমাই পৰে। শিক্ষাৰ ক্ষেত্ৰত ইয়াৰ গুৰুত্ব নুই কৰিব নোৱাৰি। ব্যৱহাৰৰ আই-দেউতাকৰ নিয়ন্ত্ৰণ অপৰিহাৰ্য। প্ৰযুক্তিবিদ্যা উন্নতিৰ সময়ত ই এক বিদ্যা শিক্ষাৰ মাধ্যম। মানসিক কুপ্ৰবৃত্তিবিলাক উৎকৰ্ষ কৰি গঠনমূলকভাৱে ব্যৱহাৰ কৰিলে ছাত্ৰ-ছাত্ৰীৰ জীৱন গঢ় দিয়াত প্ৰধান সহায়ক হিচাপে কাম কৰে। এই ক্ষেত্ৰত আই-দেউতাকৰ সচেতনতা একান্ত প্ৰয়োজন।

দেওবৰীয়া দৈনিক
অগ্ৰদূত
গুৱাহাটী, ১৯ জুন, দেওবাৰ, ২০২১ পৃষ্ঠা ১১

# ছানষ্ট্ৰোকৰ পৰা পৰিত্ৰাণৰ উপায়



গৰমৰ সমস্যাসমূহৰ ভিতৰত অন্যতম হ'ল ছানষ্ট্ৰোক। সাধাৰণতে গৰমৰ দিনত তাপমাত্ৰা স্বাভাৱিকতকৈ অধিক হোৱা বাবে শৰীৰে কেতিয়াবা এই তাপমাত্ৰা সহ্য কৰিব নোৱাৰে। শৰীৰৰ পৰা প্ৰয়োজনীয় পানীভাগ ওলাই যোৱা বাবে দুৰ্বল লাগে। বেছি সময় ৰ'দত থকাৰ ফলত মূৰ্চ্ছা যোৱাৰ শংকা থাকে। সাধাৰণতে তাপমাত্ৰা বৃদ্ধিৰ লগে লগে যিবোৰ সমস্যাই গা কৰি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল হিট ক্ৰেম্প, হিট এক্সাশ্বন, হিট ছিন্‌কোপ আৰু হিট ষ্ট্ৰোক। এইবোৰৰ সমষ্টিয়ে হ'ল ছানষ্ট্ৰোক। যেতিয়াই দৈনন্দিন কাৰ্য তালিকাৰ সালসলনি ঘটে তেতিয়া এনে ধৰণৰ সমস্যাই গা কৰি উঠে। হিট ক্ৰেম্প হ'লে ডাঙৰ ডাঙৰ মাংসপেশীত সিৰামুৰী ধৰে। ভৰিৰ কলাফুলতো এনে ধৰণৰ সমস্যাৰ সৃষ্টি হয়, তদুপৰি হিট এক্সাশ্বনত সেইসকল ব্যক্তি আক্ৰান্ত হয়। যিসকলে অতিৰিক্ত পৰিশ্ৰম কৰে। হিট এক্সাশ্বন হ'লে মূৰৰ বিষ হোৱাৰ উপৰি বমি, মূৰ ঘূৰণি, শৰীৰ দুৰ্বল হোৱা, খিংখিঙীয়া স্বভাৱৰ হোৱা আদি লক্ষণে দেখা দিয়ে।

**ছানষ্ট্ৰোকৰ পৰা হাত সাৰিবলৈ**

■ ঘৰৰ বাহিৰলৈ ওলালে বা ৰ'দত বেছি সময় কাম কৰিবলগীয়া হ'লে ছাতি লৈ যাব লাগে। ছাতি ল'লে শৰীৰত পোনপটীয়াকৈ সূৰ্যৰ ৰশ্মি নপৰে। স্কুললৈ যাওঁতেও ছাতি লৈ যোৱাটো ছানষ্ট্ৰোকৰ পৰা ৰক্ষা পোৱাৰ সহজ উপায়।

■ গৰমৰ দিনত লগত এটি পানীৰ বটল লৈ ওলালে প্ৰয়োজন মতে পানী খাব পাৰি। প্ৰচণ্ড গৰমত যেতিয়া পিয়াহ লাগে তেতিয়া য'তে ত'তে পানী খায়। ছানষ্ট্ৰোকৰ সমস্যাৰ পৰা হাত সাৰিবলৈ অপৰিষ্কাৰ পানী খোৱাৰ ফলত পেটৰ অসুখো হ'ব পাৰে।

■ যেতিয়া ৰ'দত কাম কৰি থাকিলে বা ঘূৰি ফুৰি থাকিলে শৰীৰটো দুৰ্বল অনুভৱ হয় তেতিয়া ছাঁত জিৰণি ল'ব লাগে। সাধাৰণতে ৰাস্তাৰ দুয়োফালে গছ-গছনি থাকে আৰু গছৰ তলত কিছুসময় থিয় হ'লে বা জিৰণি ল'লে দুৰ্বল ভাব নোহোৱা হয়।

■ যদি সম্ভৱ হয় মুখমণ্ডলত ভালদৰে ঠাণ্ডা পানী মাৰিব লাগে। হাত-ভৰি ধুই মুখমণ্ডলত পানী মাৰিলে সতেজ অনুভৱ হয়।

■ ৰ'দত থকাৰ পাছত যদি দুৰ্বল অনুভৱ হয় আৰু শৰীৰৰ পৰা অস্বাভাৱিক পৰিমাণে ঘাম ওলায় থাকে, মূৰটো আচন্দ্ৰায় কৰা আৰু জিৰণি লোৱাৰ আধা ঘণ্টামান সময়লৈকে তেনে হৈ থাকিলে চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰা উচিত। চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ কৰাত কেতিয়াও অৱহেলা কৰিব নালাগে।

■ গৰমৰ দিনত কপাহী কাপোৰ পিন্ধি বাহিৰলৈ ওলাব লাগে। হাত দীঘল ছাৰ্ট আদি পিন্ধিলে ৰ'দ শৰীৰত পোনপটীয়াকৈ নপৰে। কপাহী হলৌ চেলা পিন্ধিলে তুলনামূলকভাৱে আৰামো অনুভৱ কৰিব পাৰি। এই ক্ষেত্ৰত সকলোৰে সতৰ্কতা অৱলম্বন কৰিব লাগে।



■ প্ৰচণ্ড গৰমত সৰু ল'ৰা-ছোৱালীক বেছি খেলা-ধূলা কৰিব দিয়াটো অনুচিত। বিশেষকৈ দৌৰা খেল, ফুটবল, কাবাদী আদি খেলিলে শৰীৰৰ পৰা অতিৰিক্ত পৰিমাণে ঘাম ওলায়। এই ঘামৰ স'তে শৰীৰৰ বাবে প্ৰয়োজনীয় খনিজ লৱণ ওলালে দুৰ্বল অনুভৱ হয়।

■ পৰাপক্ষত বেছিকৈ বাহিৰলৈ ওলাব নালাগে। বিশেষকৈ যেতিয়া সূৰ্যৰ তাপ প্ৰখৰ হয়। আবেলি সময়ত এনে সমস্যাই গা কৰি উঠাৰ আশংকা নাথাকে।

■ শৰীৰৰ উত্তাপ হ্ৰাস কৰিবলৈ বিভিন্নজনে ভিন্ন পদ্ধতি অৱলম্বন কৰে। প্ৰথমতে এখন গামোচা বা টাৱেল ঠাণ্ডা পানীত তিয়াই লওক। সামান্য পৰিমাণে চেপি লৈ ডিঙিৰ পিছফালে কিছু সময় ৰাখক। তিয়া গামোচাখনেৰে মুখখন সঘনাই মচিলে শৰীৰৰ উত্তাপ হ্ৰাস পাব।

■ প্ৰচণ্ড গৰমত ঘৰত থাকিলে টুপি পিন্ধা অথবা অতিৰিক্ত কাপোৰ পিন্ধি থাকিব নালাগে। জোতা-মোজা আদি খুলি চেণ্ডেলহে পিন্ধিব লাগে। এনে কৰিলে সামান্য পৰিমাণে হ'লেও গৰম কমিব।

■ বেছি গৰম লাগিলে কিছু সময় বহক। তিয়া কাপোৰ এখন কপালত ধৰি থাকক। মূৰটো অলপ ওখ কৰি শুই কপালত তিতা কাপোৰখন ধৰি থাকিলেও সুফল পোৱা যায়।

■ এনে ৰোগীক তেনে স্থানলৈহে নিব লাগে য'ত ছাঁ থাকে আৰু তাপমাত্ৰা তুলনামূলকভাৱে কম।

■ আক্ৰান্ত ব্যক্তিয়ে যি কাপোৰ পিন্ধি থাকে সেইবোৰ ভালদৰে খুলি লৈ ঠাণ্ডা পানীৰ স্পঞ্জ কৰিব লাগে।

■ ৰোগীক অ'আৰএছ খুৱাওক। তেতিয়া শৰীৰত খনিজ লৱণৰ অভাৱ নহয়।

■ গৰমৰ পৰা হাত সাৰিবলৈ প্ৰচুৰ পৰিমাণে পানী খাওক।

■ গৰমত বেছিকৈ ব্যায়াম আদি কৰাটো অনুচিত। সন্ধিয়া সময়ত কৰিলে বিশেষ ক্ষতি হোৱাৰ আশংকা নাথাকে।

■ ঘৰৰ দুৱাৰ-খিৰিকী খুলি ৰাখিলে সতেজ বতাহ ভিতৰত সোমায় ভিতৰৰ গৰম বায়ু বাহিৰলৈ উলিয়াই দিব।

■ গৰমৰ দিনত সাঁতুৰিলেও সুফল পোৱা যায়। অৱশ্যে ঠাণ্ডা পানীতহে সাঁতোৰা উচিত।

# কেনেকৈ জানিব স্পণ্ডিলাইটিছত আক্ৰান্ত হোৱা বুলি



স্পণ্ডিলাইটিছত আক্ৰান্ত হোৱাৰ বিষয়ে কিছুমান লক্ষণৰ ওপৰত ভিত্তি কৰি নিশ্চিত হ'ব পাৰি। এনে ধৰণৰ সমস্যাই গা কৰি উঠিলে সাধাৰণতে যিবোৰ লক্ষণ ফুটি উঠে সেইবোৰৰ ভিতৰত অন্যতম হ'ল—

■ স্পণ্ডিলাইটিছ হ'লে আক্ৰান্ত জনৰ প্ৰথমে ডিঙিৰ বিষ হ'বলৈ ধৰে। আক্ৰান্তজনৰ যেতিয়া ডিঙিৰ বিষ হয় তেতিয়া তেওঁ ইকাটি-সিকাটি কৰিব নোৱাৰা অৱস্থাৰ সৃষ্টি হয়।

■ এই ৰোগত আক্ৰান্তজনে ডিঙিটো ইকাটি-সিকাটি কৰিলেই বিষ অনুভৱ কৰিবলৈ ধৰে। সাধাৰণতে স্পণ্ডিলাইটিছত আক্ৰান্তজনে পাছফালে চাবলগীয়া হ'লে অসুবিধা অনুভৱ কৰে বাবে মানুহজনে সম্পূৰ্ণৰূপে ঘূৰিবলগীয়া হয়। কিবা কাৰণত ইকাটি-সিকাটি কৰিলে ডিঙিৰ হাড় ছিঙি যোৱাৰ নিচিনা অনুভৱ হয়।

■ বিষৰ লগে লগে ডিঙিৰ মাংসপেশী টানি ধৰিবলৈ আৰম্ভ কৰে। মাংসপেশী টানি ধৰিলে অস্বস্তিৰে সময় অতিবাহিত কৰিবলগীয়া হয়।

■ সাধাৰণতে আক্ৰান্তজনৰ ডিঙিৰ পৰা বিষ হাতলৈ বিয়পি পৰে। সেইবাবে হাত বিষাবলৈ ধৰে আৰু জিন্ জিন্ কৰে। আনকি হাতৰ স্নায়ু দুৰ্বল হ'ব পাৰে।

■ স্পণ্ডিলাইটিছৰ আন এক লক্ষণ হ'ল আক্ৰান্ত লোকজনৰ সততে মূৰ ঘূৰণি হ'বলৈ ধৰে। যিমানেই বেছি সময় ৰোগবিধ হৈ থাকে সিমানে মূৰ ঘূৰণি জটিল হোৱা দেখা যায়।

■ যিকোনো সময়তে ডিঙিৰ লগতে পিছফালেও বিষাবলৈ আৰম্ভ কৰাটো আন এক লক্ষণ হিচাপে গণ্য কৰা হয়। যদিহে আক্ৰান্ত লোকজনে চিকিৎসকৰ পৰামৰ্শ সোনকালে গ্ৰহণ নকৰে তেতিয়াহ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰাৰো আশংকা নুই কৰিব নোৱাৰি।

■ যেতিয়া স্পণ্ডিলাইটিছ হয় তেতিয়া আনকি কাহ বা হাঁচি মাৰিলেও ডিঙি বিষবলৈ আৰম্ভ হয়। সেইবাবে স্পণ্ডিলাইটিছ হ'লে আক্ৰান্ত লোকজনে কাহ বা হাঁহি মাৰিবলৈও ভয় কৰে।

■ সাধাৰণতে এনে ৰোগৰ জটিলতা বৃদ্ধি পোৱাৰ লগে লগে হাতৰ লগতে ভৰিও দুৰ্বল হোৱাৰ আশংকা ফুটি উঠে। যিমানেই সময়ৰ ব্যৱধান বৃদ্ধি পায় সিমানেই ইয়াৰ জটিল ৰূপ ধাৰণ কৰাৰ আশংকা থাকে।

■ যেতিয়া স্পণ্ডিলাইটিছে জটিল ৰূপ ধাৰণ কৰে তেতিয়া আক্ৰান্তজনৰ শৌচ-প্ৰস্ৰাৱো নিয়মীয়াকৈ নহ'ব পাৰে।

# অতিৰিক্ত ভিটামিন গ্ৰহণ কৰিলে...

ভিটামিন 'এ'ৰ আধিক্যৰ বাবে মূৰৰ বিষ, ওকালি ভাব, ভোক নলগা, ছালত অসহ্য খজুৱতি, ভৰিৰ হাড় ফুলা আদি সমস্যাই দেখা দিব পাৰে। যদিও ভিটামিন 'এ'ৰ অভাৱত কুকুৰি কণা আদি ৰোগ হয় তথাপি এনে ভিটামিন গ্ৰহণৰ ক্ষেত্ৰত সতৰ্কতা অৱলম্বন কৰিব লাগে। শৰীৰৰ বাবে আন এবিধ প্ৰয়োজনীয় উপাদান হ'ল ভিটামিন 'ডি'। অৱশ্যে যিসকলে দীৰ্ঘদিন এনে ধৰণৰ ভিটামিন ব্যৱহাৰ কৰে তেওঁলোকৰ পাৰ্শ্বক্ৰিয়াৰ ফলত বমি হয়, ওকালি ভাব হোৱাৰ লগতে টোপনি বেছি হয়। আনহাতে, কোষ্ঠকাঠিন্যৰ সমস্যায়ো গা কৰি উঠে। এনে লোকৰ স্বভাৱ খিংখিঙীয়া হ'বলৈ ধৰে। অত্যধিক ভিটামিন 'ডি' গ্ৰহণৰ বাবে ৰেনেল ফেইলিউৰ পৰ্যন্ত হোৱাৰ আশংকা থাকে। ভিটামিন 'ই'ৰ ক্ষেত্ৰত আকৌ অন্য ধৰণৰ পাৰ্শ্বক্ৰিয়া ফুটি উঠে। এইবিধ ভিটামিন দীৰ্ঘদিন ব্যৱহাৰ কৰিলে ছিৰাম লিপিডৰ পৰিমাণ বৃদ্ধি পাবলৈ ধৰে। ৰক্ত সঞ্চালনৰ ক্ষেত্ৰতো স্বাভাৱিক প্ৰক্ৰিয়াত ব্যাঘাত জন্মে। সাধাৰণতে দৈনিক ১০-১২ মিলিগ্ৰাম ভিটামিন 'কে' গ্ৰহণ কৰিলে বিশেষ ক্ষতি হোৱাৰ আশংকা নাথাকে যদিও দীৰ্ঘদিন ব্যৱহাৰ কৰাৰ ফলত শিশুৰ জণ্ডিচ, হিমোলাইটিক এনিমিয়া আৰু মস্তিষ্কৰ স্থায়ী ক্ষতি হ'ব পাৰে। ভিটামিন 'চি' বেছি পৰিমাণে খালে চৰ্মৰোগৰ সমস্যাই গা কৰি উঠা দেখা যায়। বিশেষকৈ বেছি পৰিমাণে ভিটামিন 'চি' খালে ছালত চকলা-চকল হৈ খজুৱাবলৈ আৰম্ভ কৰে। এইবিধ ভিটামিন বেছিকৈ গ্ৰহণ কৰিলে প্ৰস্ৰাৱত অক্সালেটৰ পৰিমাণ বৃদ্ধি পায় আৰু কিডনীৰ ক্ষতি কৰে। গৰ্ভাৱস্থাত খালে বিকলাংগ শিশুৰ জন্ম হোৱাৰো আশংকা থাকে। ভিটামিন 'বি কমপ্লেক্স' বেছি পৰিমাণে গ্ৰহণ কৰিলে চকু ৰঙা হোৱা, খজুৱতি, ফোঁহা, পেটৰ অসুখ, গেছট্ৰিক আলচাৰ, জণ্ডিচ আদি হ'ব পাৰে। ইয়াৰ উপৰি ভিটামিন 'বি' অতিৰিক্ত পৰিমাণে ব্যৱহাৰ কৰিলে পেটত ঘা হোৱা, ৰক্তচাপ হ্ৰাস পোৱা, লিভাৰৰ ক্ষতি হয়। ভিটামিন 'ই'ৰ দীৰ্ঘদিন ব্যৱহাৰৰ ফলত মাংসপেশী দুৰ্বল হয় আৰু ওকালি ভাব হয়, ক্লান্তিবোধ কৰে। আনকি দৃষ্টিশক্তিৰ সমস্যায়ো দেখা দিব পাৰে। আগতে উল্লেখ কৰা হৈছে যে ভিটামিন 'ডি' বেছিকৈ খালে কেলছিয়ামৰ পৰিমাণ বৃদ্ধি পায়।

# হঠাৎ ষ্ট্ৰোকত আক্ৰান্ত হ'লে কেনেধৰণৰ সমস্যাৰ সৃষ্টি হ'ব পাৰে



সাধাৰণতে যিকোনো ব্যক্তিক যিবোৰ ৰোগে আক্ৰমণ কৰে সেইবোৰৰ ভিতৰত অকস্মাৎ হোৱা ৰোগ হ'ল ষ্ট্ৰোক। ইস্কেমিক ষ্ট্ৰোকত মগজুৰ এটা বিশেষ অংশত তেজ চলাচল বন্ধ হৈ পৰে। যেতিয়া মগজুলৈ তেজৰ চলাচল বন্ধ হয় তেতিয়া মগজুৰ সেই অংশটোৰ কোষবোৰ ধ্বংস হয়। ফলত স্বাভাৱিকভাৱে কাৰ্য সম্পাদন কৰিব নোৱাৰিলে অংশটো অকামিলা হ'বলৈ ধৰে। ষ্ট্ৰোক মূলতঃ দুই ধৰণৰ হয়— ইস্কিমিক আৰু হেমাৰেজিক বা ৰক্তক্ষৰণজনিত। ইস্কিমিক ষ্ট্ৰোক হোৱাৰ আঁৰত থাকে তেজৰ সৰবৰাহত ব্যাঘাত জন্মা প্ৰক্ৰিয়া। ইস্কিমিক ষ্ট্ৰোক হ'লে মস্তিষ্কলৈ তেজ আৰু অক্সিজেনৰ সৰবৰাহ স্বাভাৱিকভাৱে নহয়। যেতিয়া অক্সিজেন আৰু তেজৰ সৰবৰাহ নহয় তেতিয়া মস্তিষ্কৰ কিছুমান অংশৰ টিছ্যু বা কলা ধ্বংস হ'বলৈ আৰম্ভ কৰে। এনে হোৱাৰ ক্ষেত্ৰত চাৰিটা কাৰণ থাকে আৰু এইকেইটা হ'ল— থ্ৰম্ব'ছিছ, ইমব'লিজম, ছিষ্টেমেটিক হাইপ'পাৰডিউছন আৰু ভেনাছ থ্ৰম্ব'ছিছ। যেতিয়া পুনৰাই মস্তিষ্কলৈ ৰক্ত সঞ্চালন হয় তেতিয়া কোষসমূহে স্বাভাৱিকভাৱে কাৰ্য আৰম্ভ হোৱাটোৱে হ'ল থ্ৰম্ব'ছিছ ইমব'লিজম হ'লে শৰীৰৰ আন ঠাইত ধমনীত তেজ চলাচলত ব্যাঘাত জন্মে। ইস্কিমিক ষ্ট্ৰোকত আক্ৰান্ত হ'লে ৰোগীৰ মৃত্যু পৰ্যন্ত হ'ব পাৰে।

আনহাতে, হেমাৰেজিক ষ্ট্ৰোক হ'লে মস্তিষ্কৰ যিকোনো স্থানত ৰক্তক্ষৰণ হৈ তেজ জমা হয়। সহজ অৰ্থত ক'বলৈ হ'লে লাওখোলাৰ ভিতৰত বিভিন্ন অংশত ৰক্তক্ষৰণ হৈ তেজ জমা হোৱাটোৱেই হ'ল হেমাৰেজিক ষ্ট্ৰোক। কেতিয়াবা কোনো আঘাত নোহোৱাকৈ মস্তিষ্কৰ সৰু সৰু সিৰা ফাটি যায়। এনেদৰে সৰু সিৰা ফাটি যোৱাৰ ফলত তেজ জমা হয়। সাধাৰণতে সাৰে থকা অৱস্থাত অথবা কাম কৰি থাকোতে নতুবা অত্যধিক উত্তেজনাৰ বাবে এনে ধৰণৰ ষ্ট্ৰোক হোৱা পৰিলক্ষিত হয়। মস্তিষ্কৰ ধমনীত এক ধৰণৰ টেমুনাৰ সৃষ্টি হৈ নিজে ফাটি যোৱাৰ ফলত ছাব এৰাকনইড নামৰ ঠাইডোখৰত ৰক্তক্ষৰণ হ'ব পাৰে। সচৰাচৰ মস্তিষ্কৰ আঘাত পালে ছাবডিউৰেল, এপিডিউৰেল আদি ঠাইত ৰক্তক্ষৰণ হোৱা দেখা যায়। সহজ অৰ্থত ক'বলৈ হ'লে হেমাৰেজিক ষ্ট্ৰোকত সিৰাসমূহ ফাটি গৈ প্ৰচুৰ পৰিমাণে মস্তিষ্কত ৰক্তক্ষৰণ হয়। ইয়াৰ ফলত পক্ষাঘাত হোৱাৰ লগতে চকুৰে নেদেখা পৰ্যন্ত হ'ব পাৰে। সাধাৰণতে বিদেশত ইস্কিমিক ষ্ট্ৰোকত ৮০ শতাংশ লোকৰ মৃত্যু হোৱাৰ বিপৰীতে মাত্ৰ ২০ শতাংশ লোকৰহে হেমাৰেজিক ষ্ট্ৰোক হোৱা দেখা যায়। আনহাতে, ভাৰতত ইয়াৰ ওলোটা প্ৰতিচ্ছবি দেখা পোৱা যায়। ভাৰতত দুয়োটা ৰোগতে আক্ৰান্তৰ সংখ্যা ৫০ শতাংশ। শৰীৰৰ যিকোনো অংগত ষ্ট্ৰোক নহয়। ষ্ট্ৰোকৰ স'তে মস্তিষ্কৰ সম্পৰ্ক আছে। কাৰণ মস্তিষ্কৰ বিশেষ অংশ কিছুমানত ষ্ট্ৰোক হোৱা দেখা যায়। এই অংশসমূহৰ ভিতৰত অন্যতম হ'ল— বেজেল গেংলিয়া, ইণ্টাৰনেল কেপছুল, ইনট্ৰা ভেনট্ৰিকুল বা লোৱাৰ ষ্ট্ৰোক, ব্ৰেইন ষ্টেম আদি। কেতিয়াবা একেলগে দুই-তিনি ঠাইত ষ্ট্ৰোক হ'ব পাৰে। অৰ্থাৎ হেমাৰেজিক আৰু ইস্কিমিক ষ্ট্ৰোক দুয়োবিধ একেলগে হ'ব পাৰে। এনে হ'লে সমস্যাই জটিল ৰূপ ধাৰণ কৰে। বহুতেই ষ্ট্ৰোক আৰু হাৰ্ট এটেকৰ মাজত পাৰ্থক্য নিৰ্ণয় কৰিব নোৱাৰে। সেইবাবে হাৰ্ট এটেক আৰু ষ্ট্ৰোকক উপযুক্তভাৱে উপস্থাপন কৰিব নোৱাৰে। ষ্ট্ৰোক সদায় মস্তিষ্কত হয় আৰু হাৰ্ট এটেক হৃদযন্ত্ৰতহে হয়।

# পেটৰ বিষ উপশম ঘটাই পদিনাই

পদিনাৰ উপকাৰিতা সম্পৰ্কে প্ৰায়ভাগ লোকেই কম বেছি পৰিমাণে জ্ঞাত। পদিনা শাক সহজে পোৱা যায় আৰু প্ৰায়ভাগ লোকেই দৈনন্দিন খাদ্য তালিকাত অন্তৰ্ভুক্ত কৰে। পদিনা বল মাটিৰ ওপৰত বগাই যোৱা এবিধ সৰু কোমল গছ। পাত ছিঙিলে সাধাৰণতে লতাজাতীয় গছডালো উঘালি যায়। ইয়াৰ পাত দুই-তিনি ছেণ্টিমিটাৰমানহে ডাঙৰ হয়। পদিনাৰ ফুল পাতল বেঙুনীয়া। পদিনাৰ গা-গছ-পাত দুয়োটাই সুগন্ধি।

পদিনাৰ পৰা মেন্থল তেল প্ৰস্তুত কৰা হয়।

নিয়মীয়াকৈ পদিনা খালে বিভিন্ন ধৰণৰ চৰ্মৰোগ প্ৰতিৰোধ কৰাটো সম্ভৱ।

যদিহে বমি ভাব বা বমি হৈছে তেতিয়াহ'লে পদিনাৰ পাত খালে এনে সমস্যাৰ পৰা উপশম পাব পাৰি। ছয় গ্ৰাম সৈন্ধৱ লৱণৰ স'তে ২০০ মিলিগ্ৰাম ঠাণ্ডা পানীত পদিনাৰ ৰস মিহলাই খালে বমি ওলোৱাটো বন্ধ হ'ব।

পদিনা খালে পেটৰ সমস্যাৰ পৰা হাত সাৰিব পাৰি।

বেছিকৈ পেট বিষালে পদিনাৰ ৰসত পৰিমাণে জালুকৰ গুড়ি মিহলাই মৌৰ লগত খালে উপকাৰ পোৱা যায়।

পদিনাৰ ৰস আদাৰ লগত খালেও উপকাৰ পোৱা যায়।

যদিহে খজুৱাই খজুৱাই গাত ঘামচিৰ দৰে ৰঙা পৰে তেতিয়াহ'লে পদিনাৰ পাত পিচি অলপ চেনি মিহলাই খালে উপকাৰ পোৱা যাব।

পেট ফুলা আদিত শুকান পদিনাৰ পাত ব্যৱহাৰ কৰিলেও সুফল পোৱা যায়।

# বাৰ্ধক্যত প্ৰস্ৰাৱৰ সমস্যাই জটিল ৰূপ ধাৰণ কৰে



বাৰ্ধক্যৰ আন এক সমস্যা হ'ল প্ৰস্ৰাৱৰ সমস্যা। পুৰুষ-মহিলা সকলোৰে প্ৰস্ৰাৱৰ সমস্যাৰ দ্বাৰা আক্ৰান্ত। বয়স বৃদ্ধি হ'লে পুৰুষৰ হৰম'ন টেষ্টোষ্টেৰণৰ প্ৰভাৱত প্ৰষ্টেট গ্ৰন্থি বৃদ্ধি হয়। উল্লেখ্য যে প্ৰষ্টেট গ্ৰন্থি হ'ল এটি মেক্সিলাৰী পুৰুষ গ্ৰন্থি এই গ্ৰন্থিটো কেৱল পুৰুষৰহে থাকে। হৰম'নৰ দ্বাৰা এই গ্ৰন্থিৰ কাম-কাজ পৰিচালিত। বয়স বৃদ্ধিৰ লগে লগে যেতিয়া গ্ৰন্থিটো বৃদ্ধি হয় তেতিয়া মূত্ৰনলীত চাপ পৰে। প্ৰষ্টেট গ্ৰন্থিৰ বৃদ্ধিজনিত সমস্যাক চিকিৎসা বিজ্ঞানৰ পৰিভাষাত কোৱা হয় 'বিনাইন হাইপাৰপ্লেছিয়া অৱ প্ৰষ্টেট'। বয়স বৃদ্ধিৰ সমান্তৰালভাৱে প্ৰষ্টেটৰ কাম-কাজ দুৰ্বল হৈ থাকে আৰু এই সময়ত টেষ্টোষ্টেৰণৰ পৰিমাণো হ্ৰাস পায়। দৰাচলতে এইবিধ হৰম'নৰ বাবে প্ৰষ্টেট গ্ৰন্থিৰ কাম-কাজ দুৰ্বল হৈ পৰে আৰু সেইবাবে গ্ৰন্থিটো ডাঙৰ হয়। বৃদ্ধি হোৱা গ্ৰন্থিটোৱে মূত্ৰনলীত চাপ দিয়ে। সমান্তৰালভাৱে আৰম্ভ হয় প্ৰস্ৰাৱৰ সমস্যা। এনে হ'লে দুই ধৰণৰ উপসৰ্গই দেখা দিয়ে— প্ৰথমতে, মূত্ৰনলীত বাধাজনিত সমস্যা আৰু দ্বিতীয়তে, মূত্ৰথলীত সঘনাই সংকোচন। মূত্ৰনলীত বাধাজনিত সমস্যা হ'লে প্ৰস্ৰাৱ আৰম্ভ হোৱাৰ বাবে বহু সময় অপেক্ষা কৰিবলগীয়া হয়। প্ৰস্ৰাৱ কম পৰিমাণে হয়। সম্পূৰ্ণৰূপে প্ৰস্ৰাৱ ওলাই নাহে বাবে মূত্ৰথলীত প্ৰস্ৰাৱ বহু পৰিমাণে জমা হৈ থাকে। আনহাতে, মূত্ৰথলীৰ সঘনাই সংকোচন হ'লে ৰোগীয়ে সঘনাই প্ৰস্ৰাৱ কৰিব লাগে আৰু প্ৰস্ৰাৱ লাগিলে বাধা দিয়া সম্ভৱ নহয়। কিছুমান ৰোগীয়ে কাপোৰ-কানিয়ে প্ৰস্ৰাৱ কৰে। ইয়াৰপৰি ডায়েবেটিছত আক্ৰান্তসকলৰ মূত্ৰথলীত প্ৰস্ৰাৱ জমা হৈ থাকে বাবে জীৱাণুৰ সংক্ৰমণ বৃদ্ধি পায়। কিছুমানৰ প্ৰস্ৰাৱৰ স'তে ৰক্তক্ষৰণ হোৱাৰো আশংকা থাকে। পিটুইটাৰি গ্ৰন্থিৰ প্ৰভাৱত টেষ্টোষ্টেৰণ হৰম'ন পুৰুষৰ অন্তকোষৰ পৰা নিৰ্গত হয়। সেইবাবে প্ৰষ্টেট গ্ৰন্থিৰ বৃদ্ধি হয়।

বাৰ্ধক্যত মহিলাসকলে যি প্ৰস্ৰাৱৰ সমস্যাত ভোগে তাৰ ভিতৰত অন্যতম হ'ল প্ৰস্ৰাৱ ধৰি ৰাখিব নোৱৰা। চিকিৎসা বিজ্ঞানৰ পৰিভাষাত 'আৰ্জেন্সি ইমকন্টিনেন্স' বুলি কোৱা হয়। মূত্ৰনলীৰ অনিয়ন্ত্ৰিত মাত্ৰাধিক সংকোচনৰ ফলত মূত্ৰথলীত সামান্য পৰিমাণৰ মূত্ৰ জমা হ'লেই সংকোচন হ'ব পাৰে। ইচ্ছা কৰিলেও প্ৰস্ৰাৱ ওলোৱাটো ৰোধ কৰিব নোৱাৰে। ইয়াৰ মূল কাৰণ হ'ল প্ৰস্ৰাৱ ধৰি ৰাখিবলৈ যি মাংসপেশী থাকে, তুলনামূলকভাৱে বয়স্কৰ সেয়া শিথিল 'ইউৰিনেৰী স্পাইনেটাৰ' মাংসপেশীয়ে তেনে চাপ ধৰি ৰাখিবৰ বাবে সবল নোহোৱা বাবে কিছু পৰিমাণে প্ৰস্ৰাৱ ওলাই আহে। এনে পৰিস্থিতিৰ সৃষ্টি হ'লে 'ষ্ট্ৰেচ্ছ ইনকনটিনেন্স' বুলি কোৱা হয়। কিছুমানৰ হাঁহি, কাহ মাৰিলে বা শোৱাৰ পাছতে উঠি-বহি থকা



সময়ত নিজৰ অজ্ঞাতে প্ৰস্ৰাৱ ওলাই থাকে। যিসকল মহিলাই সঘনাই সন্তান প্ৰসৱ কৰে তেওঁলোকৰ জৰায়ু আৰু মুত্ৰথলী কিছু পৰিমাণে তললৈ নামি অহাৰ আশংকা থাকে।

# পলিঅ'ত আক্ৰান্ত হ'লে

যদিও আমাৰ দেশখনক পালচপলিঅ' মুক্ত কৰিবলৈ চেষ্টা কৰা হৈছে তথাপি কেতিয়াবা এই ৰোগত আক্ৰান্ত হৈ চিৰদিনৰ বাবে প্ৰতিবন্ধী হোৱাৰ উদাহৰণো আছে। কেই দশকমান আগলৈকে শিশুসকলৰ বাবে আতংকৰ কাৰণ হৈ পৰিছিল পলিঅ' ভাইৰাছবিধ। অৱশ্যে আজিকালি সজাগতা আৰু টিকাকৰণৰ বাবে এনে ৰোগৰ দ্বাৰা আক্ৰান্ত হোৱাৰ আশংকা ভালেখিনি হ্ৰাস পাইছে। ৰোগৰ বাবে যে এটি শিশুৰ বিকাশত বাধাপ্ৰাপ্তি হয় সেই কথা সকলোৱে জানে। সাধাৰণতে পলিঅ' ভাইৰাছৰ দ্বাৰা আক্ৰান্ত হ'লে হাত-ভৰি আদি পেৰালাইছিছ বা পক্ষাঘাত হোৱা দেখা যায়। সেইবাবে সদ্যোজাত শিশুৰ টিকাকৰণ কৰাটো অতিকৈ গুৰুত্বপূৰ্ণ বিষয়। এইক্ষেত্ৰত পিতৃ-মাতৃয়ে সতৰ্কতা অৱলম্বন কৰা উচিত।

# গাখীৰ কেতিয়া 'বিহ' হয়

গাই গৰু অথবা ম'হ খীৰাবলৈ খুব কমেও পোন্ধৰ-বিশ মিনিট সময়ৰ প্ৰয়োজন। সেয়েহে এজন লোকে এদিনত পুৱা অথবা গধূলি কিমান ম'হ বা গৰু খীৰাব পাৰিব সেয়া সহজেই অনুমেয়। গতিকে সময় বচাবলৈ আজিকালি ডায়েৰীসমূহত গাই আৰু ম'হক খীৰোৱাৰ আগে আগে এবিধ বিশেষ ধৰণৰ বেজী দিয়া হয়। এই বেজী দিয়াৰ পাছতে অতি কম সময়ৰ ভিতৰতে এই কাৰ্য সম্পাদন কৰিব পৰা যায়। এনে কৰিলে সময়ৰ অপচয় ৰোধ হয় ঠিকেই; কিন্তু গৰু-ম'হৰ শৰীৰৰ লগতে মানুহৰ শৰীৰতো ভয়ংকৰ ৰোগে আক্ৰমণ কৰাৰ আশংকা বৃদ্ধি পায়। গৰু-ম'হৰ দেহত যিটো বেজী দিয়া সেইটোৰ নাম হ'ল অক্সিট'চিন হৰম'ন। এই বেজীটো দিয়াৰ লগে লগে গৰু-ম'হৰ পেটৰ পেশীৰ সঞ্চালনা বৃদ্ধি হয়। এই বেজী ব্যৱহাৰ আইনমতে দণ্ডনীয় যদিও প্ৰায়ভাগেই তাক ব্যৱহাৰ কৰি আছে। সাধাৰণতে এনে হৰম'ন প্ৰয়োগ কৰা হয় গৰু-ম'হৰ প্ৰসৱ খৰতকীয়া কৰিবলৈ। গাখীৰ খীৰাবলৈ এই বেজী প্ৰয়োগ কৰা মানে গৰু-ম'হক নিতৌ প্ৰসৱ বেদনাত আক্ৰান্ত কৰা। ইয়াৰ ফলত গৰু-ম'হৰ জৰায়ুত ক্ষতিসাধন হয়। তিনি-চাৰি বছৰৰ ভিতৰতে গৰ্ভধাৰণৰ ক্ষমতা হ্ৰাস পাবলৈ ধৰে। অকল সেয়াই নহয় অক্সিট'চিনৰ বিষাক্ত প্ৰভাৱ সঞ্চালিত হয় গাখীৰত। নিয়মিত এই গাখীৰ খালে দৃষ্টিশক্তিৰ লগতে শ্ৰৱণশক্তি হ্ৰাস পোৱাৰো আশংকা থাকে। পেটৰ অসুখ বৃদ্ধি পোৱাৰ সম্ভাৱনীয়তাও বৃদ্ধি পায়। শিশুসকলৰ বাবে অতিকৈ বিপজ্জনক এনে গাখীৰ। চিন্তনীয় বিষয় এয়ে যে গাখীৰত এই অক্সিট'চিন আছে নে নাই সেয়া পৰীক্ষা কৰিলেও ধৰা নপৰে। কাৰণ শৰীৰত প্ৰৱেশ কৰাৰ লগে লগে হৰমনবিধ ভাঙি যায়। সেয়েহে আজিকালি পৰাপক্ষত আমি নজনা ঠাইৰ গাখীৰ কিনিবই নালাগে। যি গাখীৰ আমি শৰীৰত শক্তি বৃদ্ধিৰ বাবে খাওঁ সেয়া যেতিয়া বিহতুল্য হৈ পৰে তেতিয়া নিজকে ৰক্ষা কৰাৰ উপায় নিজেই গ্ৰহণ কৰিব লাগিব।

# নিদ্ৰাহীনতাৰ পৰা পৰিত্ৰাণ পাবলৈ কি কৰিব

টোপনিৰ ক্ষেত্ৰত পৰিৱেশৰ ভূমিকা গুৰুত্বপূৰ্ণ। উপযুক্ত পৰিৱেশ নাথাকিলে কাৰোৰে ভাল টোপনি নাহে। কোলাহলপূৰ্ণ পৰিৱেশত থকাসকলৰ টোপনিত ব্যাঘাত জন্মাতো স্বাভাৱিক। যদিহে টোপনি ভাল নহয় তেতিয়াহ'লে উপযুক্ত পৰিৱেশ এটাৰ সৃষ্টি কৰিব লাগে। শোৱা কোঠাত টিভি, ৰেডিঅ' অথবা আন বিনোদনৰ উৎস নথকাটোৱে মংগলজনক। বহুতে টোপনি ভাল নহ'লে বা টোপনি নাহিলে গান শুনে অথবা চিনেমা চায়। কিতাপ পঢ়ে। কোঠাৰ ভিতৰত পাইচাৰি কৰে। এনে কৰিলে টোপনি অহাতো দূৰৈৰ কথা, ব্যাঘাত জন্মাতহে সহায় কৰে। শোৱা কোঠাৰ লাইট আদি নুমুৱালেও এটা সুস্থ পৰিৱেশ গঢ়ি উঠে। পৰিৱেশ উপযুক্ত নোহোৱালৈকে টোপনিত ব্যাঘাত জন্মিবই।

■ টোপনিত ব্যাঘাত জন্মিলে বহুতে বিভিন্ন ধৰণৰ নিচা জাতীয় দ্ৰব্য সেৱন কৰে। চিগাৰেট সেৱন কৰিলে অথবা মদ্যপান কৰিলে টোপনি ভাল হোৱা বুলি ভবাটো ভ্ৰান্ত ধাৰণাহে মাথোন। এইবোৰ হ'ল অভ্যাস। কিছুমানে শোৱাৰ আগতে চিগাৰেট খায় অথবা মদ্যপান কৰে। কিন্তু যেতিয়া এনে অভ্যাসৰ ফলত মাদক দ্ৰব্যৰ পৰিমাণ বৃদ্ধি হৈ থাকে তেতিয়া পৰিস্থিতিয়ে অন্যফালে ঢাল খায়। লাহে লাহে টোপনিত ব্যাঘাত জন্মিব ধৰে। দীৰ্ঘদিন এনে হোৱাৰ ফলত সৃষ্টি হয় মানসিক ভাৰসাম্যহীনতাৰ। টোপনি অহাৰ বাবে কেতিয়াও মাদক দ্ৰব্য সেৱন কৰিব নালাগে।

■ দিবা নিদ্ৰাৰ বাবেও বহুতৰ নিশা টোপনি নাহে। সেয়েহে নিদ্ৰাহীনতাৰ সমস্যাৰ পৰা পৰিত্ৰাণ পাবলৈ দিবা নিদ্ৰাৰ পৰা আঁতৰি থাকিব লাগিব। অৱশ্যে যিসকলৰ দিনত অলপ সময় বিছনাত বাগৰাৰ অভ্যাস আছে তেওঁলোকৰ কথা সুকীয়া। দিনত অলপ সময় বিছনাত বাগৰিলে কাম কৰাৰ বাবে পুনৰ শক্তি লাভ কৰিব পাৰে যদিও বেছি সময় শুলে আকৌ ক্ষতিহে হয়।

■ টোপনিত ব্যাঘাত জন্মিলে চিকিৎসকে বিভিন্ন ধৰণৰ ঔষধ অথবা ব্যায়াম আদিৰে সেইবোৰ আঁতৰাবলৈ পৰামৰ্শ আগবঢ়ায়। পাৰ্শ্বক্ৰিয়া থকা ঔষধৰ পৰিৱৰ্তে— পাৰ্শ্বক্ৰিয়াহীন ঔষধ অথবা যদিহে থাকেও তেতিয়াহ'লে সেয়া নোহোৱা কৰিবলৈ আন ঔষধ খাবলৈ দিয়ে। ফলত টোপনি স্বাভাৱিক হয়। কিন্তু বহুতে টোপনিত ব্যাঘাত জন্মিলেই চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈয়ে ফাৰ্মাচীৰ পৰা ঔষধ কিনি আনে। ফলত পৰৱৰ্তী সময়ত নিদ্ৰাহীনতাৰ লগতে আন সমস্যায়ো গা কৰি উঠে। আনকি চিকিৎসকৰ পৰামৰ্শ গ্ৰহণ নকৰাকৈ ঔষধ খোৱাৰ ফলত মৃত্যু পৰ্যন্ত হ'ব পাৰে। মনত ৰাখিব চিকিৎসকৰ পৰামৰ্শ অবিহনে টোপনিৰ ঔষধ খালে শাৰীৰিক-মানসিক দুয়ো ক্ষেত্ৰতে ক্ষতি হয়।

■ কিছুমান অসুখত বিশেষ ঔষধ দীৰ্ঘদিন খোৱাৰ ফলত পাৰ্শ্বক্ৰিয়াৰূপে নিদ্ৰাহীনতাই গা কৰি উঠে। যদিহে কোনো ঔষধ খোৱাৰ ফলত এনে ধৰণৰ সমস্যাই গা কৰি উঠে তেন্তে শীঘ্ৰে বিষয়টো চিকিৎসকৰ স'তে আলোচনা কৰা উচিত।

■ আনহাতে, কেতিয়াবা কিছুমান অসুখৰ বাবেও টোপনিত ব্যাঘাত জন্মে। এনে ধৰণৰ অসুখৰ চিকিৎসা কৰিলেও সুফল পোৱা যায়।

■ মানসিক চাপ অত্যধিক হ'লে নিদ্ৰাহীনতাই গা কৰি উঠে। যিমানেই মানসিক চাপ বৃদ্ধি হৈ থাকে সিমানেই টোপনিত ব্যাঘাত জন্মে। সেইবাবে নিদ্ৰাহীনতাৰ পৰা হাত সাৰিবলৈ চাপমুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত। অৱশ্যে আধুনিক জীৱন-যাপনত কোনো লোকেই সম্পূৰ্ণৰূপে চাপমুক্ত হৈ থকাতো সম্ভৱ নহয়। যিবোৰ কামৰ চাপ অধিক তেনে কাম সোনকালে সম্পূৰ্ণ কৰিবলৈ চেষ্টা কৰিব লাগে। আনহাতে, কিছুমান কাম গুৰুত্বপূৰ্ণ নহ'লেও বহুতে তেনে কামক লৈয়ে ব্যস্ত থাকে। ফলত মানসিক চাপ বৃদ্ধি পায়। সেইবাবে যিমান সম্ভৱ সিমানে মানসিক চাপমুক্ত হৈ থাকিবলৈ চেষ্টা কৰা উচিত।



■ কিছুমান খাদ্যৰ বাবেও এনে সমস্যাৰ সৃষ্টি হ'ব পাৰে। বিশেষকৈ গুৰুপাক আহাৰ, অত্যধিক চাইনিজ ফুড, শীতল পানীয়, প্ৰচুৰ পৰিমাণে কফি আদি খালেও নিশা টোপনি ক্ষতি হ'ব পাৰে বুলি বিশেষজ্ঞসকলে মত পোষণ কৰিছে। গতিকে এনে ধৰণৰ খাদ্য বেছি পৰিমাণে খোৱাৰ পৰিৱৰ্তে নিৰ্দিষ্ট পৰিমাণে খালেহে সুফল পোৱা যায়।

■ নিশা বিছনালৈ তেতিয়াহে যাব লাগে যেতিয়া টোপনি ভাব আহে। টোপনি ভাব অহাৰ পূৰ্বে বেছি সময় বিছনাত শুই থাকিলে টোপনিত ব্যাঘাতহে জন্মে।

■ কিছুমানে কম সময় টোপনি যোৱাৰ পৰিৱৰ্তে আন কিছুমানে বেছি সময় টোপনি যায়। এজনে কম সময় টোপনি মাৰিলে বুলিয়ে যে আন এজনেও কম সময় টোপনি যাব লাগে তেনে কোনো কথা নাই। পৰিশ্ৰম, ব্যস্ততা আদিৰ ওপৰতো টোপনিৰ সময় নিৰ্ভৰ কৰে। দিনটো পথাৰত কঠোৰ পৰিশ্ৰম কৰা লোক এজনক যিমান সময়ৰ প্ৰয়োজন এজন ঘৰতে কাম-বন নকৰাকৈ থকা লোকৰ সিমান প্ৰয়োজন নহয়।

■ ধূমপান, মদ্যপান আদিৰ অভ্যাস ত্যাগ কৰিব লাগে।

■ বিছনাখন যাতে আৰামদায়ক হয় তাৰ ওপৰতো গুৰুত্ব প্ৰদান কৰা উচিত। বিছনাত ইকাটি-সিকাটি হ'লেই শব্দ হোৱা, বিছনাৰ কাপোৰ আদিৰ পৰা উৎকট গোন্ধ ওলোৱা আদিৰ বাবেও টোপনিত ব্যাঘাত জন্মে। এনেবোৰ বিষয়তো গুৰুত্ব প্ৰদান কৰিব লাগিব।



## হোটেলৰ মহিলা কৰ্মীৰ স'তে নৈশযাপন নৱাজুদ্দিনৰ

**কিছু** মাহৰ পূৰ্বে পত্নীৰ স'তে বিচ্ছেদ হৈছিল নৱাজুদ্দিন ছিদ্দিকীৰ। ইয়াকে লৈ বলিউডত ব্যাপক চৰ্চা চলিছিল। বলিউডৰ অন্যতম প্ৰতিভাশালী অভিনেতাজনৰ ব্যক্তিগত জীৱনক কেন্দ্ৰ কৰি প্ৰায়েই চৰ্চা হয়। এগৰাকী অভিনেত্ৰীৰ স'তে অবৈধ সম্পৰ্কয়ো এসময়ত চৰ্চা লাভ কৰিছিল। এইবাৰ নৱাজুদ্দিনে নিজেই সদৰী কৰিলে তেওঁৰ এক কলংকিত অধ্যায়ৰ কথা। নিউ য়ৰ্কত এগৰাকী মহিলা হোটেল কৰ্মীৰ স'তে নৈশ যাপন কৰাৰ কথা স্বীকাৰ কৰিছে তাৰকা অভিনেতাজনে। সেই কাহিনী তেওঁ উল্লেখ কৰিছে আত্মজীৱনী 'এন অৰ্ডিনেৰী লাইফ ঃ এ মেময়াৰ'ত। আত্মজীৱনীত তেওঁ লিখিছে, '২০০৬ৰ পৰা ২০১০ বৰ্ষ মোৰ জীৱনৰ অন্যতম ভাল সময়। তেতিয়াই পৰিচিতি লাভ কৰিবলৈ সক্ষম হৈছিলো। প্ৰচুৰ চলচ্চিত্ৰ মহোৎসৱলৈ গৈছিলো। তেতিয়াই নিউ য়ৰ্কৰ এখন কেফেত এগৰাকী সুন্দৰী মহিলাকৰ্মীৰ স'তে পৰিচয় হয়। তেওঁ মোক চিনি পালে। 'লাঞ্চবক্স' ছবিত মোৰ অভিনয়ৰ কথাও ক'লে। সেই হোটেলকৰ্মীৰ স'তে এনিশাৰ সহবাসে আনি দিছিল প্ৰথম সাফল্যৰ মিঠা স্বাদ।' নৱাজুদ্দিনৰ এই স্বীকাৰোক্তিৰ পাছতে বিষয়টোক কেন্দ্ৰ কৰি সম্প্ৰতি বলিউডত প্ৰবল চৰ্চা চলিছে।

## এমুঠি পুঠি' ছবিয়ে দৰ্শকক চিত্ৰগৃহলৈ অনাৰ আশা

আগতীয়াকৈ অহা বাৰিষা আৰু নেৰানেপেৰা বৰষুণৰ মাজতেই পূৰ্ব নিৰ্ধাৰিত সময়সূচীৰে 'ঋহান ফিল্মছ্ আৰু মেটানৰ্মেল প্ৰডাকছন'ৰ বেনাৰত ভাস্কৰ হাজৰিকাৰ কাহিনী আৰু কুলনন্দিনী মহন্তৰ পৰিচালনাৰে ১৭ জুনত সমগ্ৰ অসমৰ চিত্ৰগৃহতে মুক্তি লাভ কৰিলে নতুন অসমীয়া চিনেমা 'এমুঠি পুঠি'-য়ে। চিনেমাখনৰ সহযোগী পৰিচালক সুনয়না দত্ত। সাংস্কৃতিক ক্ষেত্ৰখনত সুনয়না এক পৰিচিত নাম। আনহাতে ইয়াৰ পূৰ্বে ভাস্কৰ হাজৰিকাৰ 'আমিষ' চিনেমাখনত সহকাৰী চিনেমে'টোগ্ৰাফাৰ হিচাপে কাম কৰা কুলনন্দিনী মহন্তৰ পৰিচালক হিচাপে এইখন প্ৰথমখন চিনেমা।

শক্তিশালী নাৰী চৰিত্ৰৰ সমাবেশৰে ছবিখন সকলোৰে বাবে উপভোগ হৈছে। হাস্যৰসৰ মাজতো দৰ্শকে কৰিব পৰা সুস্থ চিন্তাৰে 'এমুঠি পুঠি'ত একক অভিভাৱকত্বৰ এগৰাকী শক্তিশালী নাৰীৰ কথাও বৰ্ণিত হৈছে। অহা ২৮ জুনত লণ্ডন ইণ্ডিয়ান ফিল্ম ফেষ্টিভেলত ইণ্টাৰনেছনেল প্ৰিমিয়াৰ অনুষ্ঠিত হ'বলগীয়া ব্যতিক্ৰমী কাহিনী আৰু নিভাঁজ অসমীয়া পৰিৱেশৰ বাণিজ্যিক চিনেমা 'এমুঠি পুঠিৰ' চিত্ৰনাট্য লিখিছে ভাস্কৰ হাজৰিকা আৰু সুনয়না দত্তই। উল্লেখ্য যে এই চলচ্চিত্ৰখনত ভিন্ন দিশত কাম কৰা ৬০ শতাংশ কলা-কুশলীয়েই মহিলা। ইয়াৰ লগতে এমুঠি পুঠি উত্তৰ-পূৰ্বাঞ্চলৰ ভিতৰত প্ৰথমবাৰৰ বাবে আইফ'নৰ জৰিয়তে দৃশ্যগ্ৰহণ কৰা প্ৰথমখন চিনেমা। প্ৰবীণ জনপ্ৰিয় অভিনেত্ৰী প্ৰতিভা চৌধুৰীয়ে আইতাকৰ চৰিত্ৰটোত সুন্দৰভাৱে অভিনয় কৰিছে। নীতালি দাসৰ বলিষ্ঠ অভিনয় চিনেমাখনত ভাল লাগিল। অভিনেত্ৰী সৃষ্টি শৰ্মাৰ অভিনয় স্বাভাৱিক। আন আন চৰিত্ৰত কেনী বসুমতাৰী, মনীষা ভূঞা, ঋবুল বড়ো, চুম্‌কি কছাৰী, আদিৰ লগতে আন অভিনয় শিল্পীসকলৰো অভিনয়ে দৰ্শকৰ প্ৰশংসা বুটলিলে। দুটি বিশেষ চৰিত্ৰত ডাঃ লীমা দাস আৰু অৰ্ঘ্যদীপ বৰুৱাক অতিথি শিল্পীৰূপে দেখা পোৱা চিনেমাখনত অভিনয় শিল্পীসকলৰ সংলাপ প্ৰক্ষেপণৰ দক্ষতা আৰু অসমৰ ভিন্ন অঞ্চলৰ ভাষিক সমন্বয় আমাৰ দৃষ্টিত চিনেমাখনৰ আন এক ভাল লগা দিশ। এমুঠি পুঠি হাস্যৰসাত্মক বাণিজ্যিক চিনেমা যদিও তাত ছিৰিয়াছ চিন্তাৰো সমাবেশ ঘটিছে।

তিনিটা প্ৰজন্মৰ তিনিগৰাকী নাৰীৰ কাহিনী 'এমুঠি পুঠিত' ঘাইকৈ এগৰাকী মাছ খাবলৈ অতিশয় ভাল পোৱা মহিলাৰ বৃদ্ধা অৱস্থাৰ শাৰীৰিক- মানসিক পৰিৱৰ্তন, অসুস্থতাৰ মাজতো হাঁহি থাকি আনকো হঁহুৱাই থাকিবলৈ কৰা প্ৰয়াস, নাতিয়েকৰ প্ৰতি থকা দায়িত্ব আৰু অপত্য স্নেহৰ উপস্থাপন মনোগ্ৰাহী হৈছে। কোনোবা পুৰণি পুথিত লিখিত থকা 'মৎস্যকৰ্মা' নামৰ দেৱতাগৰাকীৰ সাক্ষাৎ পাবলৈ বৃদ্ধাগৰাকী এসময়ত ব্যাকুল হৈ পৰিছে। তেওঁৰ মনোকামনা বাৰু পূৰণ হ'লনে? জানিবলৈ চাব লাগিব 'এমুঠি পুঠি'



চিনেমাখন। উজনিৰ পৰা নামনিলৈ এগৰাকী বৃদ্ধাৰ নাতিনীয়েকৰ স'তে আৰম্ভ কৰা ৰোমাঞ্চকৰ-ৰহস্যময় যাত্ৰাৰ অভিজ্ঞতা আৰু কেইটামান উপ-কাহিনীৰ উপস্থাপনৰে চিনেমাখন নিৰ্মাণ কৰা হৈছে। চিনেমাখনৰ কিছুমান দৃশ্যই দৰ্শকৰ মন-মগজু আলোড়িত কৰাৰ লগতে মনগহনত চিন্তাৰ বুৰবুৰণি তুলিবলৈয়ো সক্ষম হৈছে। কাহিনীৰ লগত খাপ খোৱা গীতকেইটিত কণ্ঠ নিগৰাইছে কাব্যশ্ৰী বৰা, প্ৰীতম দত্ত, সুমন কাশ্যপ, অৰূপজ্যোতি বৰুৱা, ঋষি বৰাই। সংগীতৰ কাম কৰিছে মণিদীপ তাৰুৱে।। চিনেমাখনৰ ছাউণ্ড ডিজাইনাৰ ৰুক্মজিৎ বৰুৱা আৰু বুলগেনিন বৰুৱা, সাজসজ্জা মেহেৰ আহমেদৰ। চিনেমে'টোগ্ৰাফাৰ উজ্জ্বলা বিশ্বনাথ আৰু সম্পাদনাৰ কাম কৰিছে শ্বোয়েতা ৰায় চেমলিঙে। ইয়াৰ লগতে আন বহু লোক জড়িত হৈ থকা চিনেমাখনৰ প্ৰডাকচন ডিজাইনাৰ হিচাপে আছিল ড° বিষ্ণু শইকীয়া।

চিনেমাখন দৰ্শকৰ আৰু বেছি সঁহাৰি লাভ কৰক তাৰেই কামনা কৰিলো।

**সাংস্কৃতিক প্ৰতিনিধি**

## একেখন ছবিতে ছাৰা-জাহ্নৱী-অনন্যা

### কৰণ জোহৰৰ ছবিত নতুন চমক

**প্ৰযোজক-পৰিচালক** কৰণ জোহৰৰ ছবি মানেই জকমকীয়া ছেট, সুন্দৰ লোকেছন আৰু তাৰ স'তে তাৰকাৰ সমাবেশ। সম্প্ৰতি মুক্তিৰ অপেক্ষাত আছে কৰণৰ ছবি 'যুগ যুগ জিও'। ইয়াৰ পাছতে চিত্ৰগৃহলৈ আহিব তেওঁৰ পৰৱৰ্তী ছবি 'ৰকী ঔৰ ৰাণী কি প্ৰেম কাহানি'। এই ছবিৰ যোগেদিয়ে বহুদিনৰ পাছত পৰিচালক কৰণ জোহৰক বিচাৰি পাব দৰ্শকে। লগতে পাব হিট যুটি ৰণবীৰ সিং আৰু আলিয়া ভাটক। সম্প্ৰতি ছবিৰ এক সূত্ৰই জনাইছে যে কৰণৰ এই ছবিত আৰু চমক আছে।

শুনা গৈছে যে ৰণবীৰ-আলিয়াৰ লগতে ছবিখনত দেখা যাব নতুন প্ৰজন্মৰ তিনিগৰাকী নায়িকাক। ছাৰা আলী খান, জাহ্নৱী কাপুৰ আৰু অনন্যা পাণ্ডে। ছবিৰ এটা গীতৰ দৃশ্যততিনি নায়িকাক একেলগে দেখা যাব। সেই গীতত ৰণবীৰ আৰু আলিয়া থাকিব নে নাই, সেয়া এতিয়াও স্পষ্ট নহয়। যদিও সংবাদ মাধ্যমৰ সূত্ৰই জনাইছে যে ছাৰা, জাহ্নৱী আৰু অনন্যাক ছবিখনৰ বিশেষ কিছু দৃশ্যতো দেখা যাব পাৰে।

উল্লেখ্য যে ইয়াৰ পূৰ্বে কৰণৰ বিভিন্ন ছবিত ইতিমধ্যে ৰাণী মুখাৰ্জী, কাজল আদিক অতিথি শিল্পীৰূপে দেখা গৈছে। যদিও নতুন প্ৰজন্মৰ তিনি নায়িকাই এইদৰে অতিথি শিল্পীৰূপে দেখা দিয়াটো এয়াই প্ৰথম।




## মহানগৰীয় জীৱনগাথাৰ বাস্তৱ ছবি 'গুৱাহাটী ডায়েৰীজ'

### টিজাৰ মুকলি ঃ এক জুলাইত অসমৰ সকলো চিত্ৰগৃহতে মুক্তি

**অসমীয়া** চলচ্চিত্ৰৰ গুণগ্ৰাহী দৰ্শকৰ মাজত এতিয়া সঘন উচ্চাৰিত হৈ থকা এটি নাম 'গুৱাহাটী ডায়েৰীজ'। নিৰ্মাণৰ আৰম্ভণিৰে পৰা চিত্ৰপ্ৰেমী আৰু সমালোচকৰ দৃষ্টি আকৰ্ষণ কৰি অহা 'গুৱাহাটী ডায়েৰীজ' হ'ল মুক্তিৰ বাবে সাজু হোৱা এখন নতুন পূৰ্ণদৈৰ্ঘৰ অসমীয়া ছবি। গুৱাহাটী আমাৰ সকলোৰে বাবে আৱেগ। অসমত এনেকুৱা এজন ব্যক্তি নাই যাৰ জীৱনত গুৱাহাটীয়ে এবাৰ হ'লেও স্পৰ্শ কৰা নাই। কাৰোবাৰ যদি শৈক্ষিক জীৱনত, কাৰোবাক আকৌ কৰ্মজীৱনত গুৱাহাটীয়ে স্পৰ্শ কৰিছে। কাৰোবাৰ বাবে দুদিনীয়া অস্থায়ী গুৱাহাটী আকৌ কাৰোবাৰ বাবে জীৱনৰ স্থায়ী ঠিকনা হৈ গৈছে গুৱাহাটী। এটা সময়ত নগৰৰ পৰা মহানগৰ হ'ল গুৱাহাটী। এই মহানগৰতে বহুতেই আহে জীৱনটোক গঢ়িবলৈ। কিছুমানে সফল হয় আৰু কিছুমানে বিফল হৈ গুচিও যাব লগা হয়। যান্ত্ৰিকতাই অহৰহ ক্ৰিয়া কৰি থকা এই গুৱাহাটীত শাশ্বত জীৱনৰ উপলব্ধি বিচাৰি বহুতেই হাবাথুৰি খাই ফুৰিব লগাও হয়। এই মহানগৰীয় জীৱনৰ সুখ-দুখক লৈয়ে এক ব্যতিক্ৰমী কাহিনীৰে দৰ্শকৰ মন চুই যোৱাকৈ 'গুৱাহাটী ডায়েৰীজ' ছবিখন নিৰ্মাণ কৰিছে প্ৰহৰ প্ৰডাকচনৰ বেনাৰত এগৰাকী সংস্কৃতিৱান মহিলাই। তেওঁ হ'ল ডাঃ প্ৰণীতা শইকীয়া। এইখিনিতে উল্লেখ কৰিলো যে ডাঃ শইকীয়া এগৰাকী ভাল কণ্ঠশিল্পী হোৱাৰ উপৰি একেধাৰে গীতিকাৰ, কবি, সমাজসেৱিকা হিচাপেও সুখ্যাতি আছে। সৰুৰে পৰা বিভিন্ন নাটকত অভিনয় কৰি অহা ডাঃ প্ৰণীতা শইকীয়া চিকিৎসা সেৱা খণ্ডতো সুনাম অৰ্জন কৰিছে। বিশেষকৈ ক'ভিডৰ সময়ত চিকিৎসকগৰাকীৰ অৱদান উল্লেখযোগ্য।

সংগীতৰ চৰ্চা কৰি অহা ডাঃ প্ৰণীতা শইকীয়াৰ কণ্ঠৰ গীতো ইতিমধ্যে বিভিন্ন মাধ্যমত শুনিবলৈ পোৱা গৈছে। কেইখনো গ্ৰন্থৰ লেখক হিচাপে পৰিচিত ডাঃ শইকীয়া ছবিখনৰ প্ৰযোজক। আনহাতে, ছবিখন পৰিচালনা কৰিছে অভিজ্ঞতাসম্পন্ন যুৱ পৰিচালক প্ৰশান্ত শইকীয়াই। ইয়াৰ পূৰ্বে পৰিচালক প্ৰশান্তই 'যি গল্পৰ শেষ নাই' নামৰ ছবিখনত থকা তিনিগৰাকী পৰিচালকৰ এগৰাকী হৈ কাম কৰিছিল। ছবিখনৰ প্ৰধান প্ৰধান চৰিত্ৰসমূহত অভিনয় কৰিছে অসমীয়া চলচ্চিত্ৰ জগতৰ জনপ্ৰিয় অভিনেত্ৰী বৰষা ৰাণী বিষয়া, বলিউডৰ অভিনেত্ৰী অসম কন্যা উৰ্মিলা মহন্ত, মিণ্টু বৰুৱা, উদয়ন দুৱৰা, ৰনজীৱলাল বৰুৱা, অৰ্ঘ্যদীপ বৰুৱা, নাজ চুলতানা, হেমন্ত দেৱনাথৰ লগতে এটি বিশেষ চৰিত্ৰত অভিনয় কৰিছে অসমৰ সংগীত জগতৰ স্বনামধন্য জয়ন্ত হাজৰিকাৰ পত্নী যশস্বী কণ্ঠশিল্পী মনীষা হাজৰিকাই। ছবিখনৰ অভিনেত্ৰী বৰষাৰাণী বিষয়া আৰু উৰ্মিলা মহন্তৰ চৰিত্ৰ দুটিয়ে নিৰ্মাণৰ সময়ৰ পৰাই চৰ্চিত হৈ আছে। ব্যতিক্ৰমী ৰূপৰ দুয়োটা চৰিত্ৰই বৰষাৰাণী আৰু উৰ্মিলাক দৰ্শকে বেলেগ ৰূপত দেখিবলৈ পাব।

ছবিখনৰ চিত্ৰগ্ৰহণ পাপু ডেকাৰ। মাষ্টাৰিং এণ্ড প্ৰচেছিং- প্ৰিয়ংকা বৰুৱাৰ। সম্পদনা অভিজিৎ ৰয়ৰ। ডি-আই কালাৰ ৰতন শীল শৰ্মাৰ। ছাউণ্ড ডিজাইন বিজয় কুমাৰ নাথ আৰু বলেন পাঠকৰ। ছবিখনৰ সংগীত পৰিচালনা অম্বৰীশ শইকীয়া, অমিতাভ বৰুৱা আৰু পৰাণ বৰকটকীৰ। আৱহ সংগীত অৰূপজ্যোতি বৰুৱাৰ। ছবিৰ গীতসমূহত কণ্ঠ নিগৰাইছে ছবিখনৰ প্ৰযোজক বিশিষ্ট কণ্ঠশিল্পী ডাঃ প্ৰণীতা শইকীয়াৰ লগতে হীৰেন্দ্ৰ সিন্‌হা, কেইদী, নাজ চুলতানা আৰু চাৰু শইকীয়াই। এক ব্যতিক্ৰমী মন চুই যাব পৰা কাহিনীৰে নিৰ্মিত 'গুৱাহাটী ডায়েৰীজ' ছবিখনে দৰ্শকৰ আশা পূৰণ কৰিব বুলি ক'ব বাৰি। ইফালে, যোৱা ১০ জুনত 'গুৱাহাটী ডায়েৰীজ' ছবিখনৰ টিজাৰ আনুষ্ঠানিকভাৱে মুকলি কৰা হয়। সেইদিনা পুৱা ১১ বজাত গুৱাহাটী জি এন আৰ চি হাস্পতালৰ পঞ্চম মহলাত থকা প্ৰেক্ষাগৃহত অনুষ্ঠিত উন্মোচনী অনুষ্ঠানত টিজাৰ মুকলি কৰে প্ৰতিদিন টাইমৰ মূখ্য সম্পাদক নিতুমনি শইকীয়াই। বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি বন্তি প্ৰজ্বলন কৰে জি এন আৰ চি হাস্পতালৰ অধ্যক্ষ বিশিষ্ট চিকিৎসক ডাঃ নোমল চন্দ্ৰ বৰাই। অনুষ্ঠানটোত অসম চলচ্চিত্ৰ বিত্ত আৰু উন্নয়ন নিগমৰ অধ্যক্ষ সীমান্ত শেখৰ, জনপ্ৰিয় অভিনেতা যতীন বৰা, যশস্বী কণ্ঠশিল্পী মনীষা হাজৰিকা বিশেষভাৱে উপস্থিত থাকে। 'গুৱাহাটী ডায়েৰীজ' অসমীয়া চলচ্চিত্ৰ জগতৰ এখন ব্যতিক্ৰমী চলচ্চিত্ৰ হিচাপে পৰিগণিত হোৱাৰ পূৰ্ণ সম্ভাৱনা আছে।

## অসমীয়া ছবি আৰু ধাৰাবাহিক দৃশ্যগ্ৰহণত ব্যস্ত বিশিষ্ট শিল্পী দীনেশ দাস



**এসময়ত** অসমৰ বিভিন্ন প্ৰান্তত অনুষ্ঠিত একাংক নাট প্ৰতিযোগিতাত অংশগ্ৰহণ কৰি বঁটা লাভ কৰিবলৈ সক্ষম হোৱা অভিনেতা তথা কণ্ঠশিল্পী দীনেশ দাসে কে'বাখনো পূৰ্ণাংগ নাটকতো অভিনয় কৰিছে। আনহাতে নাটক, অসমীয়া চলচ্চিত্ৰ তথা গুৱাহাটী দূৰদৰ্শনৰ ধাৰাবাহিকত অভিনয় প্ৰদৰ্শনেৰে ৰাইজৰ মৰম-চেনেহ লাভ কৰিবলৈ সক্ষম হোৱা দীনেশ দাস এজন কণ্ঠশিল্পীৰূপেও অসমৰ সংগীত প্ৰেমী ৰাইজৰ মাজত প্ৰিয়পাত্ৰ। বিশেষকৈ সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ আশিস লাভ কৰি মহান শিল্পীজনৰ কালজয়ী গীতসমূহ পৰিৱেশন কৰি কণ্ঠশিল্পী দীনেশ দাসে লাভ কৰিছে প্ৰচুৰ জনপ্ৰিয়তা। সাংস্কৃতিক অনুষ্ঠানৰ লগতে বিভিন্ন টিভি চেনেলত সুধাকণ্ঠ ড° ভূপেন হাজৰিকাৰ গীতসমূহ তেওঁ প্ৰায়ে পৰিৱেশন কৰি আহিছে। বিগত তিনি বছৰ মানৰ পৰা টিভি চেনেলত প্ৰায়ে কণ্ঠশিল্পী দীনেশ দাসৰ গীত প্ৰচাৰ কৰাৰ বাবে তেওঁ উৎসাহিত হৈ পৰিছে। এইবাৰ 'পথ সুৰক্ষা অভিযান'ত কণ্ঠশিল্পী দাসে গুৱাহাটী মহানগৰীৰ লগতে ৰাজ্যখনৰ বিভিন্ন চহৰ-নগৰত গীত পৰিৱেশনেৰে ৰাইজক জগাই তোলে। গুৱাহাটী মহানগৰীত পথ সুৰক্ষা অভিযানত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিতো তেওঁ গীত পৰিৱেশন কৰিছে। অভিনেতা, কণ্ঠশিল্পী দীনেশ দাসে এতিয়ালৈকে 'কনকলতা' 'মোহমুক্তি' আৰু 'ফুট পাথৰ হিৰো' নামৰ অসমীয়া ছবিকেইখনত অভিনয় কৰে। তেনেদৰে গুৱাহাটী দূৰদৰ্শন কেন্দ্ৰই সম্প্ৰচাৰ কৰা কে'বাখনো ধাৰাবাহিকত অভিনয় কৰিছে অভিনেতা দাসে। শেহতীয়াভাৱে তেওঁ কে'বাখনো অসমীয়া ছবি



আৰু টিভি চেনেলৰ ধাৰাবাহিকৰ দৃশ্য গ্ৰহণত ব্যস্ত হৈ পৰিছে। মুক্তিৰ ক্ষণ গণি থকা 'ঈশ্বৰ' নামৰ অসমীয়া ছবিখনত এজন সৎ তথা আদৰ্শ আৰক্ষী বিষয়াৰ ৰূপত অভিনয় কৰিছে অভিনেতা দীনেশ দাসে। মাফিয়া তথা দুৰ্নীতিগ্ৰস্ত লোকৰ বিৰুদ্ধে যুঁজ দিবলৈ গৈ সৰ্বস্ব হেৰুৱায়ো ন্যায় আৰু আদৰ্শক প্ৰতিষ্ঠা কৰা এজন ন্যায় পৰায়ণ আৰক্ষী বিষয়াৰ চৰিত্ৰটো ৰূপায়িত কৰি অতিকৈ সন্তুষ্টি প্ৰকাশ কৰিছে তেওঁ। আনহাতে 'খং' আৰু 'ৰক্ষক' নামৰ আন দুখন অসমীয়া ছবিৰো দুটা বিশেষ চৰিত্ৰত অভিনেতা দাসে অভিনয় কৰিছে। আনহাতে 'জোনাক' নামৰ টিভি চেনেলৰ বাবে 'আছুতীয়া সপোন', 'মৰমৰ বিয়া' আৰু 'লাহৰি গাঁও পঞ্চায়ত' নামৰ তিনিখন ধাৰাবাহিকৰ তিনিটা বিশেষ চৰিত্ৰতো অভিনেতা দাসে অভিনয় কৰিছে। তেনেদৰে 'ৰেঙণি' নামৰ টিভি চেনেলৰ ধাৰাবাহিকতো অভিনয় কৰে অভিনেতা দাসে। আনহাতে 'ফাইট' আৰু 'দ্য ৰিয়েল হিৰো' নামৰ চুটি ছবি দুখনৰ দুটা বিশেষ চৰিত্ৰ তেওঁ ৰূপায়িত কৰিছে। হাস্য-ব্যংগ ধাৰাবাহিক 'চুপতি'ত এক বিশেষ ৰূপত দৰ্শকে এইজন বিশিষ্ট অভিনেতাক দেখা পাব। অলপতে গুৱাহাটীৰ খানাপাৰা খেলপথাৰত উত্তৰ-পূৰ্বাঞ্চলৰ ৰাজ্যসমূহৰ মাজত শান্তি-সমন্বয় গঢ়াৰ প্ৰয়াসেৰে এক বিশাল গণ সমাবেশ অনুষ্ঠিত হৈ যায়। এই সমাৱেশৰ আৰম্ভণিতে ভক্তিমূলক গীত আৰু সাতভনীৰ মাজত থকা যাউতিযুগীয়া সম্প্ৰীতি জগাই তোলাৰ প্ৰয়াসেৰে কণ্ঠশিল্পী দাসে শান্তি-সম্প্ৰীতিৰ গীত পৰিৱেশন কৰে। এই সমাৱেশত উপস্থিত থকা অসম বিধানসভাৰ অধ্যক্ষ বিশ্বজিৎ দৈমাৰীয়ে কণ্ঠশিল্পী দীনেশ দাসক উচ্চ প্ৰশংসা কৰে। কণ্ঠশিল্পী দাসক গীত পৰিৱেশনৰ ক্ষেত্ৰত বিশেষভাৱে উৎসাহ যোগাই জিলা পৰিৱেশন বিষয়া গৌতম দাসে।

## পুনৰ উভতি আহিব সিংঘম

**পুনৰ** উভতি অহাৰ বাবে সাজু হৈছে 'সিংঘম'। অনুৰাগীৰ মনত আনন্দৰ জোৱাৰ তোলাৰ বাবে এই কথাই যথেষ্ট। কিয়নো 'সিংঘম'ৰ জনপ্ৰিয়তা যে দৰ্শকৰ মাজত এতিয়াও অটুট আছে সেয়া 'ছিম্বা' আৰু 'সুৰ্যবংশী' নামৰ ছবি দুখনেই প্ৰমাণ কৰিছে। 'সিংঘম'ৰ কিছু মুহূৰ্তৰ উপস্থিতিয়ে এই দুখন ছবিৰ সফলতাত যথেষ্ট অৰিহণা যোগাইছিল। ২০১১ত পৰিচালক ৰোহিত ছেট্টীৰ ছবিত অজয় দেৱগণৰ ধামাকা দৰ্শকে এতিয়াও পাহৰা নাই। সেই উৎসাহ বৃদ্ধি কৰিছিল ২০১৪ত মুক্তি হোৱা 'সিংঘম ২' ছবিয়ে। অৱশ্যে তাৰ পাছৰে পৰা পৰিচালক ৰোহিতে 'সিংঘম'ৰ ছিকুৱেল নিৰ্মাণ কৰা নাছিল। যদিও দৰ্শকে আগ্ৰহেৰে অপেক্ষা কৰিছিল 'সিংঘম'ৰ সিংহনাদ শুনিবলৈ। বিগত আঠ বছৰত ৰোহিতে 'সিংঘম'ৰ অনুকৰণত নিৰ্মাণ কৰিলে ৰণবীৰ সিং অভিনীত 'ছিম্বা' আৰু অক্ষয় কুমাৰ অভিনীত 'সূৰ্যবংশী'। 'ছিম্বা'ৰ শেষ মুহূৰ্তত 'সিংঘম'ৰ উপস্থিতিয়ে দৰ্শকৰ মনত আলোড়ন তুলিছিল। সেইদৰে দৰ্শকক আমোদ দিছিল 'সুৰ্যবংশী'ৰ শেষ ভাগত 'ছিম্বা' আৰু 'সিংঘম'ৰ আৱিৰ্ভাবে। অৱশেষত দৰ্শকৰ অপেক্ষাৰ অন্ত পেলাই পৰিচালক ৰোহিতে ঘোষণা কৰিলে যে শীঘ্ৰেই তেওঁ নিৰ্মাণ কৰিব 'সিংঘম ৩'। ছবিৰ প্ৰাথমিক প্ৰস্তুতি আৰম্ভ হোৱা বুলিও তেওঁ জনাইছে। ৰোহিতে লগতে দাবী কৰিছে যে 'সিংঘম'ৰ তৃতীয়খন ছবিয়ে আগৰ দুখনৰ সকলো অভিলেখ ভংগ কৰিব। শীঘ্ৰেই চিত্ৰগ্ৰহণ আৰম্ভ হ'ব বুলিও তেওঁ জনাইছে। ৰোহিত সম্প্ৰতি তেওঁৰ পৰৱৰ্তী ছবি 'চাৰ্কাছ'ৰ কামত ব্যস্ত। অহা



### পূৰ্বৰ সকলো অভিলেখ ভংগৰ দাবী ৰোহিতৰ

ডিচেম্বৰত মুক্তি পাবলগীয়া ছবিখনত অভিনয় কৰিছে ৰণবীৰ সিং, পূজা হেগড়ে, জেকুলিন ফাৰ্ণাণ্ডেজ আদিয়ে। ইয়াৰ উপৰি সিদ্ধাৰ্থ মালহোত্ৰা অভিনীত ৱেব ছিৰিজ 'ইণ্ডিয়ান পুলিচ ফ'ৰ্চ'ৰ কামতো তেওঁ ব্যস্ত হৈ আছে।

## ছলমানৰ ছবিত একেলগে দেখা যাব ১০ নায়িকাক

**বলিউডত** তেওঁক 'প্ৰেমিক পুৰুষ' বুলিয়ে গণ্য কৰা হয়। ৰোমাণ্টিক ছবিত ছলমান খানৰ বিকল্প পোৱা কঠিন। সেইদৰে ব্যক্তিগত জীৱনতো এতিয়াও বিয়া নাপাতিলেও তেওঁৰ সমান প্ৰেমৰ সম্পৰ্ক গঢ়ি তোলা নায়ক হয়তো নাই। বহু কেইগৰাকী নায়িকাৰ স'তেই তেওঁৰ প্ৰেমৰ সম্পৰ্ক আছিল যদিও এটা সম্পৰ্কয়ো স্থায়িত্ব লাভ নকৰিলে। সেই ছলমানৰ ছবিতে এইবাৰ একেলগে দেখা যাব ১০গৰাকী নায়িকাক। ২০০৫ত মুক্তি লাভ কৰা 'ন' এণ্ট্ৰি' নামৰ ৰোমাণ্টিক কমেডীখনে বক্স অফিচত প্ৰচুৰ আয় কৰিছিল। সেই ছবিখনৰে ছিকুৱেল নিৰ্মাণৰ কথা সদৰী হোৱাৰ লগে লগে বলিউডত বিশেষ চৰ্চা আৰম্ভ



হৈছে। 'ন' এণ্ট্ৰি ম্যে এণ্ট্ৰি' নামৰ ছিকুৱেলখনতে ১০গৰাকী নায়িকাক দেখা যাব বুলি চৰ্চা চলিছে। প্ৰথমখন ছবিত আছিল তিনিগৰাকী নায়িকা। তেওঁলোক হৈছে বিপাশা বসু, লাৰা দত্ত আৰু চেলিনা জেটলী। অৱশ্যে ছিকুৱেলত তেওঁলোকক দেখা পোৱা নাযাব। কথা হ'ল, এটা কাহিনীত যদি ১০গৰাকী নায়িকা থাকে তেন্তে সেই সংখ্যক নায়কো লাগিব। প্ৰযোজকৰ সূত্ৰই জনোৱা মতে, 'ন' এণ্ট্ৰি'ৰ তিনি নায়ক ছলমান, অনিল কাপুৰ আৰু ফাৰদিন খান ছিকুৱেলতো থাকিব। দীৰ্ঘ বিৰতিৰ পাছত ফাৰদিনে এই ছবিৰেই বলিউডলৈ প্ৰত্যাৱৰ্তন কৰিব। তিনিওজন নায়কেই তিনিটাকৈ চৰিত্ৰত অভিনয় কৰিব। প্ৰতিটো চৰিত্ৰৰ বিপৰীতে একোগৰাকীকৈ নায়িকা। তথাপি বাকী থাকিল এগৰাকী নায়িকা। চমক হিচাপে ছবিখনত উপস্থিত থাকিব এজন অতিথি শিল্পী। অনীশ বাজমিৰ পৰিচালনাত এই ছিকুৱেলৰ চিত্ৰগ্ৰহণ বছৰৰ শেষৰ ফালে আৰম্ভ হোৱাৰ কথা। এতিয়া সেই ১০ নায়িকা কোন হ'ব, তাকে লৈ চৰ্চা আৰম্ভ হৈছে।



## কৰণ জোহৰৰ ছবিতে অভিষেক ইব্ৰাহিমৰ

## কন্যাৰ পাছত এইবাৰ অভিষেক ছঈফ-পুত্ৰৰ!

**ছঈফ** আলী খানৰ জ্যেষ্ঠা কন্যা ছাৰা আলী খানে ইতিমধ্যেই বলিউডত আত্মপ্ৰকাশ কৰিছে। একাধিক সফল ছবিতো অভিনয় কৰিছে ছাৰাই। এইবাৰ বলিউডত আত্মপ্ৰকাশৰ বাবে সাজু হৈছে ছঈফৰ জ্যেষ্ঠ পুত্ৰই। ছঈফ আৰু প্ৰাক্তন পত্নী অমৃতা সিঙৰ পুত্ৰ ইব্ৰাহিম আলী খানে শীঘ্ৰেই বলিউডত অভিষেক ঘটাব। উল্লেখ্য যে তাৰকাৰ পুত্ৰ-কন্যাক ছবিত প্ৰথম সুযোগ দিয়াৰ সুখ্যাতিৰ লগতে কুখ্যাতিও আছে পৰিচালক-প্ৰযোজক কৰণ জোহৰৰ। বহু তাৰকা-সন্তানে কৰণৰ যোগেদিয়ে বলিউডত অভিষেক ঘটাইছে। ইয়াৰ বাবে সুশান্ত সিং ৰাজপুতৰ মৃত্যুৰ পাছত কৰণৰ বিৰুদ্ধে স্বজন-তোষণৰো অভিযোগ উঠিছিল। তথাপি নিজৰ সিদ্ধান্তৰ পৰা আঁতৰি যোৱা নাই কৰণ। এইবাৰ কৰণৰ ছবিৰ যোগেদিয়ে অভিষেক ঘটিব ছঈফ-পুত্ৰ ইব্ৰাহিমৰ। বলিউডৰ সূত্ৰই জনোৱা মতে, কৰণৰ প্ৰযোজনা সংস্থা ধৰ্মা প্ৰডাকচনে জনপ্ৰিয় তামিল ছবি 'হৃদয়ম'ৰ হিন্দী ৰিমেক কৰিব। সেই ছবিৰে নায়ক হ'ব ইব্ৰাহিম। উল্লেখ্য যে তামিল ছবি 'হৃদয়ম'ৰ যোগেদি অভিষেক ঘটিছিল দক্ষিণৰ ছুপাৰষ্টাৰ মোহনলালৰ পুত্ৰ প্ৰণৱ মোহনলালৰ। ছবিখনে বক্স অফিচত যথেষ্ট সফলতা অৰ্জন কৰিছিল। কৰণে আশা কৰিছে যে এইখন ছবিৰ ৰিমেকৰে অভিনয় আৰম্ভ হ'লে ইব্ৰাহিমৰ আৰম্ভণি ভালেই হ'ব। উল্লেখ্য যে কৰণৰ ছবি 'ৰকী ঔৰ ৰাণী কি প্ৰেম কাহানী'ত ইব্ৰাহিমে সহকাৰী পৰিচালকৰূপে কাম কৰিছে। ইফালে, সূত্ৰই জনাইছে যে ইব্ৰাহিমৰ বিপৰীতে আন এগৰাকী তাৰকা সন্তানক দেখা পোৱা যাব পাৰে। চৰ্চাত আছে শ্বাহৰুখ খানৰ কন্যা সুহানা আৰু শ্ৰীদেৱীৰ কনিষ্ঠা কন্যা খুশিৰ নাম।



## নৱপ্ৰজন্মৰ মাজত লোকবাদ্য জীয়াই ৰখাৰ পূৰ্ণ প্ৰয়াস লোকশিল্পী লোহেশ্বৰ গগৈৰ

মহাপুৰুষ শংকৰদেৱৰ অপূৰ্ব সৃষ্টি লোকবাদ্য তথা দেৱবাদ্য খোল। এই বাদ্য গুৰুজনে প্ৰথমে মাটিৰে সৃষ্টি কৰি অংকীয়া ভাওনা পাতিছিল। এই মহান উদ্দেশ্য সাৰোগত কৰি গোলাঘাট জিলাৰ ঘিলাধাৰী মৌজাৰ অন্তৰ্গত এক নম্বৰ বৰজান গাঁৱৰ প্ৰতিভাধৰ লোকশিল্পী লোহেশ্বৰ গগৈয়ে বৃহত্তৰ অঞ্চলটোৰ নৱপ্ৰজন্মৰ মাজত লোকবাদ্য তথা দেৱবাদ্য খোলৰ পূৰ্ণ প্ৰশিক্ষণ আগবঢ়াই গুৰুজনাৰ অনবদ্য সৃষ্টিক জীয়াই ৰখাৰ প্ৰয়াস কৰিছে। উল্লেখ্য যে আদৰ্শৱান শিল্পীজনে তিতাবৰৰ বগীআই বৰএলেঙী সত্ৰৰ বৰঅংকীয়া কৃষ্টিৰ আধাৰত স্থানীয় অঞ্চলটোৰ আদৰ্শ, গমাৰী, হাতীগড় মাটিখোলা সৎসংগ, শোণিতপুৰ, নাৰায়ণপুৰ, এক নম্বৰ বৰজান আদি গাঁৱৰ নামঘৰসমূহত আনুষ্ঠানিকতাৰে খোলবাদ্যৰ কৰ্মশালা আগবঢ়াই আদৰণীয় পদক্ষেপ গ্ৰহণ কৰিছে। নীৰৱ আৰু নিৰহংকাৰী শিল্পীজনে সাংস্কৃতিক প্ৰতিবেদকে জনোৱা মতে সাম্প্ৰতিক সময়লৈকে সংশ্লিষ্ট গাঁওসমূহৰ তিনিশতাধিক শিশু, কিশোৰ আৰু যুৱকক খোলবাদ্যৰ গীত-মাত-ৰাগ-তালৰ প্ৰশিক্ষণৰ উপৰি মহাপুৰুষীয়া ভাওনাৰ প্ৰশিক্ষণ আগবঢ়াই জনপ্ৰিয়তা অৰ্জন কৰিবলৈ সক্ষম হৈছে। শিল্পীজনৰ এই মহান কৰ্মৰাজি অবৰ্তমানলৈকে অব্যাহত থাকক এয়া আমাৰ কাম্য।

# জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল আৰম্ভ

**গুৱাহাটী, ১৮ জুন ঃ** অসম চৰকাৰৰ পৃষ্ঠপোষকতাত তথা সৰ্বভাৰতীয় ফুটবল ফেডাৰেচনৰ তত্বাৱধানত অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন আজিৰে পৰা আৰম্ভ হৈছে। উল্লেখ্য যে ৰাধা গোবিন্দ বৰুৱা ক্ৰীড়া প্ৰকল্পৰ দেশভক্ত তৰুণ ৰাম ফুকন ইনড'ৰ ষ্টেডিয়ামত অনুষ্ঠিত হোৱা প্ৰতিযোগিতাৰ উদ্বোধনী অনুষ্ঠানত উপস্থিত থাকে সাংসদ কুইন ওজা, অসম ফুটবল সন্থাৰ সভাপতি নৱ কুমাৰ দলে, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰ, শিলচৰ ক্ৰীড়া সন্থাৰ সভাপতি বাবুল হোড়, অসম ফুটবল সন্থাৰ সম্পাদক হেমেন ব্ৰহ্ম, অসম ক্ৰিকেট সন্থাৰ সভাপতি ৰমেন দত্ত আদি। উদ্বোধনী অনুষ্ঠানৰ মুখ্য আকৰ্ষন আছিল ৰনজিত গগৈৰ সাংস্কৃতিক অনুষ্ঠান। উল্লেখ্য যে ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। প্ৰতিযোগিতাখনৰ মেচসমূহ অনুষ্ঠিত হ'ব সৰুসজাইৰ ইন্দিৰা গান্ধী এথলেটিকছ ষ্টেডিয়াম, নেহৰু ষ্টেডিয়াম, পল্টনবজাৰৰ ছাই নিউ ফিল্ড, সোণাপুৰৰ এল এন আই পি আৰু ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামত। ঘৰুৱা দল অসমে গ্ৰুপ মেচ খেলিব ডিমাকুছি ষ্টেডিয়ামত। অহা ২১ জুনত অসম দলৰ প্ৰথম মেচ পুডুচেৰীৰ বিৰুদ্ধে। ইফালে, আজি আৰম্ভনিৰ দিনা মুঠ চাৰিখন মেচ অনুষ্ঠিত হয়। পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। আনহাতে, গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা দ্বিতীয়খন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মেঘালয়ক। ইফালে, সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰতো আজি দুখনকৈ মেচ অনুষ্ঠিত হয়। গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ত্ৰিপুৰাক। আনহাতে, অন্য এখন মেচত ওডিছাই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক।





## ১৭ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতা
# প্ৰথমদিনাৰ চাৰিখন মেচত ২৯ টা গ'ল

**গুৱাহাটী, ১৮ জুন ঃ** অসম ফুটবল সন্থাই আয়োজন কৰা জুনিয়ৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল প্ৰতিযোগিতাখন আজিৰে পৰা গুৱাহাটী আৰু সোণাপুৰত আৰম্ভ হৈছে। উল্লেখ্য যে আজি অনুষ্ঠিত হোৱা চাৰিখন মেচত মুঠ ২৯ টা গ'ল হয়। সোণাপুৰৰ এল এন আই পি প্ৰকল্পৰ খেলপথাৰতো আজি দুখনকৈ মেচ অনুষ্ঠিত হয়। গ্ৰুপ 'এফ'ৰ প্ৰথমখন মেচত মহাৰাষ্ট্ৰই ৬-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে ত্ৰিপুৰাক। দলৰ হৈ তিনিটা গ'ল কৰি হেট্ৰিক অৰ্জন কৰে ছুমায়াই।



আনহাতে, সোণাপুৰৰ অন্য এখন মেচত ওডিছাই ৩-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে চণ্ডিগড়ক। ইফালে, পল্টনবজাৰৰ ছাই নিউ ফিল্ডত হোৱা প্ৰথমখন মেচত দিল্লীয়ে ৩-০ গ'লৰ ব্যৱধানত পৰাস্ত কৰে তেলেংগনাক। আনহাতে, গ্ৰুপ 'চি'ৰ এই খেলপথাৰতে হোৱা দ্বিতীয়খন মেচত বিহাৰে ১৫-১ গ'লৰ ব্যৱধানত পৰাস্ত কৰে মেঘালয়ক। মেচৰ শ্ৰেষ্ঠ হয় চাৰিটাকৈ গ'ল কৰা লুকী কুমাৰী। উল্লেখ্য যে, ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপখনত আয়োজক অসমকে ধৰি দেশৰ মুঠ ৩৪ টা দলে যোগদান কৰিছে। অংশকাৰী দলসমূহক আঠটা গ্ৰুপত ভাগ কৰা হৈছে। গ্ৰুপ 'এ' ত আছে মণিপুৰ, উত্তৰাখণ্ড, ঝাৰখণ্ড আৰু অন্ধ্ৰপ্ৰদেশ । গ্ৰুপ 'বি' ত স্থান লাভ কৰিছে মিজোৰাম, উত্তৰ প্ৰদেশ, চত্তিছগড় আৰু কৰ্ণাটক । গ্ৰুপ 'চি' ত আছে তেলেংগনা, বিহাৰ, মেঘালয়, দিল্লী আৰু মধ্য প্ৰদেশ । গ্ৰুপ 'ডি' ত আছে অৰুণাচল প্ৰদেশ , হিমাচল প্ৰদেশ, ছিকিম আৰু গোৱা । গ্ৰুপ 'ই' ত নগালেণ্ড, লাডাখ, পঞ্জাৱ আৰু কেৰালা । গ্ৰুপ 'এফ' ত আছে ত্ৰিপুৰা, উৰিষ্যা, মহাৰাষ্ট্ৰ, দাদৰা আৰু নগৰ হাভেলি। গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । আনহাতে, গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, বংগ, তামিলনাডু আৰু ৰাজাস্থান। প্ৰতিটো গ্ৰুপৰ চেম্পিয়ন দলে নকআউট কোৱাৰ্টাৰ ফাইনেলত প্ৰৱেশ কৰিব। গ্ৰুপ পৰ্যায়ৰ মেচসমূহৰ পাছত দুখন কোৱাৰ্টাৰ ফাইনেল সৰুসজাইত আৰু দুখন কোৱাৰ্টাৰ ফাইনেল সোণাপুৰত অনুষ্ঠিত হ'ব। আনহাতে দুয়োখন ছেমিফাইনেল আৰু ফাইনেল মেচ সৰুসজাইত হ'ব।

## জি এছ এৰ ফুটবল লীগৰ নতুন সূচী

**গুৱাহাটী, ১৮ জুন ঃ** প্ৰতিকূল বতৰ আৰু ১৭ বছৰ অনূৰ্ধ্বৰ ৰাষ্ট্ৰীয় মহিলা ফুটবল চেম্পিয়নশ্বিপৰ প্ৰতি লক্ষ্য ৰাখি গুৱাহাটী ক্ৰীড়া সন্থাৰ দ্বাৰা আয়োজিত 'চি' ডিভিজন কোৱালিফাইং ৰাউণ্ডৰ খেলসমূহ পৰৱৰ্তী জাননী নিদিয়া পৰ্যন্ত স্থগিত ৰখা হৈছে। গুৱাহাটী ক্ৰীড়া সন্থাই এই বিষয়ে অৱগত কৰিছে। একেদৰে পূৰ্বৰ সূচী অনুসৰি অনুষ্ঠিত হ'বলগা চি আৰু বি ডিভিজন ফুটবল লীগৰ খেলৰ সূচীও সলনি কৰিব গুৱাহাটী ক্ৰীড়া সন্থাই। সেই অনুসৰি চি আৰু বি ডিভিজনৰ খেলুৱৈ পঞ্জীয়নৰ অন্তিম দিন এতিয়া ২৮ জুন । চি আৰু বি ডিভিজন ফুটবল লীগ দুই জুলাইৰ পৰা আৰম্ভ হ'ব। ইফালে এ ডিভিজনৰ খেলুৱৈ পঞ্জীয়নৰ অন্তিম দিন ২০ জুলাই । এ ডিভিজন লীগ ২২ জুলাইৰ পৰা হ'ব । চি ডিভিজন কোৱালিফাইং ৰাউণ্ডৰ বাকী থকা খেলৰ সূচী শীঘ্ৰে প্ৰকাশ কৰা হ'ব বুলি গুৱাহাটী ক্ৰীড়া সন্থাৰ ফুটবল সম্পাদক এল প্ৰণৱ সিঙে জনাইছে।



## এছিয়ান শক্তি উত্তোলনত অসমৰ নিৰজ বৰাৰ সোণ

**গুৱাহাটী, ১৮ জুন ঃ** কিৰ্গিস্তানত অনুষ্ঠিত জুনিয়ৰ এছিয়ান শক্তি উত্তোলন চেম্পিয়নশ্বিপত অসমৰ নিৰজ বৰাই সোণৰ পদক লাভ কৰে। নিৰজে সামগ্ৰিক আৰু বেঞ্চ-প্ৰেছ শাখাতো সোণৰ পদক লাভ কৰে। নিৰজে স্কুৱেটত ২২০ কেজি, বেঞ্চ প্ৰেছত ১৫২.৫ আৰু ডেডলিফটত ২৪৫ কেজি উত্তোলন কৰি মুঠ ৬১৮ কেজি উত্তোলন কৰে। উল্লেখ্য যে এই চেম্পিয়নশ্বিপত এছিয়াৰ ২৫ খন দেশৰ খেলুৱৈয়ে অংশগ্ৰহণ কৰিছিল। ভাৰতীয় দলত নিৰজকে ধৰি মুঠ সাত জন খেলুৱৈয়ে অংশ লয়। উল্লেখ্য যে ২২ বছৰীয়া নিৰজৰ ঘৰ গুৱাহাটীৰ ৰুক্মিণীগাঁৱত। মাতৃ পূৰ্ণিমা বৰা, পিতৃ শোণিত কুমাৰ বৰা। নিৰজৰ প্ৰশিক্ষক হৈছে বাংগালুৰুৰ পৰা অহা এৰেন ফাৰ্নাণ্ডেজ। বৰ্তমান নিৰজ কটন বিশ্ববিদ্যালয়ৰ গণসংযোগ আৰু সাংবাদিকতাৰ স্নাতকোত্তৰৰ ছাত্ৰ।



মহিলা হকীত আৰ্জেণ্টিনাক ২-১ গ'লত পৰাস্ত কৰিলে ভাৰতে

# এছিয়ান চাইক্লিঙত অসমৰ চয়নিকাৰ ব্ৰঞ্জ
## অসম অলিম্পিক সন্থাৰ ৫০ হেজাৰ পুৰস্কাৰ ঘোষণা

**গুৱাহাটী, ১৮ জুন ঃ** ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪১ সংখ্যক এছিয়ান ট্ৰেক চাইক্লিং চেম্পিয়নশ্বিপত ব্ৰঞ্জৰ পদক দখল কৰিবলৈ সক্ষম হৈছে অসমৰ চয়নিকা গগৈ নেতৃত্বাধীন ভাৰতীয় চাইক্লিং দলটোৱে। উল্লেখ্য যে নতুন দিল্লীত আজিৰে পৰা আৰম্ভ হোৱা প্ৰতিযোগিতাখনৰ মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট ইভেন্টত ভাৰতীয় দলটোৱে এই সফলতা অৰ্জন কৰে। ব্ৰঞ্জ জয়ৰ যুঁজত ভাৰতে উজবেকিস্তানক পৰাস্ত কৰে। এছিয়ান ট্ৰেক চাইক্লিং চেম্পিঞ্জনশ্বিপৰ চাৰি কিলোমিটাৰ দৈৰ্ঘ্যৰ মহিলাৰ এলিট শাখাৰ দলীয় পাৰছুইট চাইক্লিং ভাৰতে ৰাষ্ট্ৰীয় অভিলেখ গঢ়ি ৪.৪৪ মিনিটত ৰেছ সম্পূৰ্ণ কৰে। ভাৰতীয় দলটোৰ এই সফলতাৰ বাবে অসম চাইক্লিং সন্থাৰ সভাপতি হৰমিত সিং আৰু সাধাৰণ সম্পাদক ড০ তপন দাসে অভিনন্দন জনাইছে। ইফালে, অসম অলিম্পিক সন্থাৰ সম্পাদক লক্ষ্য কোঁৱৰে ভাৰতীয় দলটোৰ লগতে অসম জীয়ৰী চয়নিকা গগৈক অভিনন্দন জনোৱাৰ লগতে ৰাজ্যৰ চাইক্লিষ্টগৰাকীক অসম অলিম্পিক সন্থাৰ তৰফৰ পৰা ৫০ হেজাৰ টকা পুৰস্কাৰ আগবঢ়াব বুলি ঘোষণা কৰে।



## চিন্নাস্বামীৰ বিজয়ী দলেই লাভ কৰিব পাঁচখনীয়া শৃংখলাৰ চেম্পিয়ন ট্ৰফী
# আজি ভাৰত-দক্ষিণ আফ্ৰিকাৰ অন্তিম টি-২০

**বাংগালুৰু, ১৮ জুন ঃ** ভাৰত দক্ষিণ আফ্ৰিকাৰ মাজৰ চলিত পাঁচখনীয়া টি-২০ শৃংখলাৰ পঞ্চম তথা অন্তিমখন মেচ কাইলৈ বাংগালুৰুৰ চিন্নাস্বামী ষ্টেডিয়ামত অনুষ্ঠিত হ'ব। উল্লেখ্য যে শৃংখলাৰ প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছতো ভাৰতীয় দলে তৃতীয় আৰু চতুৰ্থ মেচত জয়ী হৈ শক্তিশালী প্ৰত্যাৱৰ্তন কৰিছে। কাইলৈ শৃংখলাৰ ফাইনেল মেচ। উল্লেখ্য যে ভাৰতে চতুৰ্থখন মেচত ৮২ ৰাণত জয়লাভ কৰি ২-২ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰাৰ পাছত এতিয়া শৃংখলা দখলৰ ফেভাৰিট হৈ পৰিছে। একপক্ষীয় চতুৰ্থ মেচত ভাৰতৰ ১৬৯ ৰাণৰ প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকা ৮৭ ৰাণতে অলআউট হয়। সেয়ে এতিয়া চাপৰ সন্মুখীন হৈছে আলহী দলটো। ইয়াৰপূৰ্বে ভাৰতে তৃতীয়খন মেচত ৪৮ ৰাণত জয়লাভ কৰি ২-১ ৰ ব্যৱধানৰে প্ৰত্যাৱৰ্তন কৰি শৃংখলাত নিজৰ আশা সজীৱ ৰাখিছিল। উল্লেখ্য যে প্ৰথম দুখন মেচত পৰাস্ত হোৱাৰ পাছত চাপৰ সন্মুখীন হোৱা টীম ইণ্ডিয়াই তৃতীয় মেচত ১৭৯-৫ ৰাণত ইনিংছ সামৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত ১৩১-১০ ৰাণ কৰি পৰাজয় স্বীকাৰ কৰে। উল্লেখ্য যে কটকত অনুষ্ঠিত হোৱা দ্বিতীয়খন মেচত দক্ষিণ আফ্ৰিকাই চাৰি উইকেটত জয়লাভ কৰিপাঁচখনীয়া টি-২০ শৃংখলাত ২-০ ৰ অগ্ৰগতি লৈছিল। পোনতে বেটিং কৰা ভাৰতে ছয় উইকেটত ১৪৮ ৰাণ কৰে। প্ৰত্যুত্তৰত দক্ষিণ আফ্ৰিকাই ১৮.২ অভাৰতে ছটা উইকেট হেৰুৱাই ১৪৯ ৰাণ কৰি জয় অৰ্জন কৰে। ইয়াৰপূৰ্বে নতুন দিল্লীত হোৱা শৃংখলাৰ প্ৰথমখন মেচত আলহী দলটোৱে সাত উইকেটত ভাৰতক পৰাস্ত কৰিছিল। ২১২ ৰাণৰ বিজয়লক্ষ্য অনুসৰণ কৰি দক্ষিণ আফ্ৰিকাই ১৯.১ অভাৰত তিনিটা উইকেট হেৰুৱাই মেচখনত জয়লাভ কৰে। ভাৰতীয় টি-২০ দলটো হ'ল ঃ ৰিতুৰাজ গাইকোৱাড, ইযান কিষান, দীপক হুদা, শ্ৰেয়াছ আয়াৰ, ঋষভ পণ্ট, দিনেশ কাৰ্তিক, হৰ্দিক পাণ্ডিয়া, ভেংকটেশ আয়াৰ, যুজবেন্দ্ৰ চাহাল, কুলদ্বীপ যাদৱ, অক্ষৰ পেটেল, ৰবী বিষ্ণৱ, ভূৱনেশ্বৰ কুমাৰ, হাৰ্চল পেটেল, আভেছ খান, অৰ্শদ্বীপ সিং আৰু উমৰান মালিক।



## অসম এথলেটিকছ সন্থাৰ আৰ্থিক পুৰস্কাৰ ঘোষণা
# হিমাক এক লাখ, অম্লানক ৫০ হেজাৰ

**গুৱাহাটী, ১৮ জুন ঃ** আসন্ন কমনৱেলথ গেমছৰ ভাৰতীয় এথলেটিকছ দলত স্থান লাভ কৰা অসমৰ হিমা দাসক উন্নত প্ৰশিক্ষণৰ বাবে অসম এথলেটিকছ সন্থাই এক লাখ টকাৰ আৰ্থিক সাহায্য প্ৰদান কৰাৰ কথা ঘোষণা কৰিছে। ইফালে, সদ্য সমাপ্ত ৬১ সংখ্যক ছিনিয়ৰ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিকছ প্ৰতিযোগিতাত পুৰুষৰ এশ আৰু দুশ মিটাৰত সোণ লাভ কৰা অসম সন্তান অম্লান বৰগোঁহাইকো ৫০ হেজাৰ টকা পুৰস্কাৰ আগবঢ়াব বুলি ঘোষণা কৰে অসম এথলেটিকছ সন্থাৰ সভাপতি লক্ষ্য কোঁৱৰে। উল্লেখ্য যে অম্লানে ইতিমধ্যে ২০০ মিটাৰ দৌৰত এছিয়ান গেমছলৈ যোগ্যতা অৰ্জন কৰিছে। কিন্তু কমনৱেলথ গেমছলৈ যোগ্যতা অৰ্জনত বিফল হয়। কিন্তু ৰেংকিঙৰ সুযোগ লাভ কৰি মহিলা ৰেলী দলত স্থান লাভ কৰে অৰ্জুন বঁটা বিজয়ী হিমাই। উল্লেখ্য যে ছিনিয়ৰ ৰাষ্ট্ৰীয় আন্তঃৰাজ্যিক এথলেটিকছত হিমা আৰু অম্লানে মহিলা আৰু পুৰুষৰ ১০০ মিটাৰ দৌৰত সোণ লাভ কৰি দেশৰ ভিতৰতে দ্ৰুততম তৰুণ হোৱাৰ গৌৰৱ লাভ কৰিছিল। আনহাতে, ২০০ মিটাৰ দৌৰতো অম্লানে সোণ অৰ্জন কৰাৰ বিপৰীতে মহিলাৰ ২০০ মিটাৰ দৌৰত হিমাই ৰূপ দখল কৰে। হিমাই কিন্তু ৰীলেত সোণ পাবলৈ সক্ষম হয়। সেই সফলতাৰ বাবেই ৰেংকিঙৰ জৰিয়তে অহা ২৮ জুলাইৰ পৰা আঠ আগষ্টলৈ বাৰ্মিংহামত অনুষ্ঠিত হ'বলগীয়া কমনৱেলথ গেমছৰ বাবে ভাৰতীয় এথলেটিকছ ফেডাৰেছনে ঘোষণা কৰা ৩৭ জনীয়া ভাৰতীয় দলটোত স্থান লাভ কৰে হিমাই। উল্লেখ্য যে এয়া হিমাৰ ক্ৰমাগত দ্বিতীয়খন কমনৱেলথ গেমছ।

## আজি ফাইনেল

অগ্ৰদূত বাৰ্তা

**কাকজান, ১৮ জুন ঃ** কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ উদ্যোগত চলি থকা ত্ৰিবেদানন্দ দত্ত, ইন্দ্ৰ বৰদলৈ আৰু তৰুণ চন্দ্ৰ ভূঞা সোঁৱৰণী ১৩-১৯ বছৰ অনুৰ্ধ্ব পুৰুষ-মহিলাৰ ফুটবল পতিযোগিতাৰ ফাইনেল খেল কেইখন কাইলৈ অনুষ্ঠিত হ'ব । উল্লেখ্য যে ১৩বছৰ অনুৰ্ধৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব গোলাঘাট ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ মাজত । একেদৰে ১৯ বছৰ অনুৰ্ধৰ ফাইনেল খেলখন গোলাঘাট ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু নুমলীগড় ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ মাজত অনুষ্ঠিত হোৱাৰ বিপৰীতে মহিলাৰ ফাইনেল খেলখন অনুষ্ঠিত হ'ব কাকজান ফুটবল প্ৰশিক্ষণ কেন্দ্ৰ আৰু বাঁহনি ফুটবল প্ৰশিক্ষণ কেন্দ্ৰৰ মাজত । বিয়লি অনুষ্ঠিত হ'ব লগীয়া বঁটা বিতৰণী সভাত জিলাখনৰ বহু কেইজন গণ্য মান্য ব্যক্তি তথা প্ৰবীণ ক্ৰীড়াবিদ উপস্থিত থাকিব।



ৰাষ্ট্ৰীয় মাষ্টাৰ্ছ এথলেটিকছত সোণ ৰূপ লাভ কৰা অসমৰ দিপামনি


# আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱসত প্ৰাইজমানি দৌৰ

**গুৱাহাটী, ১৮ জুন ঃ** আন্তঃৰাষ্ট্ৰীয় অলিম্পিক দিৱস উপলক্ষে অসম এথলেটিকছ সন্থা আৰু গুৱাহাটী ক্ৰীড়া সন্থাৰ যুটীয়া উদ্যোগত মহানগৰীত অনুষ্ঠিত হ'ব প্ৰাইজমানি ১০ কিলোমিটাৰ দৌৰ প্ৰতিযোগিতা। উল্লেখ্য যে অহা ২৩ জুনৰ পুৱা পাঁচ বজাত খানাপাৰা খেলপথাৰৰ পৰা আৰম্ভ হৈ নেহেৰু ষ্টেডিয়ামত সামৰণি পৰিবলগীয়া ১০ কিলোমিটাৰ দূৰত্বৰ দৌৰ প্ৰতিযোগিতাখনত ৰাজ্যৰ সকলো প্ৰান্তৰে প্ৰতিযোগী সকলৰ অংশগ্ৰহন উদ্যোক্তাই কামনা কৰিছে। পুৰুষ আৰু মহিলা উভয় শাখাত অনুষ্ঠিত হ'বলগীয়া এই প্ৰতিযোগিতাত প্ৰথমৰ পৰা পঞ্চম স্থান প্ৰাপ্ত বিজয়ী প্ৰতিযোগীসকলক ক্ৰমে পাঁচ, চাৰি, তিনি, দুই আৰু এহেজাৰকৈ টকা দি পুৰস্কৃত কৰা হ'ব। প্ৰতিযোগিতাত অংশগ্ৰহনৰ বাবে প্ৰতিযোগীসকলে ৬৯০১৮৫৬৬৯৬, ৯৯৫৭৭৪৫৯৩৪ নম্বৰত যোগাযোগ কৰিব পাৰিব। অহা ২২ জুনৰ পূৰ্বে নামসমূহ প্ৰেৰণ কৰাটো বাধ্যতামুলক। প্ৰতিযোগিতাখনৰ ফ্লেগ অফৰ লগতে বঁটা বিতৰণী অনুষ্ঠানত উপস্থিত থাকিব মোহময়ী অভিনেত্ৰী প্ৰস্তুতি পৰাশৰ,বৰষা ৰাণী বিষয়া,শ্যামন্তিকা শৰ্মা,কণ্ঠশিল্পী ভৃগু কাশ্যপ আৰু আচুৰ্য বৰপাত্ৰ।

## বান দুৰ্যোগৰ মাজতে ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ বাবে সাজু কৰা হৈছে ডিমাকুছি ষ্টেডিয়াম
# ২১ জুনত প্ৰথম মেচত পুডুচেৰীৰ বিৰুদ্ধে খেলিব আয়োজক অসমে

অগ্ৰদূত বাৰ্তা

**টংলা, ১৮ জুন ঃ** সৰ্বভাৰতীয় ফুটবল ফেডাৰেছন আৰু অসম চৰকাৰৰ সহযোগত তথা অসম ফুটবল সন্থাৰ উদ্যোগত আৰম্ভ হোৱা ১৭ বছৰ অনূৰ্ধ্ব ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবল প্ৰতিযোগিতাৰ দুটা গ্ৰুপৰ খেল ওদালগুৰি জিলাৰ ডিমাকুছি ষ্টেডিয়ামতো অনুষ্ঠিত হ'ব। উল্লেখ্য যে বান দুৰ্যোগৰ মাজতে ৰাষ্ট্ৰীয় জুনিয়ৰ মহিলা ফুটবলৰ বাবে সাজু হৈছে ডিমাকুছি ষ্টেডিয়াম। অহা ২১ জুনৰ পৰা আৰম্ভ হ'ব দুটা গ্ৰুপৰ খেল। ডিমাকুছি ষ্টেডিয়ামত অনুষ্ঠিত হ'বলগীয়া গ্ৰুপ 'জি' ৰ দলসমূহ হ'ল আয়োজক অসম, হাৰিয়ানা, পুডুচেৰী আৰু গুজৰাট । সেইদৰে গ্ৰুপ 'এইচ' ত স্থান লাভ কৰিছে জম্মু-কাশ্মীৰ, পশ্চিম বংগ, তামিলনাডু আৰু ৰাজাস্থানে। এই প্ৰতিযোগিতাৰ বাবে অসম দলটোৰ প্ৰশিক্ষণ তথা বাছনি শিবিৰ ডিমাকুছি ষ্টেডিয়ামতে যোৱা দুসপ্তাহ ধৰি চলি আছে। ইতিমধ্যে অসম ফুটবল সন্থাই প্ৰতিযোগিতাৰ বাবে অসমৰ মহিলা দলটো ইতিমধ্যে ঘোষণাও কৰিছে । অসম দলটোৰ অধিনায়ক হিচাপে আছে তুষামণি গগৈ আৰু সহঃঅধিনায়কৰ দায়িত্বত আছে মৌচুমী ব্ৰহ্ম । দলটোৰ অন্য খেলুৱৈ হল ঃ মম্পী সোণোৱাল, ৰেশ্মী ৰয়, সোণম ডালমা লামা, পূৰ্ণিমা ৰেগন, চয়নিকা সোণোৱাল, কে জুলি চংলয়, ৰেমালী বড়ো, ৰাজশ্ৰী সোণোৱাল, উদাংশ্ৰী নাৰ্জাৰী, চুমি দাস, হেৰিনা বসুমতাৰী, অঞ্জলী বহ্ম, মাইনু বসুমতাৰী, সোণম দত্ত, জানমণি পাংগিং, অংকিতা মেচ, মীনা কাছাৰী আৰু সবিতা ৰাভা । অসমৰ মহিলা দলটোৰ মুখ্য প্ৰশিক্ষক হিচাপে আছে লোচন শইকীয়া । মেনেজাৰ আৰু সহঃমেনেজাৰৰ দায়িত্বত আছে ক্ৰমে -ফিলাচেম বড়ো আৰু ৰয়েল বসুমতাৰী।





# প্ৰতি ছেকেণ্ডত একো একোখন ‘পৃথিৱী’ গিলিছে কৃষ্ণগহ্বৰে

## বিজ্ঞানীয়ে আৱিষ্কাৰ কৰা প্ৰবল ক্ষুধাতুৰ কৃষ্ণগহ্বৰে ধাৰণ কৰিছে বিয়াগোম আকাৰ

এষ্ট্ৰ’নমিকেল ছ’চাইটী অৱ অষ্ট্ৰেলিয়াৰ তৰফৰ পৰা এই সন্দৰ্ভত এক প্ৰতিবেদন প্ৰকাশ কৰিছে। সেই প্ৰতিবেদনতে উল্লেখ কৰা হৈছে যে ‘স্কাই মেপাৰ ছাদাৰ্ণ ছাৰ্ভে’ (এছএমএছএছ) নামৰ যন্ত্ৰৰ মাধ্যমেৰে এই কৃষ্ণগহ্বৰটো দেখা গৈছে। প্ৰায় নশ কোটি বছৰৰ পুৰণি কৃষ্ণগহ্বৰটোৰ প্ৰকৃতি বিশ্লেষণ কৰি আচৰিত হৈ পৰিছে বিজ্ঞানীসকল। তেওঁলোকে জনাইছে যে ইয়াৰ ক্ষুধা ইমানেই বেছি যে প্ৰতি ছেকেণ্ডত পৃথিৱীৰ সমান আয়তনৰ

**নিউজ ব্যুৰ’**
**মেলবৰ্ণ, ১৮ জুন ঃ** প্ৰতি ছেকেণ্ডত গিলি আছে একো একোখন ‘পৃথিৱী’। এই ধৰণৰ প্ৰৱল ক্ষুধাতুৰ কৃষ্ণগহ্বৰ (ব্লেকহোল) এটাৰ সন্ধান মহাবিশ্বত লাভ কৰি বিস্মিত হৈ পৰিছে বিজ্ঞানীসকল। কে’বাশ কোটি বছৰ ধৰি সামান্য সামান্যকৈ বাঢ়ি আহি সম্প্ৰতি এই কৃষ্ণগহ্বৰে বিয়াগোম ৰূপ ধাৰণ কৰিছে। অংকৰ নিৰিখত হিচাপ-নিকাচ কৰি দেখা গৈছে যে এই বিয়াগোম কৃষ্ণগহ্বৰে প্ৰতি ছেকেণ্ডত গিলি খাই আছে এখন পৃথিৱীৰ সমান আয়তনৰ পদাৰ্থ। ইয়াৰ ইমানেই ক্ষুধা বুলি উল্লেখ কৰি অষ্ট্ৰেলিয়ান নেচনেল ইউনিভাৰছিটিৰ বিজ্ঞানীসকলে মন্তব্য কৰিছে যে এয়া একেবাৰেই অপ্ৰত্যাশিত।

সম্প্ৰতি এষ্ট্ৰ’নমিকেল ছ’চাইটী অৱ অষ্ট্ৰেলিয়াৰ তৰফৰ পৰা এই সন্দৰ্ভত এক প্ৰতিবেদন প্ৰকাশ কৰিছে। সেই প্ৰতিবেদনতে উল্লেখ কৰা হৈছে যে ‘স্কাই মেপাৰ ছাদাৰ্ণ ছাৰ্ভে’ (এছএমএছএছ) নামৰ যন্ত্ৰৰ মাধ্যমেৰে এই কৃষ্ণগহ্বৰটো দেখা গৈছে। প্ৰায় নশ কোটি বছৰৰ পুৰণি কৃষ্ণগহ্বৰটোৰ প্ৰকৃতি বিশ্লেষণ কৰি আচৰিত হৈ পৰিছে বিজ্ঞানীসকল। তেওঁলোকে জনাইছে যে ইয়াৰ ক্ষুধা ইমানেই বেছি যে প্ৰতি ছেকেণ্ডত পৃথিৱীৰ সমান আয়তনৰ পদাৰ্থক গিলি আছে। গৱেষক দলটোৰ মুৰব্বী ক্ৰিষ্টোফাৰ অ’ংকেনে কয়, ‘আমি বিগত ৫০ বছৰ ধৰি এই ধৰণৰ কোনো মহাজাগতিক বস্তুৰেই সন্ধান কৰি আছিলো। যদিও ইয়াৰ মাজতে ইমান পুৰণি কৃষ্ণগহ্বৰ এটাৰ সন্ধান আচম্বিতে লাভ কৰিলো। কৃষ্ণগহ্বৰটো ইমান দ্ৰুতগতিৰে বাঢ়ি আছে যে আমি ভাবিবই পৰা নাই।’

বিশ্লেষকসকলৰ মতে, আচলতে এটা নহয়, দুটা হাতীপটিৰ সংঘৰ্ষৰ পাছত দুয়োটা একত্ৰিত হৈ ইমান বিশাল আকাৰৰ কৃষ্ণগহ্বৰৰ সৃষ্টি হৈছে। অন্যতম গৱেষক ছেমুৱেল লায়ে কয়, ‘আমাৰ নিজৰ হাতীপটিৰ যি কৃষ্ণগহ্বৰ, তাতকৈ ই অন্ততঃ পাঁচশ গুণ ডাঙৰ। ইয়াৰ সীমাৰে কাৰ্যতঃ কোনো কণা বা পোহৰো ওলাই যাব নোৱাৰে।’

উল্লেখ্য যে কৃষ্ণগহ্বৰৰ সন্দৰ্ভত বিজ্ঞানীসকলে নিত্য-নতুন আৱিষ্কাৰ কৰি আছে। যোৱা বছৰ বিজ্ঞানীসকলে দাবী কৰিছিল যে মহাকাশত বিপুল ছুনামিৰ সৃষ্টি কৰিব পাৰে কৃষ্ণগহ্বৰে। আমেৰিকাৰ মহাকাশ গৱেষণা সংস্থা নাছাই জনাইছিল যে যেতিয়া কোনো বিপুল ভৰৰ কৃষ্ণগহ্বৰে নিজৰ কেন্দ্ৰত ঘূৰ্ণীয়মান নিউক্লিয়াছ গঠন কৰে তেতিয়া প্ৰচুৰ পৰিমাণৰ গেছ তাৰ কেন্দ্ৰৰ পৰা ক্ৰমান্বয়ে মেৰুৰ ফালে আঁতৰি যায়। এইদৰে গৈ গৈ যেতিয়া কৃষ্ণগহ্বৰটোৰ নিয়ন্ত্ৰণ সমগ্ৰ বিষয়টোৰ পৰা আঁতৰি যায়, তেতিয়া তাৰ কেন্দ্ৰৰ সেই ঘূৰ্ণায়মান নিউক্লিয়াছৰ পিঠি সংলগ্ন অপেক্ষাকৃত ঠাণ্ডা পৰিৱেশত ঢৌ সৃষ্টি হ’বলৈ ধৰে। সেই বিপুল গেছীয় ঢৌ দেখিবলৈ প্ৰায় আমাৰ পৃথিৱীৰ সাগৰৰ ঢৌৰ দৰে। ইয়াৰ পাছত সেই ঢৌ কৃষ্ণগহ্বৰৰ সীমান্তৰ অপেক্ষাকৃত অনেক বেছি তাপমাত্ৰা (যি সূৰ্যতকৈ ১০ গুণ বেছি উত্তপ্ত হ’ব পাৰে)ৰ সংস্পৰ্শলৈ আহিলে সেয়া বিপুলভাৱে ছিটিকি ১০ আলোকবৰ্ষ দূৰত্বলৈ বিয়পি পৰিব পাৰে। সেই প্ৰৱল অভিঘাতক কল্পনা কৰাও কঠিন।

# কৰ্তৃত্বহীনভাৱে ৰেলৰ টিকট বিক্ৰী কৰা প্ৰৱঞ্চক আটক

**অগ্ৰদূত বাৰ্তা**
**জুৰীয়া, ১৮ জুন ঃ** জুৰীয়া আৰক্ষী থানাৰ অন্তৰ্গত কলনিজলাহ গাঁৱৰ পৰা যোৱা নিশা ৰেল আৰক্ষীয়ে কে’বাটাও ৰেলৰ টিকটসহ এজন প্ৰৱঞ্চকক আটক কৰে। ধৃত প্ৰৱঞ্চকজন জুৰীয়া কলনিজলাহ গাঁৱৰ তাহাজ্জুদ হুছেইন বুলি ৰেল আৰক্ষীৰ সূত্ৰই জনাইছে। সূত্ৰই জনোৱা মতে, ধৃত প্ৰৱঞ্চকজনে ভুৱা নাম-ঠিকনাৰে ৰেলৰ টিকট বুকিং কৰি গাঁৱৰ দৰিদ্ৰ লোকক অধিক দামত বিক্ৰী কৰি বিভিন্ন ঠাইলৈ অহা-যোৱাৰ ব্যৱস্থা কৰি দি আহিছিল। পাছত ৰাইজৰ অভিযোগৰ ভিত্তিত চাপৰমুখ ৰেল আৰক্ষীয়ে জুৰীয়া আৰক্ষীৰ সহযোগত যোৱা নিশা জুৰীয়াৰ ফাহিম ট্ৰেভেল্‌ছ নামৰ এখন দোকানত অভিযান চলাই ১৩খনকৈ ৰেলৰ টিকট জব্দ কৰাৰ লগতে এটা লেপটপ, কে’বাখনো ছিম কাৰ্ডসহ এটা ম’বাইল ফোন জব্দ কৰে।

# মহকুমাধিপতিক উৎকোচ দি ৰঙাঘৰৰ আলহী হ’ল

**অগ্ৰদূত বাৰ্তা,**
**মাৰ্ঘেৰিটা, ১৮ জুন ঃ** মাৰ্ঘেৰিটা মহকুমাধিপতিৰ বাসভৱনত ৰাজহ কামৰ বিনিময়ত উৎকোচ দিবলৈ আহি এজন লোক ৰঙাঘৰৰ আলহী হোৱাৰ ঘটনা পোহৰলৈ আহিছে। মহকুমাধিপতিৰ অভিযোগৰ ভিত্তিত মাৰ্ঘেৰিটা আৰক্ষীয়ে গ্ৰেপ্তাৰ কৰা বসন প্ৰধান নামৰ লোকজনক ইতিমধ্যে আদালতে জেল হাজোতলৈ প্ৰেৰণ কৰিছে।

ঘটনাৰ সন্দৰ্ভত প্ৰাপ্ত তথ্য অনুসৰি, পুৱা প্ৰায় ন বজাত মাৰ্ঘেৰিটা মহকুমাধিপতি বাসভৱনত ডিগবৈৰ পৰা প্ৰাক্তন ৱাৰ্ড সদস্য প্ৰধানৰ লগতে ভাস্কৰ জীৱন বৰুৱা নামৰ আন এজন লোক আহি উপস্থিত হয়। দুয়োজনে ৰাজহ সংক্ৰান্তীয় কামত আহিছিল। লোক দুজনে মহকুমাধিপতি পলাশ ৰাজকুমাৰ আহোমৰ লগত কথা-বতৰা পতাৰ পাছত ৰাজহ সম্পৰ্কীয় এখন আবেদন দিয়ে। বিষয়াজনেও আবেদন পত্ৰখন গ্ৰহণ কৰি কাম কৰি দিয়াৰ আশ্বাস প্ৰদান কৰে। তাৰ পাছতে বৰুৱা মহকুমাধিপতিৰ বাসভৱনৰ কক্ষৰ পৰা ওলাই যায় যদিও প্ৰাক্তন ৱাৰ্ড সদস্য প্ৰধানে বিষয়াজনক ধনৰ উৎকোচ দিয়াৰ অপচেষ্টা চলায়। ইয়াতেই খৰ্গহস্ত হৈ মহকুমাধিপতিয়ে পৰৱৰ্তী সময়ত মাৰ্ঘেৰিটা আৰক্ষী থানাত অভিযোগ দাখিল কৰে। উক্ত অভিযোগৰ ভিত্তিতে মাৰ্ঘেৰিটা আৰক্ষীয়ে অভিযুক্ত প্ৰধানক ভাৰতীয় দণ্ড বিধিৰ আঠ ধাৰাৰ অধীনত ১৬৮/২০২২ নম্বৰত গোচৰ ৰুজু কৰি গ্ৰেপ্তাৰ কৰে। আজি আৰক্ষীয়ে প্ৰধানক আদালতত হাজিৰ কৰোৱাৰ পাছত আদালতে তেওঁক ন্যায়িক জিম্মালৈ প্ৰেৰণ কৰে।

# দৈয়াঙৰ নাৰায়ণপুৰত ভূঁই ৰোৱা পৰ্ব আৰম্ভ




**অগ্ৰদূত বাৰ্তা**
**ফৰকাটিং, ১৮ জুন ঃ** গোলাঘাট জিলাৰ বৃহত্তৰ দৈয়াং অঞ্চলৰ ৰতনপুৰ পঞ্চায়তৰ অন্তৰ্গত নাৰায়ণপুৰ গাঁৱত আজি জাতি-জনগোষ্ঠীৰ অবিচ্ছেদ্য কৃষিকৰ্ম আহাৰৰ ভূঁই ৰোৱা পৰ্ব আৰম্ভ কৰা হয়। উল্লেখ্য যে উক্ত গাঁওখনৰ আদৰ্শ কৃষক তথা সমাজকৰ্মী চিমন্ত ভৰালীয়ে আগতীয়াকৈ ধান ৰোপণ কৰি উপযুক্ত উৎপাদন বৃদ্ধিৰ ওপৰত লক্ষ্য কৰি ভূঁই ৰোৱা পৰ্ব আৰম্ভ কৰিছে।

## ইউক্ৰেইনত প্ৰৱেশৰ বাবে ভিছা লাগিব ৰুছ নাগৰিকক

# জেলেন’স্কিৰ সিদ্ধান্তক প্ৰতীকী আখ্যা ঘনিষ্ঠ মহলৰ

**নিউজ ব্যুৰ’**
**কিয়েভ, ১৮ জুন ঃ** ইউক্ৰেইনৰ ওপৰত ৰাছিয়াৰ আক্ৰমণৰ ঘটনাই ইতিমধ্যে চাৰি মাহ অতিক্ৰম কৰিছে। এতিয়াও অব্যাহত আছে ৰুছ আক্ৰমণ। ফলত দুই প্ৰতিবেশী দেশৰ সম্পৰ্ক একেবাৰে ছিন্ন হোৱাৰ উপক্ৰম ঘটিছে। এনে পৰিস্থিতিতে ৰুছ নাগৰিকক ভিছা প্ৰদানৰ কথা ঘোষণা কৰিলে ইউক্ৰেইনৰ ৰাষ্ট্ৰপতি ভ’ল’ডিমিৰ জেলেন’স্কিয়ে। আগন্তুক পহিলা জুলাইৰ পৰা কোনো ৰুছ নাগৰিকে ভিছা অবিহনে ইউক্ৰেইনত প্ৰৱেশ কৰিব নোৱাৰিব। শীঘ্ৰেই এই সংক্ৰান্তীয় নিয়ম জাৰি কৰা হ’ব বুলিও জেলেন’স্কিয়ে জনাইছে।

এক টেলিগ্ৰাম প’ষ্টত জেলেন’স্কিয়ে জনাইছে যে কেবিনেটত গৃহীত হ’লেই এই নিয়ম প্ৰযোজ্য হ’ব। দেশৰ সাৰ্বভৌমত্ব, সুৰক্ষা আৰু আঞ্চলিক ঐক্য ৰক্ষা কৰিবলৈকে এই পৰিকল্পনা গ্ৰহণ কৰা হৈছে বুলিও ইউক্ৰেইনৰ ৰাষ্ট্ৰপতিজনে জনায়। ইফালে, জেলেন’স্কিৰ এই সিদ্ধান্তক প্ৰতীকী বুলিয়ে ধাৰণা কৰিছে তথ্যবিজ্ঞ মহলে। কিয়নো যুদ্ধ আৰম্ভ হোৱাৰে পৰা দুই দেশৰ সীমান্ত চৰকাৰীভাৱে বন্ধ কৰি ৰখা হৈছে। ফলত ভিছা প্ৰৱৰ্তন কৰিলেও সাম্প্ৰতিক পৰিস্থিতিত বৰ বেছি একো পৰিৱৰ্তন নঘটিব। উল্লেখ্য যে যোৱা ২৪ ফেব্ৰুৱাৰীত ৰুছ সেনাই ইউক্ৰেইনৰ সীমান্তত প্ৰৱেশ কৰি আক্ৰমণ আৰম্ভ কৰিছিল। তাৰ আগলৈকে ৰাছিয়াৰ নাগৰিকক ইউক্ৰেইনত প্ৰৱেশৰ বাবে ভিছাৰ প্ৰয়োজন নহৈছিল। দুই দেশৰে নাগৰিকৰ বহু আত্মীয়ই উভয় দেশত বাস কৰে। পৰস্পৰক সাক্ষাতৰ বাবে ৰাছিয়া আৰু ইউক্ৰেইনত থকা আত্মীয়ৰ মাজত সঘন আহযাহ চলিছিল। যদিও যুদ্ধই সকলো সলনি কৰিলে।



PHYSIOTHERAPY CENTRE
H.No-51, Basisthapur Bye lane 4,
Survey, Beltola

Contact for all kinds of pain, Spine problem, movement problem, joint stiffness etc. for best treatment by our experienced Physiotherapists.

Contact No- 70021-60730, 7002316720




অগ্ৰদূত পাব্লিচাৰ্ছ প্ৰাইভেট লিমিটেড, গুৱাহাটী-৬ৰ হৈ বি এছ ডেকাৰ দ্বাৰা অগ্ৰদূত ভৱন, দিছপুৰ, গুৱাহাটী-৬, তৰাজান, যোৰহাট আৰু দোলাবাৰী, তেজপুৰত মুদ্ৰিত আৰু প্ৰকাশিত। সম্পাদক ঃ প্ৰাঞ্জলসেন ডেকা। মুখ্য সম্পাদক ঃ কনকসেন ডেকা।
ফোন ঃ (গুৱাহাটী) সম্পাদনা ঃ (০৩৬১) ২২৬১৯২৩, ২২২৪৯৩৩, চাৰ্কুলেচন- ২২৩৪২০৯ ফেক্স ঃ (০৩৬১) ২২৬০৬৫৫, ২২৬৯১৪৭, আৰু বিজ্ঞাপন - ৯৮৬৪৮৯৭১৭৫। ফোন (যোৰহাট) ঃ (০৩৭৬) ২৩৭১৮৯৫, তেজপুৰ ঃ (০৩৭১২) ২২১৫৫১, ডিব্ৰুগড় ঃ (০৩৭৩) ২৩২৭৮৫৯।
E-MAIL : agradoot@gmail.com, editor.agradoot@gmail.com